


সম্পাদক ঃ সাৰংগ শংকৰ কলিতা

প্ৰতি,

.....................................................................................



মৰমেৰে

সাৰঙ্গ

৫১তম সংখ্যা

# কানৈয়ান

১৯৯৯-২০০০চন

# THE KANOIAN

LI$^{th}$ VOLUME 1999-2000

Prof.in charge :
***Md.M.Ahmed***

Editor :
***Saranga Sankar Kalita***

**Kanoi College,**
**Dibrugarh.**

# উছৰ্গা



অৰ্থপূৰ্ণ মৃত্যুৱে জীৱনৰ - নাট

সামৰা প্ৰতিজনাৰ

সোঁৱৰণত

......মৃত্যুওতো এটা শিল্প।

# THE KANOIAN

# কানৈয়ান


## EDITORIAL BOARD

**President :**
***Dr. Siva Dutta.***
Principal D.H.S.K.College.

**Prof In Charge :**
***Md.M.Ahmed***
Lecturer. Dept. of English

**Advisers :**
***Mr. B.Baruah***
Lecturer Dept. of Philosophy

***Dr. U.R.Baruah***
Lecturer Dept. of Assamese.

**Editor :**
***Saranga Sankar Kalita***

**Members :**
***Mintu Koch***
***Bhaskar Koch***
***Kishor Kr. Gogoi***
***Dharma jyoti Borgohain***
***Nilutpal Phukan***
***Sidhartha Sankar Kalita***
***Bhabandra Narayan Changmai***

**Both Cover**
**Designed By** : ***Mintu Koch***

***Lay- out Design :***
***Saranga Sankar Kalita & Bhaskar Koch***



## Special thanks to :

***Hiren Bhattacharjee.***
***Dr. Siva Dutta***
***Bhaban Baruah***
***Md. Mehatabuddin Ahmed***
***Dr. Usha rani Baruah***
***Dr. Bharati Dutta***
***Dr. Minu Borgohain***
***Binod Borah***
***Bidisha Baruah***
***Pallabi Bujar Baruah***
&

***Shri Pallab Swarnakar And Staff and Workers of K.S.Computech.***

**Printing at :**

***M/s K.S.Computech***
Chiring Chapori
Dibrugarh.
✆ 310849

অন্তৰণিকা

# Contents


সম্পাদকীয়

সম্পাদকৰ শলাগৰ শৰাই

অতিথি চৰা ঃ -কবি 'হীৰেণ ভট্টাচাৰ্য্যৰ' সৈতে অন্তৰঙ্গ আলাপ ১-৫ পৃষ্ঠা


## অসমীয়া শিতান

### প্ৰবন্ধ


কুৰি শতিকাৰ মহান ব্যক্তি - 'এলবৰ্ট আইনষ্টাইন' — ড° মিনু বুঢ়াগোঁহাই, প্ৰবক্তা, পদাৰ্থ বিজ্ঞান বিভাগ — ৭-৮ পৃষ্ঠা

' আছেনে বাৰু পোহৰতকৈ বেগী কণিকা ?' — সংগীতা বৰকাকতী, স্নাতক ২য় বৰ্ষ — ৯-১০ পৃষ্ঠা

'স্বামী বিবেকানন্দৰ চিন্তাধাৰা ' - এক আলোকপাত — ড° ভাৰতী দত্ত, প্ৰবক্তা , ভূগোল বিভাগ — ১১-১২ পৃষ্ঠা

" অসমৰ সংস্কৃতিত ভৌগোলিক পৰিবেশ " — ববিতা শৰ্ম্মা, স্নাতক ২য় বৰ্ষ — ১৩-১৫ পৃষ্ঠা

" একেখন আকাশৰ তলত দুজন কবিৰ গান" — বিনোদ বড়া, প্ৰবক্তা, ৰাজনীতি বিজ্ঞান বিভাগ । — ১৬-১৭ পৃষ্ঠা


### গল্প


'এপিয়লা বিধ্বস্ত যৌৱন '- — কিশোৰ কুমাৰ গগৈ, স্নাতক ২য় বৰ্ষ — ১৯-২১ পৃষ্ঠা

'ৰোমন্থন' -(এজাক স্মৃতিৰ বুকুত এক অনুভৱ) — নীহাৰিকা শইকীয়া , স্নাতক ১ম বৰ্ষ — ২২-২৩ পৃষ্ঠা

'লহৰ ' — সৰোজ সোনোৱাল , স্নাতক ২য় বৰ্ষ — ২৪ পৃষ্ঠা

'হৃদয়বোধক' - — জুনমণি হাজৰীকা স্নাতক২য় বৰ্ষ — ২৫-২৭ পৃষ্ঠা

'বাস্তৱৰ আলিঙ্গন' — সংগীতা বৰুৱা,স্নাতক২য় বৰ্ষ — ২৮-৩১ পৃষ্ঠা


### কবিতা


' শান্তিৰ অসম' — বিশ্বজিৎ বৰুৱা,স্নাতক ২য় বৰ্ষ — ৩৩ পৃষ্ঠা

'স্বাধীনতা ইয়াত এতিয়া' — নিৰোদ বড়া, স্নাতক ১ম বৰ্ষ — ৩৪ পৃষ্ঠা

'মই অসমীয়ে কৈছো ' — মৰমী দত্ত, স্নাতক ২য় বৰ্ষ — ৩৫ পৃষ্ঠা

'বন্দী নদীৰ নিৰ্জীৱ দ্বীপ' — যজমান সোনোৱাল,স্নাতক ১ম বৰ্ষ — ৩৬ পৃষ্ঠা

| | | |
|---|---|---|
| 'অস্তিত্ব' - | সাবংগ শংকৰ কলিতা স্নাতক ২য় বৰ্ষ | ৩৬ পৃষ্ঠা |
| 'তুমি ' - | শিখাদ্ৰী সোনোৱাল ,স্নাতক ২য় বৰ্ষ | ৩৭ পৃষ্ঠা |
| 'ডাষ্টবিন আদি কবিতা' | ৰাজীৱ কুমাৰ দহটীয়া ,স্নাতক ২য় বৰ্ষ | ৩৭ পৃষ্ঠা |
| ' এখন হৃদয়ৰ অবিহনে ' | ধৰ্ম্মজ্যোতি বৰগোঁহাই ,স্নাতক ৩য় বৰ্ষ | ৩৮ পৃষ্ঠা |
| 'জীৱনৰ ৰং' | ঋতিজ গগৈ , উঃমাঃ২য় বৰ্ষ | ৩৯ পৃষ্ঠা |
| 'আশাৰ সেউজীয়া জোনাক ' | মিণ্টু কোঁচ,স্নাতক ৩য় বৰ্ষ | ৩৯ পৃষ্ঠা |
| 'মোৰ খিড়িকী কাষৰ ৰাতি' | পঙ্কজ ডেকা,স্নাতক ৩য় বৰ্ষ | ৪০ পৃষ্ঠা |
| 'প্ৰেম' | বিপুল দত্ত,স্নাতক ২য় বৰ্ষ | ৪০ পৃষ্ঠা |
| ' অতীত, বন্ধু , প্ৰেম ইত্যাদি | যোগেশ বৰগোহাঞি,স্নাতক ৩য় বৰ্ষ | ৪১ পৃষ্ঠা |
| ' চিয়াঙ 'ৱিজত' এটি সন্ধিয়া' | জিতু ফুকন ,স্নাতক ৩য় বৰ্ষ | ৪২পৃষ্ঠা |
| 'তামসী অনল' | বিজয় কুমাৰ ছেত্ৰী, স্নাতক ১ম বৰ্ষ | ৪৩ পৃষ্ঠা |

## English Section

### Prose

| | | |
|---|---|---|
| ' The Broken Bridge' | Deepankar Gohain, B.A.2nd year | 45-47 |
| ' Women's Dilemma' | Ashim Kumar Hazarika ,B.A.2nd year | 48 |
| ' Belive it or not' | Zahir Shah,B.A.2nd year | 49-50 |
| ' Peculiarities of the English Language' | Tridip Neog,B.A.2nd year | 51 |
| ' How to acquire perfect happiness . | Sharwistha Dutta,B.Sc.2nd year | 52 |
| ' The most using word today 'Internet' | Nupur Sencua Baruah , Ex - student | 53 |

### Poem

| | | |
|---|---|---|
| ' Day's of Tears' | Chatra Kr. Dolly, H.S. 1st year. | 55 |
| ' Secret love' | Dibyadhar Khattiya Deori , B.A.2nd year | 55 |
| ' Unfaithful Love' | Jasmeen Chetia , B.Sc. 3rdyear. | 56 |
| ' Is there Someone' | Anjan Kr. Nag, B.Sc. 3rd year. | 57 |
| ' All my fault ' | Bhaskar koch,B.A. 2nd year. | 57 |
| ' Love never Dies' | Binod Borgohin,B.Sc. 3rdyear. | 58 |
| ' Old But Infant' | Akai Manham,B.A. 2nd year. | 58 |
| ' The Drinkar' | Biman Gogoi, H.S. 2nd year. | 59 |

‘ What is life’ . Abhijit Dutta,B.Sc.2nd year. 59
‘ Silent whispers ’ Moushumi Dworah,B.Sc. 3rdyear. 60

PHOTO PICTURE 61-65


প্ৰাচীৰ পত্ৰিকা শিতান / Wall Magazine Section

## উদয়ন

সম্পাদকীয় কলম ৬৭ পৃষ্ঠা
“ভট্টচাৰৰ বিয়োগত এটি অনুভৱ” ... দিলীপ শইকীয়া ৬৮ পৃষ্ঠা
উ ঃ মাঃ ২য় বৰ্ষ (কলা শাখা)
“কেশৱ মহন্তৰ কবিতাৰ বিষয়ে একাষাৰ” ... টুনুজ্যোতি গগৈ ৬৯ পৃষ্ঠা
স্নাতক ৩য় বৰ্ষ (কলা শাখা)
“এখন প্ৰেচক্ৰিপচন,এবুকু আশা” নীলাভ নয়ন বৰদলৈ ৬৯ পৃষ্ঠা
স্নাতক ৩য় বৰ্ষ (কলা শাখা)
“মোৰ কবিতা হওঁক ” ... কিশোৰ কুমাৰ গগৈ ৭০পৃষ্ঠা
স্নাতক ২য় বৰ্ষ (কলা শাখা)
“নৱ প্ৰভাত” ... অচ্যুত দুৱৰা ৭০ পৃষ্ঠা
স্নাতক ৩য় বৰ্ষ (কলা শাখা)
“আৱেশত দুচকু” ... মিন্টু কোঁচ ৭১ পৃষ্ঠা
স্নাতক ৩য় বৰ্ষ (কলা শাখা)
“মোৰ ক্লেশ” ... পূৰৱী সোনোৱাল ৭১ পৃষ্ঠা
স্নাতক ৩য় বৰ্ষ (কলা শাখা)
“এমুঠি সুখৰ সন্ধানত” বন্টু কোঁচ ৭১ পৃষ্ঠা
স্নাতক ৩য় বৰ্ষ (কলা শাখা)
“Know Your Needs” ... Jabin sultana Rahman ৭২ পৃষ্ঠা
B.A 2nd Year
“Painful Memeories Always Remain” ... Binod Borgohain ৭২ পৃষ্ঠা
B.Sc. 3rd Year

বিভাগীয় সম্পাদকসকলৰ বাৰ্ষিক প্ৰতিবেদন ৭৩-৮৩ পৃষ্ঠা
Result of the Annual Sports” ৮৪-৮৮পৃষ্ঠা

## সম্পাদকীয় কলম

প্ৰতিখন আলোচনীৰ বাবে 'সম্পাদকীয় শিতান ' এটা গতানুগতিক ধাৰা । এই ধাৰা পৰিচালিত হৈ আছে সাম্প্ৰতিক সময়ৰ বিভিন্ন দিশবোৰৰ আলম লৈ আৰু য'ত অন্তনিৰ্হিত হৈ আছে সামাজিক, অৰ্থনৈতিক,ৰাজনৈতিক, ধৰ্মীয়, সাহিত্য-সাংস্কৃতিক আদি দিশবোৰৰ প্ৰাসংগিকতা আৰু এনেকৈয়ে 'সম্পাদকীয়' শিতানবোৰ সমসাময়িক সকলো বিষয়ৰ ওপৰত আলোকপাত কৰি সৰ্বসাধাৰণ ৰাইজৰ বোধগম্য হ'ব পৰাকৈ অনুধাৱন কৰাত এক মহান দায়িত্ব ও কৰ্ত্তব্য পালন কৰি আহিছে। এই নীতিকে সাৰোগত কৰি মহাবিদ্যালয়ৰ আলোচনীৰ সম্পাদক হিচাপে এই নিঃকিনেও নিজৰ সীমিত জ্ঞানেৰে তেনে দায়িত্ব পালন কৰিবলৈ কিঞ্চিতমান হ'লেও অহোপুৰুষাৰ্থ কৰিছোঁ।

**ঃ অস্থিৰ সময়ঃ**

আজি চৌদিশে অস্থিৰতাৰ ধুমুহা । প্ৰতিটো ক্ষণ বিভীষিকাময় - মৃত্যুৰ কিৰিলিত সময় ৰুদ্ধ । অনিশ্চিত ভৱিষ্যত, অস্থিৰ বৰ্ত্তমানৰ অস্তিত্ব । নৈতিকতাৰ স্খলনত মানুহে হেৰুৱাই পেলাইছে মানৱীয় মূল্যবোধ,বিচাৰ- বিবেচনা, নিজস্বতা - এই ভয়াবহতাৰ কেতিয়া অন্ত পৰিব ....... কোনে প্ৰত্যুত্তৰ দিব !! এক জটিল প্ৰশ্ন !

**ঃ আশা ভঙ্গৰ যুগ ঃ**

মানুহ নামধাৰী জীৱশ্ৰেষ্ঠ (?) প্ৰাণীবোৰে জীৱ ধৰিছে আদৰ্শবিহীনভাৱে, উদ্দেশ্যবিহীনভাৱে - বিসৰ্জন দিছে জীৱনৰ প্ৰমূল্য । সময়ৰ হাতত হাত ধৰি খোজ দিছে - কুটিল সময় সৃষ্ট বাধ্যতাৰ পোছাক পিন্ধিছে । এচামে স্বাৰ্থসিদ্ধিৰ প্ৰতিযোগীতাত নামিছে -সৃষ্টি কৰিছে ভেদাভেদৰ, অসূয়া - অপ্ৰীতিৰ । আন চামে শোষিত , নিস্পেষিত হৈ হতাশাত ভূগিছে - সৃষ্টি হৈছে সংঘাতৰ । এচাম আশাবাদী হৈ গৈ আছে ( আনক শোষণ কৰি )আনচামৰ আশাভঙ্গ হৈ গৈ আছে ( আনৰ দ্বাৰা শোষিত হৈ ) । এই অন্যায় কিয় !! কোনে বিচাৰ কৰিব !

**ঃ যৌৱনৰ অপমৃত্যু ঃ**

জীৱন যুদ্ধত জয়ী হোৱাৰ তীব্ৰতম আখৰা চলে যৌৱনতে - পিছে প্ৰতিকূল সময়ৰ প্ৰতাৰণাত যৌৱন দিশহাৰা - নৈৰাশ্যবোধত ক্লান্ত। জীৱন সংগ্ৰমাৰ তীব্ৰতম আখৰাৰ মাজতে স্বপ্নাহঁত হৈছে যৌৱনবোৰ । ফলশ্ৰুতিত নামি আহিছে অন্ধকাৰ বিজড়িত কাল সময় - হাতত তুলি লৈছে নীতিবিৰুদ্ধ আইন । পথ ভ্ৰষ্ঠ যৌৱন বোৰক লৈ উদ্বিগ্ন হ'বলৈ এতিয়া অভাৱ সৎ মানুহৰ । কোনে বাৰু অপমৃত্যুৰ গ্ৰাসৰ পৰা যৌৱনবোৰক উদ্ধাৰ কৰিব !!

**ঃমানুহঃ সবাতোকৈ সুলভ বস্তু ঃ**

জীৱশ্ৰেষ্ঠ বুলি গৌৰৱ কৰিবৰ স্থল বিচাৰি পোৱা মানুহবোৰ আজি অমানুহলৈ পৰিবৰ্ত্তিত হ'ল । মানুহৰ প্ৰকৃত অস্তিতক ফাঁচীকাঠত ওলমোৱা হ'ল মামুহৰ দ্বাৰাই । মন গ'লেই (নিজৰ শক্তি (?) জাহিৰ কৰিবলৈকে ) মানুহে মানুহক হত্যা কৰাটো সাধাৰণ কথা হ'ল সেয়ে মানুহ 'মূল্যহীন

আৰ্ৱজনালৈ' অৱনমিত হ'ল । আধুনিক যুগৰ হৃদয়হীন মানুহৰ বাবে যেন ই এক 'ফেশ্বন' ! নিৰ্মম বাস্তৱৰ কোলাহল ! অন্যান বস্তুব দৰে, মানুহক মবাব আগতে মূল্য দি লোৱাৰ কোনোতো নিৰ্ধাৰিত নিয়ম নাই - সেইবাবেই মানুহ এতিয়া সবাতোকৈ সুলভ বস্তু হ'ল .....

**ঃৰাজনৈতিক প্ৰেক্ষাপট ঃ**

সাম্প্ৰতিক কালৰ সবাতোকৈ চৰ্চিত বিষয় হ'ল ৰাজনীতি - যাৰ গইনাত গঢ়ি উঠিছে অন্যায় - দুনীতি, অপৰাধৰ পৰা এশ এবুৰি জলন্ত সমস্যা। স্বাৰ্থসিদ্ধিৰ সহজ ' প্লেটফৰ্ম' কৰি তুলা হৈছে ৰাজনীতিক আৰু গৰিষ্ঠ সংখ্যক ৰাজনীতিবিদে ইয়াৰ অংশীদাৰ হৈ আদৰ্শচ্যুত হৈছে । ৰাজনীতিক ' স্বাৰ্থনীতি' লৈ বদলি কৰাৰ লগে লগেই ৰাজনীতিৰ পথাৰত 'অযোগ্য', 'মতিভ্ৰম' - মানুহৰ অবাধ বিচৰণ হৈছে। সৰ্বসাধাৰণ মানুহৰ ক্ষোভ বাঢ়িছে ,অসন্তুষ্টি বাঢ়িছে - ফলশ্ৰুতিত ৰাজনৈতিক দিশত হত্যাকাণ্ড , অপহৰণ আদি ক্ৰমাগতভাৱে বৃদ্ধি প্যাইছে । এইয়া আমাৰ বাইজৰ অতিকে পৰিচিত প্ৰতিচ্ছবি । তথাপিও সকলো নীৰৱ !

**ঃসামাজিক প্ৰেক্ষাপট ঃ**

ৰাজনীতিৰ মলিনতাই মলিন কৰিছে সামাজিক বাতাবৰণকো। বস্তুবাদী চিন্তা চৰ্চাৰ কঠিন আঘাতত 'সোলোক-ঢোলোক' সামাজিক স্থিতি। দিনে-প্ৰতিদিনে মানুহৰ পৰা মানুহৰ সংস্পৰ্শ হেৰাই যোৱাৰ উপক্ৰম হৈছে। অপ্ৰয়োজনীয় পৰিৱৰ্তনে সমাজৰ সামগ্ৰিক পৰিৱেশ বিনষ্ট কৰিছে দুখলগাভাৱে, বেছি লোকচানৰ বলী (Victim) হৈছে উঠি অহা প্ৰজন্ম। এই কথা আমাৰ অগ্ৰজসকলে কেতিয়া বুজি পাব !

**ঃ অৰ্থনৈতিক প্ৰেক্ষাপটঃ**

আধুনিক যুগৰ মানুহৰ উন্নতিৰ প্ৰধান অন্তৰায় হ'ল-'অৰ্থনৈতিক সমস্যা'। অৰ্থৰ অনাটনে মানুহক উন্মাদ কৰি তুলিছে, বাঢ়িছে অৰিয়াঅৰি,মৰামৰি। অৰ্থৰ প্ৰতি মানুহৰ লালসা দিনে-দিনে এনেদৰে বাঢ়ি গৈছে যে এতিয়া তাক যিকোনো উপায়েৰে অৰ্জন কৰাটো মানুহৰ এক স্বভাৱজাত লক্ষণত পৰিণত হৈছে। ইফালে জনসংখ্যাৰ ভয়াবহ বিস্ফোৰণে ' নিবনুৱা সমস্যা'ক সমাধান কৰাটো অলীক কল্পনালৈ ৰূপান্তৰ কৰিছে। এই সকলোবোৰ সমস্যা হৈয়ে ৰ'ব চিৰদিনলৈ-সমাধানৰ পথ সকলো ফালৰ পৰা যে ৰুদ্ধ !

**ঃধৰ্মীয় প্ৰেক্ষাপটঃঃ**

সাম্প্ৰতিক কালৰ এক বিবেচিত স্পৰ্শকাতৰ বিষয়ে হৈছে 'ধৰ্মীয় গোড়ামী আৰু উন্মাদনা'। ধৰ্মৰ গাতে বগুৰা বাই ৰঘূমলাৰ দৰে বাঢ়ি আহিছে নিজ ধৰ্ম,জাতি,ভাষাৰ প্ৰতি মানুহৰ উন্মাদনা। সৃষ্টি হৈছে সাম্প্ৰদায়িক,ভাষাগত,ধৰ্মীয় সংঘৰ্ষৰ। ধৰ্মৰ নামত অধৰ্মৰ নামান্তৰ মাথোন। অযোধ্যাৰ ৰাম জনমভূমি,বাবৰি মছজিদৰ পৰা আৰম্ভ কৰি সৌসিদিনা আফগানিস্তানত ধ্বংস হোৱা বুদ্ধমূৰ্ত্তিলৈকে,এই সকলোতে ধৰ্মীয় উন্মাদনাৰ স্বাক্ষৰ-'মানৱ ধৰ্ম' ৰ মূল্য হেৰুৱাল বাবে আজি' ধৰ্মযুদ্ধ'-ৰ আগজাননী। নিস্তাৰ পোৱাৰ উপায়ে বা ক'ত !

**সাংস্কৃতিক প্ৰেক্ষাপটঃ**

সংস্কৃতিৰ নামত সৰ্বত্ৰতে অপসংস্কৃতিৰ জোৱাৰ। অন্ধ অনুকৰণে বিভৎসময় কৰি তুলিছে আমাৰ স্বকীয় সংস্কৃতিৰ মৰ্যাদা। ৰীতি-নীতি সকলোতে আধুনিকতাৰ পয়োভৰ। পৰিৱৰ্তনৰ নামত নগ্ন পৰিৱৰ্তন অশুভনীয়। নিজস্বতা নেহেৰুৱাকৈ পূৰণীকলীয়া ধ্যান-ধাৰণা, বিচাৰ বিবেচনা, চিন্তাধাৰা আদি সলনি হোৱাটো একো অশুভ লক্ষণ নহয়, পিছে তাৰ নামত আমাৰ সংস্কৃতিৰ বিশাল পথাৰৰ যি অপসংস্কৃতি গঢ়ি উঠিছে সেয়া দেশ-জাতি উভয়েৰে বাবে বিৰাট প্ৰত্যাহ্বান হৈ পৰিছে (উদাহৰণস্বৰূপে অসমীয়াৰ বাপটিসাহোন স্বৰূপ বিহুয়ে স্বকীয় মৰ্য্যদা হেৰুৱাইছে;বিহুমঞ্চত 'বিহুকে অৱহেলা কৰি পশ্চিমীয়ানগ্ন সংস্কৃতিক গুৰুত্ব দিছে আদি)। এনেকুৱা হৈ থাকিলে ক ত ৰ'ব অসমীয়া সংস্কৃতিৰ ঐতিহ্য,

পৰম্পৰা ! (পাবত গজা নাটক-ছবিৰ কথা নক'লোৱেইবা !)

**সাহিত্যঃ**

'সাহিত্য'ও সংস্কৃতিৰ দৰে এটা জাতিৰ, এখন দেশৰ 'দাপোণস্বৰূপ'-এক উৎকৃষ্ঠ সমল । যুগ-যুগান্তৰৰে পৰা সাহিত্যৰ স'তে মানুহৰ এক নিবিড় ওতঃপ্ৰোত সম্বন্ধ চলি আহিছে। কিন্তু সময়ৰ কোলাত আজি সাহিত্যকো অপসাহিত্যই স্পৰ্শ কৰিছে। সাহিত্যৰ নামত সুস্থিৰ চিন্তাচৰ্চাৰ পৰিৱৰ্ত্তে সস্তীয়া, অশ্লীল যৌনগন্ধী ভাষাৰে পৰিপুষ্ঠ উপন্যাস, গল্প, কবিতা আদি বৃদ্ধি পাইছে। অসমৰ বহু কেইখন আলোচনীয়ে (গৰিষ্ঠসংখ্যক নতুনকৈ প্ৰকাশিত)এনে কাৰ্য্য বাধাহীনভাৱে কৰি আছে। এনে সাহিত্যৰ প্ৰতি বিশষকৈ উঠি অহা চামৰ আগ্ৰহ বাঢ়িছে। মননশীল, গঠনমুলক, দৰ্শন তাত্বিক চিন্তাধাৰাৰে সমৃদ্ধ সাহিত্য আজি এই চাম কিশোৰ-কিশোৰী, যুৱক-যুৱতীৰ বাবে 'আমনিদায়ক (ব'ৰিং) বিষয় হৈ পৰিছে। এই অশুভ লক্ষণে আমাৰ গৌৰৱময় সাহিত্যক কুঠাৰঘাত কৰাৰ লগতে জাতীয় জীৱনলৈও বিপৰ্য্যয় মাতি আনিছে। অথচ্ সকলো নিমাত !

**ঃশৈক্ষিক বাতাবৰণঃ**

এয়া এক নিঃসন্দেহে জটিল বিষয়। সমসাময়িক দিশ বিলাকৰ দৰে শৈক্ষিক ক্ষেত্ৰতো দুৰ্নীতি শিপাই গজালি মেলিলে । শিক্ষানীতিবো আমূল পৰিবৰ্ত্তন (?) ঘটিছে। শিক্ষক নিযুক্তিৰ পৰা আৰম্ভ কৰি টকা লৈ পৰীক্ষাৰ ফলাফল দিয়ালৈকেঃ এই সৰ্বত্ৰতে কলুষিত ৰাজনীতিত জড়িত থকাসকলৰ বিবেচনাক অগ্ৰাধিকাৰ দিয়া হ'ল। স্বজন প্ৰীতিক সাঙুৰি লোৱা হ'ল। যোগ্য -মেধাৱী বিচাৰ কৰাৰ প্ৰয়োজনবোধ নোহোৱা হ'ল শিক্ষাৰ জগতত দুনীৰ্তিৰ শিপাডাল ইমান বেছি দ'কৈ সোমাই পৰিলেযে দুনীৰ্তিত লিপ্ত থকা লোকসকলৰ কথা পোহৰলৈ অহাৰ পাছতো সেইসকলক ৰক্ষনাবেক্ষণ দিয়াহে হ'ল। ইয়াক নিৰ্মূল কৰাৰ উপায়ে বা ক'ত ! কোনে বিচাৰ কৰিব !

**ঃসামৰণিঃ**

আভিযোগ-প্ৰতিঅভিযোগ, হিংসা-কপটতা, হত্যা- অপহৰণ, দুৰ্নীতি-অনীতিৰ দ্বাৰা কেতিয়াওঁ কোনো সমস্যা সমাধান হোৱা নাছিল আৰু কোনোদিন নহয়। সেইবাবে সকলোৱে চেতনা পাবৰ সময় হ'ল। এনে সংকটময় পৰিস্থিতিত আমাৰ প্ৰত্যেকৰে মহান দায়িত্ব পালন কৰাৰ সময় সমাগত। অন্যথা সময়ে সৃষ্টি কৰি থাকিব সীমাহীন অশান্তি, জটিলতা-যাৰ আৱৰ্ত্তত অনাগত দিনত আমি নিজেই আকোঁৱালি ল'ব লাগিব আত্মধ্বংসৰ আমাৰ সমাজৰ কাণ্ডাৰীসকল, বুদ্ধিজীৱিসকল , অভিভাৱক সকল, সমন্বিতে সমাজৰ সকলো স্তৰৰ মানুহে সদিচ্ছাৰে নিজ-নিজ কৰ্ত্তব্যও পালন কৰিবলৈ আগবাঢ়ি আহিব লাগিব। প্ৰতিটো সমস্যাৰ সন্মুখীন হ'ব পৰাকৈ সাহসী, স্পষ্টবাদী, যুক্তিবাদী, ন্যায়পৰায়ণ আৰু সৎ মানুহবোৰে বিপথে পৰিচালিত যুৱ সমাজক অপমৃত্যুৰ গ্ৰাহৰপৰা ৰক্ষা কৰিবলৈ দৃঢ়সংকল্প লোৱাৰ সময় আহি পৰিছে। লগতে, সামাজিক, অৰ্থনৈতিক ,ৰাজনৈতিক, ধৰ্মীয়, সাহিত্য-সংস্কৃতিঃ সকলো দিশতে আমূল পৰিবৰ্ত্তন আনি অস্থিৰ অস্তিত্ববোৰক সুস্থিৰ ৰূপ দিয়াটো পৰম কৰ্ত্তব্য হোৱা উচিত। শিক্ষাৰ স'তে জড়িত দুৰ্নীতিগ্ৰস্ত বিষয়া, কৰ্মচাৰীক উপযুক্ত শাস্তি দিবৰ বাবে জনমত গঠন কৰি তাক বাস্তবায়িত কৰিব লাগিব। বন্ধ, আন্দোলন, ধৰ্ণা, অনশন, পথবন্ধ আদিবোৰ গঠনমূলক প্ৰক্ৰিয়া নহয় সমস্যা সমাধানৰ ক্ষেত্ৰত -সেয়ে বিষয়বস্তক গভীৰভৱে অনুধাৱণ কৰি কিছুমান কৰ্মপদ্ধতিৰে সেইবোৰক সমাধান কৰাটোহে শ্ৰেয় হ'ব।

''বৰ্ত্তমান সুন্দৰ হ'লেহে ভৱিষ্যত সুন্দৰ হ'ব বুলি আশাবাদী হ'ব পাৰি। বৰ্ত্তমানক আমাৰ অগ্ৰজ সকলে আমাৰ বাবে সততাৰ পোচাকেৰে সজাই দিলেহে অদূৰ ভৱিষ্যতলৈ আমিও আমাৰ অনাগত প্ৰজন্মৰ বাবে'সততাৰ শুভ্ৰ পোচাক ' মেৰামতি কৰি থবলৈ প্ৰেৰণা পাম। '' এই আশা আৰু কামনাৰে মোৰ ক'বলগাখিনি সামৰিছোঁ।

# "সম্পাদকৰ আন্তৰিক কৃতজ্ঞতা স্বীকাৰ"

✳ যি সকল কানৈয়ানে তেওঁলোকৰ বহুমূলীয়া ভোটটিৰ জৰিয়তে এই অভাজনক আলোচনী খনৰ সম্পাদক হিচাপে নিৰ্বাচন কৰি যি গুৰু দায়িত্ব অৰ্পন কৰিলে, তেওঁলোকক প্ৰথমেই মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

✳ যি গৰাকী শিক্ষাগুৰুৰ সহায় আৰু সময়পোযোগী উপদেশৰ বাবে এই আলোচনীখনে প্ৰকাশৰ মুখ দেখিলে তেওঁ শ্ৰীযুত ভৰেন বৰুৱা চাৰলৈ মোৰ শত-শত কৃতজ্ঞতা যাচিলো ।

✳ প্ৰতিতযশা কবি শ্ৰীযুত 'হীৰেন ভট্টাচাৰ্য্য' দেৱে 'কানৈয়ানৰ'বাবে তেখেতৰ মূল্যবান সময় নষ্ট কৰি আগবঢ়োৱা সাক্ষাৎকাৰটিৰ বাবে এই সম্পাদক কৃতজ্ঞ হৈ ৰ'ব ।

✳ মোৰ কাৰ্য্যকালত বিভিন্ন সময়ত মূল্যবান উপদেশৰ সহযোগ আগবঢ়োৱা শ্ৰদ্ধাৰ অগ্ৰজ প্ৰতীম-যতীন দা, প্ৰচ্যুত দা, বিশ্বজিৎ দা, জিতেন দা, কিৰন দা, অভিজিৎ দা, ডলী বা, জুৰি বা, জিমি বা, ৰিপা বা, বণালী বা, কান্তা বা, ভানু বা আৰু পাৰুল বা লৈ ও মোৰ কৃতজ্ঞতা থাকিল।

✳ আলোচনীখনৰ প্ৰৱন্ধ সংগ্ৰহৰ পৰা আৰম্ভ কৰি প্ৰেছৰ কাম কাগজ ধৰি প্ৰকাশৰ মুখ দেখালৈকে মোৰ গাৰ ছাঁৰ দৰে লাগি থাকি সকলো সময়তে সহায় সহযোগ আগবঢ়োৱা ভাস্কৰ কোঁচ, আৰু বুবু বৰা লৈ মোৰ কৃতজ্ঞতা থাকিল ।

✳ তদুপৰি সম্পাদক এইসকল বন্ধু-বান্ধৱী আৰু ভাইটি ভন্টিৰ ওচৰতো তেওঁলোকৰ উৎসাহ-উদ্দীপনাৰ বাবে চিৰকৃতজ্ঞ হৈ ৰ'ব-নিলুৎপল, চন্দন, মৃদুল, দিপাংকৰ, ৰন্টু, মিন্টু, ভাস্কৰ, শিৱ, ৰোমিঅ, প্ৰিয়ছেং, ধৰ্মজ্যোতি নিপন, মিত্ৰ, ভবেশ, নিতুল, সমিৰণ, ত্ৰিদিপ, ধ্ৰুৱ, বিনোদ, হেমিচুল, বুবু, দেৱ, নৰ, বিজুলি, ভবেন্দ্ৰ, গোপী, মৃনাল, কল্যাণ, বিকাশ, ৰূপম, গনেশ, বিজন, উদয়ন, কিশোৰ, হৰি, ৰাজীৱ, পবিত্ৰ, চিতা, অপু, বাবুল, ভাইঁ, লুলু, মানস, অলক, চেমিম, ৰীতা, কৰবি, অদিতি, ৰেখা, শ্বাবানা, যোগীতা, বিজয়া, সত্যশিখা, সাগৰীকা, ৰুনালক্ষ্মী, ...

ভাইটি-ভন্টি:- সিদ্ধাৰ্থ, তপন, নিহাৰ, বংকিম, প্ৰিতম, ডিউক, ৰাজীৱ, হেমন্ত, সঞ্জীৱ, তনু, অংশুমান, চিমি, নিৰমিতা সংঘমিত্ৰা, বৰ্ষা, মনালী, চাবীনা, স্নিগ্ধা, নিলুমনি, ভানু, পূৰবী, আৰু বহুতো ।

✳ যি সকল ব্যৱসায়ীক, প্ৰতিষ্ঠানে তেওঁলোকৰ বিজ্ঞাপনৰ জড়িয়তে আলোচনীখন প্ৰকাশত আৰ্থিকভাৱে সহায় আগবঢ়ালে তাৰবাবে তেওঁলোকৰ ওচৰতো এই সম্পাদক কৃতজ্ঞ হৈ ৰ'ব ।

সদৌশেষত অনিচ্ছাকৃত ভাৱে নাম বাদ পৰি যোৱা কিন্তু মোক নানান ক্ষেত্ৰত সহায় সহযোগ আগবঢ়োৱা সতীৰ্থ সকলৈলে ক্ষমা প্ৰাৰ্থনাৰে -------------

সম্পাদক

# অতিথি চৰা



# ২০০০ চনৰ " অসম উপত্যকা সাহিত্য বঁটা" বিজয়ী কবি হীৰেন ভট্টাচাৰ্য্যৰ সৈতে অন্তৰঙ্গ আলাপ "

'স্নেহতীৰ্থ' - গুৱাহাটীৰ আৰ.জি.বৰুৱা পথৰ চিত্ৰবন পথৰ গাতে লাগি থকা এখনি প্ৰসিদ্ধ চিনাকী ঘৰ। মহানগৰীৰ যান্ত্ৰিকময় জীৱনৰ কোলাহলে, আধুনিকতাই স্পৰ্শ কৰিব নোৱাৰা কবিময় সুবাসেৰে সমৃদ্ধ এখনি ঘৰ। ' স্নেহতীৰ্থ' লৈ ইয়াৰ আগতে দুবাৰ গৈও বিফল মনোৰথে উভটি আহিব ল'গা হৈছিল - আমাৰ নমস্য ব্যক্তিজনক লগ পোৱাটো সম্ভৱ হৈ উঠা নাছিল।

১৮ মে ' - শুক্ৰবাৰ, ৰাতিপুৱাতে লেলিহান শিখা মেলি সূৰুযটো আহি দিনৰ আকাশত থিতাপি লৈছিল। আমিও ( বান্ধৱী সীমাৰ সতে) কানৈয়ানৰ আলোচনীৰ সম্পাদক দিয়া দায়িত্ব পালনৰ বাবে সূৰুযে সাৰ পোৱাৰ অলপ পাছতে 'স্নেহতীৰ্থ' লৈ বুলি বাট পোনাই গন্তব্যস্থান পালোঁগৈ। কলিংবেল বজাই দিয়াত ভিতৰৰপৰা জনপ্ৰিয় কবিজনৰ পত্নীয়ে ওলায় আহি আমাক সম্ভাষণ জনায় ভিতৰত বহিবলৈ দিলে। 'ড্ৰয়িং ৰোমৰ' - নিবিড় পৰিবেশত কবিতাৰ শব্দবোৰে মৌনতাৰে দোলা দি থাকিল । অলপ সময়ৰ পাছতে নিহৰংকাৰী কবিজনায় মুখত এমোকোৰা হাঁহি লৈ ওলায় আহি আমাৰ স'তে বহি ল'লে। বুকুখন দুৰু-দুৰু কৈ কঁপিছিল- কিয়েইবা সুধো কবিজনাক। অৱশ্যে আমাৰ সকলো আভ্যন্তৰীণ আশাংকাক, ভাৱনাক দূৰ কৰি তেওঁয়ে পৰিবেশটো সহজ কৰি তুলিলে।

কৈশোৰ- যৌৱন অৱস্থাৰ পৰাই 'কবিতাৰ' প্ৰেমত পৰি কবিতা লিখিবলৈ লোৱা কবিজনাই হাঁহি-হাঁহিয়েই আৰম্ভ কৰিলে তেওঁৰ কবিময় জীৱনৰ আৰম্ভনিৰ কথা । আত্মাৰ দাবীতে তেওঁ হাতত কলম তুলি ল'লে আৰু সৃষ্টি কৰিব ধৰিলে কবিতা। 'নিমন্ত্ৰণ' - তেওঁৰ জীৱনৰ প্ৰথম কবিতা বুলি স্বীকৃতি দিয়ে। কবিতাটো হ'ল

" উজাগৰ ৰাতি  
সপোন দেখিছো মই  
ফুল-আলসুৱা তোমাৰ মুখৰ  
শইচ-সোনালী হাঁহি।  
অযুত তৰাৰ ঘুমটি ভাঙি  
যেন সূৰ্য্য আহিছে নামি ।"

(ৰচনাকাল : ১৯৫৬ চন )

চৌপাশৰ পৰিবেশৰ দ্বাৰা অনুপ্ৰাণিত হৈ কবিতা লিখা কবিজনাই ভালপায় ' মানুহ', 'সামূহিক জীৱন', 'গীত-নাট-ছবি', 'প্ৰকৃতি', 'কৃষিকৰ্মৰ স'তে জড়িত সৰল গ্ৰাম্য পৰিবেশ'। গ্ৰাম্য জীৱনৰ স'তে তেওঁৰ সম্পৰ্ক বেছি নাই যদিও তেওঁৰ সৰহসংখ্যক কবিতাতে গাওঁৰ প্ৰতিচ্ছবি, পৰিবেশ আদিয়ে প্ৰাণ পাই উঠে বুলিও কবিজনাই উল্লেখ কৰে।

সমাজৰ সামগ্ৰিক পৰিৱৰ্ত্তনত সাহিত্যৰ অঙ্গ হিচাপে কবিতাৰো কৰণীয় আছে বুলি ভবা কবি হীৰেন ভট্টাচাৰ্য্যদেৱে কয় যে কবিসকল সমাজৰ অঙ্গ, সেয়ে এওঁলোকৰ কবিতাত সমাজ জীৱনৰ বেহৰূপ প্ৰতিফলিত হ'বই লাগিব। কবিসকলে সমসাময়িক বিষয় -বস্তুৰ আলমতে লিখাৰ প্ৰেৰণা পায়। সমাজে কবিক নিয়ন্ত্ৰণ কৰে আৰু সেয়ে কবিতাৰ লগতে সকলো লেখাই সমসাময়িক চিন্তাধাৰাৰ ওপৰত ৰচিত হয় বৰ্তমানৰ বাবে। ভৱিষ্যতৰ কাৰণে নিলিখে। সাহিত্যৰ প্ৰাচীন অঙ্গ হিচাপে কবিতা সাহিত্য জগতৰ মূল্যৱান সম্পত্তি। এই সম্পত্তিৰ জৰিয়তে সমাজ সচেতনতা বৃদ্ধি কৰাটো কবিসকলৰ পৰম কৰ্ত্তব্য।

কবিতা সৃষ্টিৰ সাধনাকে জীৱনৰ ব্ৰত স্বৰূপে বাছি লোৱা কবিজনাই কবিতা লিখে হৃদয়ৰ তাড়নাতে। কবিতা ভালপায় আৰু এই অকৃত্ৰিম ভালপোৱা বোধে তেওঁক কবিতা সৃষ্টি কৰাত অনুপ্ৰানিত কৰিছে বুলি উল্লেখ কৰে।

সাংস্কৃতিক অৱক্ষয় বা অপসংস্কৃতিৰ গ্ৰাসে অসমীয়া সাহিত্য-সংস্কৃতিৰ জগতত ভাবুকি বা প্ৰত্যাহবান সৃষ্টি কৰাত এই জনা মহান কবিও উদ্বিগ্ন ।এই অৱস্থাৰ বাবে কোন দায়ী, এই কথা প্ৰত্যক্ষভাৱে ব্যক্ত নকৰি শান্তিপ্ৰিয় কবিজনাই মাথো কয় যে উপযুক্ত শিক্ষাৰ অবিহনে সাহিত্য-সংস্কৃতিৰ চৰ্চা সম্ভৱ নহয় । বেয়া শিক্ষা থকাতকৈ শিক্ষা নথকাই ভাল বুলি উল্লেখ কৰি লগতে কবিজনাই দুখেৰে ব্যক্ত কৰে যে সময়ৰ লগে-লগে এদিন শিক্ষিত মানুহৰ মুখৰ পৰা আমাৰ অসমীয়া ভাষা হেৰাই যাব। অসমীয়া ভাষা দুৰ্লভ হৈ উঠিব । সমগ্ৰ ভাৰতবৰ্ষৰ ভিতৰতে অসমতহে এনে অৱস্থা চলি আছে বুলিও তেখেতে দোহাৰে।

কবিতা লিখিলেই এজন ব্যক্তি কবি হ'ব পাৰেনে বুলি সুধা

এটা প্ৰশ্নৰ উত্তৰত কবি হীৰেন ভট্টাচাৰ্য্যদেৱে কয় যে সাহিত্য চৰ্চা মানুহৰ জীৱনৰ এটা অঙ্গ ,জীৱনসৰ্বস্ব নহয়। এই কথা অনুধাৱন কৰিব নোৱাৰাত বৰ্ত্তমান সময়ত অ-কবিৰ সংখ্যা ক্ৰমাগতভাৱে বাঢ়িছে আৰু অশ্লীল তৰল কবিতাই জন্ম লৈছে। কবিতা সৃষ্টি কৰাটো সহজ নহয় বা কবিতা লিখিলেই কবি নহয় যদিহে তাত সমসাময়িক চিন্তাচৰ্চাই প্ৰাধান্য নাপায়। বিষয়বস্তুবোৰত বুৰঞ্জী, বিজ্ঞান, দৰ্শন সকলো দিশেই সাঙুৰ খাব লাগিব। সেয়ে এনে ভয়াবহ পৰিবেশত অকবিৰ হাতৰ পৰা কবিক ৰক্ষা কৰিব পাৰি কেৱল পাঠকেহে। পাঠক গঢ়াত যিদৰে লেখকৰ দায়িত্ব আছে, লিখক গঢ়াত পাঠকসকলৰ তাতকৈ বেছি দায়িত্ব আছে। সকলো বস্তুৰে ভাল-বেয়াটো নিৰ্ভৰ কৰে মানুহে বস্তুটো কিদৰে গ্ৰহন কৰিছে বা নাই কৰা তাৰ ওপৰত। সেয়ে পাঠকেই কবিসকলৰ (লেখকসকলোৰো) ৰক্ষাৰ কৱচ হ'ব লাগিব বুলিও কবিজনাই মত প্ৰকাশ কৰে।

পাঠক গঢ়াতো লেখক গঢ়াতকৈও দুৰূহ কাম বুলি উল্লেখ কৰি 'অসম উপত্যকা সাহিত্য বটা' বিজয়ী কবিজনাই কয় যে লিখনীবোৰ সমাজৰ সম্পত্তি। লিখাৰ অধিকাৰ সকলোৰে আছে। কিন্তু বেয়া লিখি সমাজক বিনষ্ট কৰাৰ কাৰো নৈতিক অধিকাৰ নাই। সাহিত্যৰ জগতত লেখকসকলেই বা কবিসকলেই সৰ্বেসৰ্বা কেতিয়াও নহয়। লগতে 'সচেতনতাই' (Conciouness) সকলো সমস্যাৰ সমাধানৰ উপায় বুলিও তেওঁ উল্লেখ কৰে।

বিতৰ্কিত বিষয়বোৰৰ ওপৰত মতামত দিব নিবিচৰা কবিজনেই বৰ্ত্তমান সময়ত মানুহে কবিতা পঢ়া-নপঢ়া কথাটো মুকলিকৈ ব্যক্ত নকৰিলে। অতিতৰে পৰাই কবিতা পঢ়া পাঠকৰ সংখ্যা কম যদিও ভাল বা উন্নতমানদণ্ডৰ কবিতা হলে মানুহে পঢ়ি নিশ্চয় ভাল পাব। কিন্তু এতিয়া বহুতে সমকালীন বিষয়বস্তুৰ ওপৰত একো লিখিব নোৱাৰি কবিতা লিখিব ধৰিছে বুলিও তেওঁ কয়। তেনে কবিতাৰ অপৰিপক্ক চিন্তা চৰ্চাৰ সৃষ্টি হোৱাত সাধাৰণ পাঠকে তাক বৰ্জন কৰাটো একো বেয়া লক্ষণ নহয়। তাৰ উদাহৰণ দি তেওঁ কয় এতিয়া যিমানে কবি-কবিতাৰ সংখ্যা বাঢ়িছে তাৰ তুলনাত এখন ভাল কবিতাপুথিৰো অভাৱ পৰিলক্ষিত হৈছে।

আধুনিক কবিতাৰ 'দুৰ্বোধ্যতা' ক স্বীকাৰ কৰি কবিজনাই কয় যে এই দুৰ্বোধ্যতাই আধুনিক কবিতাৰ ৰসপান কৰাত প্ৰতিবন্ধক হৈছে। ইয়াৰ বাবে কবি আৰু পাঠক সমানে সচেতন হ'ব লাগিব। 'উপযুক্ত শিক্ষা' ৰ জৰিয়তেহে এই সমস্যা সমাধান হ'ব কাৰণ ব্যৱহৃত বিষয় বস্তু আৰু আঙ্গিকৰ আচহুৱা প্ৰকাশক পাঠকে সমালোচনা কৰিব পাৰিব। তেতিয়াহে কবিসকল সজাগ হ'ব।

সাম্প্ৰতিক কালৰ ৰাজনৈতিক আৰু শৈক্ষিক জগতৰ কলুষিত জ্বলন্ত সমস্যাবোৰৰ ওপৰত মতামত দিবলৈ ইচ্ছা প্ৰকাশ নকৰি কবিজনাই চিন্তাক্লিষ্ট হৈ মৌনতাহে অৱলম্বন কৰিলে আমাৰ প্ৰশ্নত।

২০০০ চনৰ ডিচেম্বৰ মাহত কবি হীৰেন ভট্টাচাৰ্য্য দেৱৰ এখন কবিতাপুথি " ভালপোৱাৰ দিকচৌ বাটেৰে " প্ৰকাশিত হয়। সদ্যহতে একো পৰিকল্পনা নথকা কবিজনাই ২০০০ চনৰ মেগৰ শিক্ষা ন্যাসৰ দ্বাৰা আগবঢ়োৱা 'অসম উপত্যকা সাহিত্য বঁটা' প্ৰাপ্তি সম্পৰ্কে উল্লেখ কৰি কয় যে বঁটা প্ৰাপ্তিও এডাল স্নেহওপচা ফুলৰ মালাৰ দৰেই - মধুৰ। দিওঁতাৰ আনন্দ আছে, লওঁতাৰো আনন্দ আছে।

সময়ৰ প্ৰভাৱেই কবিৰ জীৱনৰ মাপকাঠি। সহজ - সৰল জীৱন যাপন কৰি ভালপোৱা কবিজনাৰ স'তে এনেকৈয়ে কথা পাতিঁলো - বিশেষকৈ কবিতাৰ ওপৰত। সময়ে অন্য কৰ্ত্তব্যৰ তাগিদাক মনত পেলাই দিলে। সাম্প্ৰতিক ক্ষণৰ এই মহান কবিজনাৰ আশীৰ্বাদ লৈ 'স্নেহতীৰ্থ' ৰ কবিময় শীতল পৰিৱেশৰ পৰা ওলাই পুনৰ কোলাহলময় পৰিৱেশত ভৰি দিলোঁহি।

'দীৰ্ঘজীৱি হওঁক এই মহান- নিৰহংকাৰী কবি আৰু তেওঁৰ কবিতা। এয়ে আমাৰ আন্তৰিক কামনা।

সংগীতা ৰাণী কলিতা
গুৱাহাটী

বিঃদ্ৰঃ কাঁনৈ কলেজৰ আলোচনী খনৰ বিশেষ অতিথি " ২০০০ চনৰ অসম সাহিত্য উপত্যকা বঁটা" বিজয়ী কবি হীৰেণ ভট্টাচাৰ্য্য দেৱৰ সাক্ষাৎকাৰ লবলৈ গুৱাহাটীলৈ যোৱাৰ সময়ত কবিজনাৰ ভাতৃ বিয়োগ ঘটে গতিকে তেখেতক লগ কৰাতো সম্ভৱ হৈ নুঠিল। সেয়েহে বিকল্প হিচাপে এই দায়িত্ব মোৰ বাইদেউ (সংগীতা) অপৰ্ণ কৰিলো। তেওঁৰে এই দায়িত্ব আমাৰ আলোচনীৰ বাবে পালন কৰাত আমি কৃতজ্ঞ।

আলোচনী সম্পাদক

# মেগৰ শিক্ষা ন্যাসৰ ২০০০ চনৰ
# 'অসম উপত্যকা সাহিত্য বটাঁ' গ্ৰহন উপলক্ষে
# হীৰেণ ভট্টাচাৰ্য ভাষণ

কোনোবা নিজানত বহি মোৰ হেঁপাহ পলুৱাই কান্দিবৰ মন গৈছে
জীয়াজুৰিৰ ফট্‌ফটীয়া নিজান পানীয়ে ধুৱাই দিবহি মোৰ শুকান দুচকু
শিল হৈ যোৱা জলকা-বুকুত গজিব
ভালপোৱা একোজোপা গোলাপ
পাহে পাহে গান আৰু তেজৰ কোৰ্হাল............

মেগৰ শিক্ষা ন্যাসে 'অসম উপত্যকা সাহিত্য বটাঁ ২০০০' উপলক্ষে আয়োজন কৰা আজিৰ এই সভাৰ পৰম শ্ৰদ্ধাভাজন ড°ৰঘুবীৰ চৌধুৰী প্ৰমুখ্যে আন আন বিশিষ্ট অতিথিসকল আৰু উপস্থিত সুধীজন,জয়জয়তে এই কবিতাকণেৰেই মই আপোনালোকক আটাইলেকে মোৰ আন্তৰিক ওলগ যাচিলোঁ।

মেগৰ শিক্ষা ন্যাস প্ৰদত্ত 'অসম উপত্যকা সাহিত্য বঁটা' ইতিপূৰ্বে আমাৰ যি কেইগৰাকী যশস্বী সাহিত্যিকে গ্ৰহন কৰি এই বঁটাৰ জেউতি চৰাইছে, তাৰে দুগৰাকী আৰু আমাৰ মাজত নাই। প্ৰয়াত যোগেশ দাস আৰু চৈয়দ আব্দুল মালিক - এই দুই সাহিত্য-প্ৰতিভাৰ প্ৰতি মই মোৰ আন্তৰিক শ্ৰদ্ধা জনালোঁ। আজি মেগৰ শিক্ষা ন্যাসে দিয়া এই বঁটাৰ বাবে মই ন্যাসৰ বক্ষী সকলৰ আৰু এই বটাঁৰ লগত জড়িত সকলোকে মোৰ ধন্যবাদ জনাইছোঁ। এই বঁটাৰ বাবে মই যি আনন্দ পাব লাগিছিল সেই আনন্দ দেশৰ বৰ্তমান অৱস্থাই মোলান কৰি পেলাইছে। যোৱা কুৰি বছৰে অসমত হোৱা সন্ত্ৰাস,হিংসা আৰু অসহিষ্ণুতাই আমাৰ মন ইমান গধুৰ কৰি তুলিছে যে কোনো আনন্দই তাক পাতলাব নোৱাৰে।

পাঠকেই হৈছে সাহিত্যৰ একমাত্ৰ পুৰস্কাৰ। সাহিত্যৰ আন সকলো পুৰস্কাৰেই অলংকাৰ। অলংকাৰৰো আনুষ্ঠানিক মূল্য আছে। এজন প্ৰতিভাবান সাহিত্যিকৰ সাহিত্যকৃতিৰ প্ৰতি কোনো অনুষ্ঠানে জনোৱা আন্তৰিক স্বীকৃতিৰ মূল্যও নিচেই কম নহয়।
প্ৰকৃততে পুৰস্কাৰ হৈছে একো একোজোন সাহিত্যকৰ সৃজনশীল পৰিশ্ৰমৰ ফলশ্ৰুতি। কবিতা কবিৰ পুৰুষকাৰ
মই জীৱনত কেতিয়াও কবি হোৱাৰ কথা ভবা নাছিলো। আৰু আজিও ভবা নাই।

যদিও মই আজি প্ৰায় আঢ়েকুৰি বছৰে এটা দুটা কৰি কবিতাকে লেখি আছো। তথাপি কবি বুলি নিজকে কোৱাৰ সাহ গোটাব পৰা নাই।

কবিতা হৈছে মানৰ সত্য স্পৰ্শ কৰাৰ আত্মানুসন্ধান। মই সাধাৰন কবি মাত্ৰ। জীৱনে মোক আকৰ্ষণ কৰে চাৰিওফালৰপৰা। জীৱনে মোক প্ৰভাৱিত কৰিছে নানা ধৰণে নানা প্ৰকাৰে৷ চিনাকি জীৱনৰ অচিনাকি পোহৰে বাবে বাবে মোৰ মনৰ মজিয়াত ছাঁ পেলাইছে কোমলে কঠিনে নানা ধৰণে। হোৱা-নোহোৱাৰ মাজৰেই মানুহৰ জীৱন । কবিতাই মোক দুখ আৰু আনন্দ দুয়োটাই দিছে। কবিতা মোৰ জীৱন আৰু জীৱিকা।

সকলো কবিয়েই নিজকে উজাৰি দিয়ে নিজৰ ৰচনাৰ মাজেৰে৷ কবিতাৰ বাহিৰে কবিৰ আন চিনাকি নাই। কবিৰ জীৱনপঞ্জী পাঠকৰ বাবে অৰ্থহীন।কবিতা স্বতঃস্ফূৰ্তঃ নহয়। কবিতা নিৰ্মান কৰিব লাগে। এই নিৰ্মানৰ আঁৰত হয়তো আছে এক ধৰণৰ সংৰচিত স্বতঃস্ফূৰ্তত (Cultivated spontaneity ) কবিতা যিহেতু নিৰ্মান কৰা হয়- ইয়াৰ নিশ্চয় নিৰ্মান কলা কৌশলো আছে। এই নিৰ্মান শৈলী ময়দানবোৰ। নিজৰ নিৰ্মান নিজেই গ্ৰাস কৰে।

একোৱেই একে ঠাইতে নেথাকে। সকলো সলনি হয় । এই সলনি হোৱাটোৱেই হৈছে শিল্পৰ সৃজনশীল স্বভাৱ। আধুনিক জীৱন যাত্ৰাৰ উপলব্ধি, আনন্দ, দুখ, সংঘাত আৰু ক্ষোভ প্ৰকাশ কৰিবলৈ যাওঁতেই আধুনিক কবিতাৰ জন্ম। অভিজ্ঞতাৰ নতুন প্ৰকাৰেই হৈছে নতুন কবিৰ কবিতা। প্ৰতিমাৰ পৰা বাক্ প্ৰতিমালৈ, চিত্ৰৰ পৰা চিত্ৰকৰলৈ যোৱাটোৱেই হৈছে কবিয়ে বিচৰা বাট। এই বাটেই হৈছে কবিতাৰ আঙ্গিক। এটা সাৰ্থক কবিতাৰ যাত্ৰা মোৰ পৰা আমিলৈ, খণ্ডৰ পৰা অখণ্ডলৈ। সকলো কবিতাই মানুহৰ শুভবোধৰ উদ্বোধন।

কবিতা কবিৰ আত্মানুসন্ধানৰ জটিল-দীঘল বাট। সৃষ্টি শীল সকলো শিল্পই কিবা নহয় কিবা একেধৰণে আধুনিক।
দ্ৰুতভাৱে সলনি হৈছে আমাৰ কালৰ ভূগোল। বালিৰ বান্ধৰ দৰে ভাগি পৰিছে পুৰণিৰ সীমা। প্ৰতি মুহূৰ্ত্ততে সলনি হৈছে মানুহৰ জীৱন। নতুন গঢ়েৰে, নতুন স্বভাবেৰে গঢ় লৈ উঠিছে নতুন সাহিত্য । নতুন শিল্প ।

এটা জাতিৰ আটাইতকৈ মূল্যবান শস্য সম্ভাৰ হৈছে ভাষা। ভাষা সম্পদত ভাৰতবৰ্ষ পৃথিৱীৰ ভিতৰতে এখন চহকী দেশ । ভাৰতৰ

বিভিন্ন প্ৰান্তৰৰ বিভিন্ন ভাষা- সংস্কৃতিৰ পৰিমণ্ডলত গঢ় লৈ উঠিছে ভাৰতীয় মন; আমাৰ সংস্কৃতিৰ গৌৰবময় ঐতিহ্য। চিৰ চেনেহী আমাৰ এই ভাষা সমাজৰ সৃষ্টি এজন কবিয়ে সমাজৰ পৰা গ্ৰহন কৰে তেওঁৰ কবিতাৰ ভাষা। এই খিনিতে এজন হিন্দী কবিৰ এশাৰী কবিতা মনলৈ আহিছে 'সাৰা লোহা উন লোগোঁকা, অপনি কেৱল ধাৰ'(অৰুণ কমল) গোটেই লো-খিনি তেওঁলোকৰ, চোককণ মোৰ। ভাষাক শান দিয়াটোও কবিৰ কাম। অসমীয়া মোৰ প্ৰিয়ভাষা,মোৰ প্ৰিয় বৰ্ণমালা।

প্ৰত্যেক ভাষাৰ এটা বিশিষ্ট চৰিত্ৰ আছে। আমাৰ ভাষাৰ শব্দ আৰু ধ্বনি একে গোষ্ঠীৰ ভাষাৰ পৰাও সুকীয়া। সকলো ভাষাৰে এনে কিছুমান শব্দ আছে যাৰ অৰ্থ আৰু আয়তন কবিতাক নতুন মাত্ৰা উপহাৰ দিয়ে। আজিৰ ভাৰতীয় কবিতা ইউৰোপীয় মূল ধাৰাৰ কবিতাৰ পৰা ক্ৰমে আঁতৰি আহিছে। যোৱা তিনিটা দশকত ভাৰতীয় কবিতাৰ কবি সকলৰ পূব ইউৰোপ,আফ্ৰিকা, দক্ষিণ আমেৰিকাৰ কবিতাৰ সতে চা-চিনাকিয়েই নহয়,নেৰুদা,লোৰকা,আখমাতোভা আদি কবিসকলৰ নিচেই আপোন হৈ পৰিছে। এজন দায়বদ্ধ কবি কেতিয়াও স্বয়ম্ভু বা নিৰ্বিকল্প হ'বনোৱাৰো। তেওঁৰ আৰ্জিত বোধ সমাজ চেতনাৰ সতে সংযুক্ত। মানুহৰ জীৱন স্থানিক কিন্তু জীৱনবোধ মহাজাগতিক । পৃথিৱীৰ বিভিন্ন প্ৰান্তৰৰ বিভিন্ন কবি শিল্পীৰ কন্ঠত আবহমান কালৰ পৰা আহিছে মহাজগতৰ মহামিলনৰ জয়গান। সকলো সৃষ্টিৰেই উৎস হৈছে লোক-জীৱন । লোক-জীৱনৰ অভিজ্ঞতাই কবিতাক প্ৰাণবন্ত কৰে। ঐতিহ্য আমাৰ কেৱল অতীতেই নহয়। বৰ্তমানৰো আধাৰ। ঐতিহ্যৰ ৰূপ আৰু ৰূপান্তৰেই হৈছে সাহিত্যৰ জীৱন। আনকি সাম্প্ৰতিক জীৱনৰ জটিলতাও সাধাৰন মানুহৰ জীৱনবোধৰসহজাত ছন্দৰেই আমাৰঐতিহ্যৰ সতে মিলি গৈছে।

প্ৰানপ্ৰচুৰ্যৰে ভৰা লোক-জীৱন আৰু প্ৰকৃতি-পৰমা বহু কবিৰেই কবিতাৰ উৎসভূমি। বহু সৃষ্টিৰ আঁকৰ। মানুহ আৰু নিসৰ্গৰ এই নিজান মিলনৰ ঠাইকণেই হৈছে আমাৰ চিকুণী দেশ অসম। অসমীয়া মোৰ ভাষা । মই ইয়াৰে জীৱন ভালপোৱা সাধাৰন নাগৰিক। কোনো নিগূঢ় সামাজিক কাৰণত আমাৰ সাহিত্জগতআজি বনস্পতিহীন। মহৎ সাহিত্য ইতিহাসে সৃষ্টি কৰে। সমাজ আৰু জীৱন চেতনাৰ অভাৱতেই নষ্ট হয় সাহিত্য। সৎ হোৱাটো সাধনাৰ প্ৰথম পাঠ।

শেহত,আকৌ এটা কবিতাৰেই মোৰ ক'বলগীয়া কথা সামৰিবলৈ লৈছোঁ।

(বাটেৰেই ঢেঁকীয়া আমাক বাটে দিয়া)

গোমাইথকা আকাশখন হঠাৎ বৰকৈ বিজুলীয়াইছে
কপাহগুটীয়া বৰষুণজাক লাহে লাহে ডাঙৰ হৈ আহিছে
মিচিক্ কৰে হাঁহি গছবোৰে বতাহত উৰুৱাই দিছে সেউজিয়া পাত
ব'ল সৰুমাই, আমি গুছি যাওঁ ভালপোৱাৰ দিক্‌টো বাটেৰে
জিলিক মাৰি উঠিছে মোৰ সৌ এৰীপৰলীয়া পথাৰ..........

হীৰেণ ভট্টাচাৰ্য
১৭ মাৰ্চ,২০০১

# প্রবন্ধ বিতান

প্রবন্ধ বিতান
প্রবন্ধ বিতান

# কুৰি শতিকাৰ মহান ব্যক্তি - এলবাৰ্ট আইনষ্টাইন

ড° মিনু বুঢ়াগোঁহাই
প্ৰবক্তা, পদাৰ্থ-বিজ্ঞান বিভাগ

প্ৰত্যেক শতিকাতে একো একোজন মহৎ ব্যক্তিয়ে নিজৰ অসাধাৰণ কৃতিত্বৰে আৰু বিৰল ব্যক্তিত্বৰে বিশ্বত এক আলোড়নৰ সৃষ্টি কৰি থৈ যায়। সেই সকলৰ ভিতৰত যোৱা শতিকাৰ ব্যক্তি বুলিলে এজন ব্যক্তিৰ চেহেৰাই আমাৰ মনত ভুমুকি মাৰে। একোছা মোছ আৰু জপৰা চুলিৰে সাধাৰণ পোচাকৰ সেই ব্যক্তি আৰু কোনো নহয় - তেওঁ হ'ল উচ্চ শাৰীৰ পদাৰ্থবিদ, পৰমাণু আৰু বিশ্ব ব্ৰহ্মাণ্ডৰ ৰহস্য ভেদ কৰোঁতা এলবাৰ্ট আইনষ্টাইন।

টেলিফোনৰ পৰা আৰম্ভ কৰি ইন্টাৰনেটলৈ কিছুমান আবিস্কাৰে আমাৰ জীৱনৰ গতি প্ৰায় সলনি কৰি দিলে, কিন্তু আইনষ্টাইনৰ কামৰ তুলনাত এইবোৰক নগন্যই বুলিব পাৰি। আইনষ্টাইনৰ সূত্ৰই পদাৰ্থ, কাল আৰু স্থানৰ প্ৰতি থকা আমাৰ ধাৰণা চিৰকালৰ বাবেই সলনি কৰি দিলে আৰু বিজ্ঞানী সকলৰ বিশ্বব্ৰহ্মাণ্ডৰ বিষয়ে বিস্তৃত জনাৰ সুযোগ দিলে। উনৈশ শতিকাত গেলিলিউ আৰু ছাৰ আইজাক নিউটনে যি সৰ্বোচ্চ সন্মান লাভ কৰিছিল আইনষ্টাইনেও নিজৰ জীৱন কালতে সেই সন্মান লাভ কৰি গৈছে।

১৮৭৯ চনৰ ১৪ মাৰ্চত জাৰ্মানিৰ উল্ম নামৰ ঠাইত এলবাৰ্ট আইনষ্টাইনৰ জন্ম হৈছিল । ধৰা বন্ধা স্কুলীয়া শিক্ষাই তেওঁক কেতিয়াও আকৰ্ষন কৰিব পৰা নাছিল। বাৰ বছৰ বয়সতে প্ৰচলিত স্কুলীয়া শিক্ষাৰ প্ৰতি তেওঁৰ বিৰাগ জন্মিল। আইনষ্টাইনে বিশ্বৰ ৰহস্য সন্ধানত মনোযোগ দিলে। ১৯০০ চনত জুৰিকৰ বিখ্যাত পলিটেকনিক একাডেমিৰ পৰা পদাৰ্থ বিজ্ঞান আৰু গনিত বিজ্ঞানত স্নাতক ডিগ্ৰী লাভ কৰিলে আৰু তেতিয়াৰে পৰা ছুইজাৰলেণ্ডৰ নাগৰিক হৈ পৰিল। স্নাতক ডিগ্ৰী লাভ কৰি আইনষ্টাইনে যিটো স্থায়ী চাকৰি পালে - সেইটো কিন্তু তেওঁ মনে বিচৰা শিক্ষকৰ পদ নাছিল - সেইটো আছিল ছুইজাৰলেণ্ডৰ চাৰ্নত থকা পেটেণ্ট অফিচৰ এটা সাধাৰণ পৰীক্ষকৰ পদ। ১৯০৩ চনত তেওঁ বান্ধৱী মিলেভা মিৰিকক বিয়া কৰালে। পেটেণ্ট অফিচৰ একঘেয় আৰু আমনিদায়ক কামবোৰৰ মাজতে ১৯০৫ চনত " অনুৰ আকাৰ নতুন সন্ধান" নামৰ থেচিচৰ বাবে জুৰিক বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰে। সেই বছৰেই ২৬ বছৰীয়া আইনষ্টাইনে চাৰিখন অতি গুৰুত্বপূৰ্ণ প্ৰ-পত্ৰ প্ৰকাশ কৰে। ইয়াৰে প্ৰথম খনত ব্ৰাউনীয় গতিৰ আৰু দ্বিতীয় খনত পোহৰৰ কোৱাণ্টাম বা কনাৰ ঘোষনা কৰিলে। তৃতীয় আৰু চতুৰ্থখন প্ৰ-পত্ৰত আপেক্ষিকতাবাদৰ বিশেষ সূত্ৰৰ কথাৰ পৰাই ভৰ আৰু শক্তিৰ সমতূল্যৰ সিদ্ধান্তত তেওঁ উপনীত হৈছিল। তেওঁৰ সেই বিখ্যাত $E=mc^2$ সূত্ৰমতে এক নিৰ্দিষ্ট পৰিমানৰ পদাৰ্থৰ মুঠ শক্তি E হ'ল সেই পদাৰ্থৰ ভৰ m আৰু পোহৰৰ বেগ c ৰ বৰ্গৰ পূৰণফল। তেওঁৰ এই সূত্ৰই দেখুৱালে যে খুব কম পৰিমানৰ ভৰেও যথেষ্ট পৰিমানৰ শক্তিৰ উদ্ভৱ কৰিব পাৰে। এটম বমে সময়ত ইয়াকেই প্ৰমান কৰি দেখুৱালে।

১৯১২ চনত আইনষ্টাইনে জুৰিকৰ পলিটেকনিকত অধ্যাপক পদৰ বাবে নিমন্ত্ৰন পালে। আইনষ্টাইনৰ সপোন যেন বাস্তবত পৰিণত হ'ল। তেওঁ অতি সুখী হ'ল। নিজৰ পত্নী আৰু দুটি পুত্ৰৰ সতে তেওঁ সুখ আৰু শান্তিৰে দিন কটালে। কিন্তু ইয়াৰ দুবছৰৰ পিছতে ১৯১৪ চনত তেওঁৰ জীৱনলৈ দুটা দূৰ্যোগ নামিল - তেওঁৰ পত্নীয়ে বিবাহ বিচ্ছেদ ঘটাই দুই পুত্ৰ সহ বাৰ্লিন ত্যাগ কৰিলে আৰু সেই সময়তে আৰম্ভ হ'ল প্ৰথম মহাসমৰ। ৩৫ বছৰীয়া অইনষ্টাইনৰ সন্মুখত তেতিয়া আছিল এক অকলশৰীয়া দীঘলীয়া আৰু জটিল জীৱন। নিজৰ অধ্যয়নৰ পথৰ পৰা কিন্তু তেওঁ আতৰি অহা নাছিল।

আইনষ্টাইনৰ আগতে পদাৰ্থবিদ সকলে মতপোষন কৰিছিল যে সময় ধ্ৰুৱক আৰু অপৰিবৰ্তনীয়। কিন্তু আইনষ্টাইনে সময়ক আমি জনা তিনিটা দিশ বা মাত্ৰাৰ উপৰিও এক চুতৰ্থ মাত্ৰা বুলিহে দৃঢ় ভাবে প্ৰকাশ কৰিলে। তেওঁৰেই প্ৰথমে আপেক্ষিকতাবাদৰ সমীকৰণত সময়ৰ পৰিচয় ঘটালে। ডাঙৰ ডাঙৰ ৰোমান সংখ্যাৰ পাটেক ফিলিপ (Patek philipee) ঘড়ীতো তেওঁ যেন ঠিকেই সদায় পিন্ধি আছিল। সময়ৰ দৰে দৈৰ্ঘ্য আৰু ভৰৰ বিষয়েও আইনষ্টাইনৰ ধাৰণা আছিল সম্পূৰ্ণ বেলেগ। তেওঁ ঘোষনা কৰিছিল যে গতিবেগৰ ওপৰত নিৰ্ভৰ কৰি সময়, দৈৰ্ঘ্য আৰু ভৰৰ সালসলনি হয়। তেতিয়া তেওঁৰ এই আপেক্ষিকতাবাদ বুজি পোৱা মানুহৰ সংখ্যা আছিল নগন্য। কিন্তু লাহে লাহে তেওঁ ঘোষনা কৰা সিদ্ধান্ত বোৰ কিছুমান ঘটনাৰ লগত মিলি যোৱা দেখি বিজ্ঞানী সকল সন্মোহিত হৈ পৰিল। আগৰ বিবাহ বিচ্ছেদৰ পাছত ১৯১৯ চনত তেওঁ এলছা নামৰ বিধবা মহিলা এগৰাকীক বিয়া কৰায় । এলছা আৰু তেওঁৰ দুজনী জীয়েকৰ লগত আইনষ্টাইনে বাৰ্লিনত এটা সুখৰ জীৱনেই কটাইছিল।

১৯২১ চনত আইনষ্টাইনে আলোক বৈদ্যুতিক নীতি আৰু তাত্বিক পদাৰ্থ বিজ্ঞানৰ বাবে নবেল বঁটা লাভ কৰে। আইনষ্টাইনৰ জনপ্ৰিয়তা বাঢ়ি গৈছিল। ইউৰোপৰ বিভিন্ন ঠাইৰ পৰা তেওঁলৈ বক্তৃতাৰ নিমন্ত্ৰন আহিল। তেওঁ প্ৰায়ে ৰেলৰ তৃতীয় শ্ৰেণীত ভ্ৰমণ কৰিছিল আৰু লগত কাষলতিৰ তলত নিজৰ বেহেলাখন লৈ

গৈছিল। ইউৰোপৰ বিভিন্ন ঠাইৰ বাহিৰেও প্ৰাচ্য, মধ্যপ্ৰাচ্য আৰু দক্ষিণ আমেৰিকাতো তেওঁ ভ্ৰমন কৰিছিল। বিশ্বশান্তিৰ প্ৰতিও আইনষ্টাইন বৰ সজাগ আছিল। ১৯৩১ চনত অক্সফৰ্ড বিশ্ববিদ্যালয়ত অধ্যাপক হিচাপে নিযুক্তি হোৱাৰ পৰা আইনষ্টাইনে বিজ্ঞান আৰু শান্তিৰ কামত সমানেই মনোযোগ দিলে।

১৯৩৩ চনত এডলফ হিটলাৰ জামনীৰ চেন্সেলৰ হোৱাত তেওঁ জাৰ্মান নাগৰিকত্ব ত্যাগ কৰি আমেৰিকালৈ গুচি আহে। তেওঁ আমেৰিকাৰ প্ৰিন্সটনত থকা ইনষ্টিটিউট ফৰ এড্‌ভান্স ষ্টাডিত গণিত বিজ্ঞান বিভাগত সভ্য হিচাপে যোগ দিলে। তাত তেওঁ একীভূত তত্ত্বৰ বিষয়ে কাম কৰিলে। প্ৰতিদিনে কামলৈ দীঘলীয়া বাটছোৱা তেওঁ খোজ কাঢ়িয়ে গৈছিল। আজৰি সময়ত তেওঁ বেহেলা বজাইছিল আৰু তাৰ স্থানীয় হ্ৰদটোত নাওঁ চলাইছিল।

১৯৩৯ চনত ইউৰোপত যুদ্ধ লাগো লাগো অৱস্থা। জাৰ্মান বিজ্ঞানী অটোহান আৰু ফ্ৰিটজ ষ্ট্ৰাছমেনে পৰমাণু ভাঙি শক্তিৰ উদ্ভব হোৱা পৰীক্ষা চলোৱা গম পাই আইনষ্টাইন সন্ত্ৰম হৈ উঠিল। কেনেবাকৈ জাৰ্মানসকলে এটা প্ৰক্ৰিয়াৰ দ্বাৰা বোমা তৈয়াৰ কৰিব বুলি ভাবি আইনষ্টাইনে আমেৰিকাৰ সেই সময়ৰ ৰাষ্ট্ৰপতি ৰুজভেল্টলৈ সোনকালে বোমা নিৰ্ম্মাণৰ প্ৰয়োজন বুলি অনুৰোধ জনাই চিঠি লিখিলে। কিন্তু ১৯৪৫ চনত হিৰোচিমা আৰু নাগাচাকিত হোৱা বোমা বিস্ফোৰণৰ পিছতহে আইনষ্টাইনে ৰুজভেল্টলৈ লিখা চিঠিখন তেওঁৰ জীৱনৰ এটা ডাঙৰ ভুল বুলি উপলব্ধি কৰিলে। দ্বিতীয় মহাসমৰৰ পাছত আন আন বিজ্ঞানী সকলৰ লগ লাগি আইনষ্টাইনে এক আন্দোলন গঢ়ি তুলিলে আৰু পাৰমাণৱিক বোমা নিৰ্ম্মানৰ বাবে আহবান জনালে। ৰাজনীতিৰ মেৰপাকত তেওঁ কেইবাবাৰো পৰিছিল কিন্তু নিজৰ কামৰ পৰা তেওঁ কেতিয়াও আতৰি অহা নাছিল। সেয়েহে ১৯৫০ চনত বিশদ গাণিতিক অধ্যয়নৰে একীভূত ক্ষেত্ৰ তত্ত্বৰ এক নতুন সংস্কৰণ তেওঁ প্ৰকাশ কৰে। অৱশ্যে পদাৰ্থ বিজ্ঞানী সকলে এই তত্ত্ব গ্ৰহণ নকৰিলে। বৰঞ্চ বক্ৰ মন্তব্যহে দিলে "Seventy years old sage unlocks the secrets of the universe"

১৯৫২ চনত নতুনকৈ গঠিত ৰাজ্য ইজৰাইলৰ ৰাষ্ট্ৰপতি পদৰ বাবেও তেওঁ মনোনীত হ'ল। কিন্তু তাক তেওঁ প্ৰত্যাখান কৰিলে। তেওঁৰ মতে, - "Politics is for the moment while an equrtion is for eternity".

১৯৫৫ চনৰ ১৮ এপ্ৰিল তাৰিখে প্ৰিন্সটন হস্পিটেলত টোপনীতে তেঁওৰ মৃত্যু হয়। তেওঁৰ সাধাৰণ আপেক্ষিকতাবাদৰ সমীকৰণ সমূহ সদায়ে তেওঁৰ সুন্দৰতম স্মৃতি সৌধ আৰু স্মৃতি চিহ্ন হৈ ৰব। যোৱা শতিকাত আন শতিকাবোৰৰ তুলনাত বিশ্বত বহুত পৰিৱৰ্তন ঘটিল। ইয়াৰ কাৰণ ৰাজনৈতিক বা অৰ্থনৈতিক নহয় - ইয়াৰ কাৰণ হ'ল প্ৰযুক্তিবিদ্যা। পোনপটীয়া ভাবে এই প্ৰযুক্তি বিদ্যাৰ মূলতেই হ'ল বিজ্ঞানৰ গাঠনিতে ঘটা উন্নতি। ইয়াৰ বাবে আমি আইনষ্টাইনকে আটাইতকৈ বেছি কৃতিত্ব দিব লাগিব।

*প্ৰচলিত অৰ্থত যাক ''সাফল্য'' বুলি কোৱা হয়, সি যাতে ছাত্ৰ সকলৰ মাজত জীৱনৰ লক্ষ্য বুলি প্ৰচাৰিত নহয়, এই বিষয়ে সতৰ্ক দৃষ্টি ৰখা উচিত । কাৰণ জীৱনত সফল তেওঁকেই কোৱা হয় যি তেওঁৰ লগৰিয়া সকলৰ পৰা অনেক পাইছে । ইয়াৰ বিনিময়ত সমাজক তেওঁ যি সেৱা দিয়ে, তাৰ পৰিমান প্ৰাপ্তিতকৈ সাধাৰণতে বেছি হয় । কিন্তু মানুহৰ মূল্য নিৰুপন কৰা উচিত তেওঁ সমাজৰ পৰা কিমান নিলে তাৰ ভিত্তিত নহয়, বৰং তেওঁ সমাজক কিমান দিলে তাৰ ভিত্তিত হে।*

*এলবাৰ্ট আইনষ্টাইন*

আছেনে বাৰু পোহৰতকৈ বেগী কণিকা ?
'আছিল এজনী ছোৱালী শ্ৰীমতী জেউতি
পোহৰতকৈ আছিল তাই বেগৱতী
এদিন অপেক্ষিকভাৱে তাই
ঘৰৰ পৰা গ'ল ওলাই
আৰু উভতি আহিল আগদিনাখন ৰাতি '

-অজ্ঞাতনামা কবি

শ্ৰী সংগীতা বৰকাকতী
বি. এচ. চি ২য় বৰ্ষ।
(পদাৰ্থ বিজ্ঞান বিভাগ)

যমে যুধিষ্ঠিৰক সুধিছিল 'বতাহতকৈ বেগী কি ? আৰু যুধিষ্ঠিৰে উত্তৰ দিছিল 'মন'। মহাভাৰতৰ ৰচয়িতাই বেগী বস্তুৰ কথা সুধিবলৈ গৈ কিয় বায়ু বাচি ললে বুজা টান, কিয়নো বায়ুতকৈ বেগী বস্তু নিশ্চয় তেতিয়াৰ দিনতো জনা নাছিল যিটো বস্তু হ'ল পোহৰ , অৰ্থাৎ বেছি শুদ্ধ হ'লহেঁতেন এই প্ৰশ্ন -'পোহৰতকৈ বেগী কি ?' তেতিয়া যুধিষ্ঠিৰৰ উত্তৰ সম্পূৰ্ণ শুদ্ধ হলহেঁতেন। কিয়নো সচাঁকৈয়ে নিমিষৰ ভিতৰতে মানুহৰ মনে বিশ্বব্ৰহ্মাণ্ড ভ্ৰমি আহিব পাৰে। কিন্তু মনৰ গতিবেগ জুখিব নোৱাৰো। জুখিব পৰা বস্তুৰ ভিতৰত বায়ু অৱশ্যেই বেগী কিন্তু পোহৰ তাতোকৈ বেগী।

এই সিদ্ধান্তটো আহিছে আইনষ্টাইনৰ বিশেষ আপেক্ষিকতাবাদৰ পৰা। আইনষ্টাইনৰ তত্ত্বমতে, ভৰ আৰু শক্তি হ'ল একেটা বস্তুৰে দুটা ৰূপ, একেটা বেগৰে দুটা পিঠি। ইটোক আনটোলৈ ৰূপান্তৰিত কৰিব পাৰি। ভৰ বিলুপ্ত কৰিলে সেই ভৰ শক্তিৰূপে প্ৰকাশ পাব, যিটোৰ চাঞ্চল্যকৰ উদাহৰণ হ'ল পৰমানু বোমাত ইউৰেনিয়াম আংশিক ভাৱে বিলুপ্ত কৰি সৃষ্টি কৰা শক্তিৰ উদ্গীৰণ।

পোহৰৰ গতিবেগ প্ৰতি চেকেণ্ডত ১৮৬,০০০ মাইল। বিজ্ঞানত এই বেগটোক বুজাবলৈ ইংৰাজীত 'c' আখৰেৰে সূচোৱা হয়। যিমানেই বেছি বল প্ৰয়োগ কৰা হয় কোনো বস্তুৰ গতিবেগ সিমানেই বাঢ়ি যায় আৰু ফলত ভৰো বাঢ়ি যায় আৰু বস্তুটোক অধিক বেগী কৰাটো কষ্টকৰ হৈ পৰে। সচৰাচৰ এই বৃদ্ধি অতি নগন্য, কিন্তু 'c' ওচৰা ওচৰি বেগত এই বৃদ্ধি বুজন একেবাৰে c ত উপনীত হব পাৰিলে বস্তুৰ ভৰ হৈ পৰিব জোখৰ অতীত। সেইদৰে গতিবেগ বাঢ়িলে গতিৰ দিশত বস্তুবোৰ সংকুচিত হৈ পৰে, যাক কোৱা হয় 'ফিটচজেৰাল্ড সংকোচন'। সাধাৰণতে এই সংকোচন নগণ্য যেনে ঘণ্টাত ৫০ মাইল বেগী মটৰ-গাড়ী এখনৰ সংকোচন ঘটিব মাথোন এটা পৰমাণুকেন্দ্ৰৰ সমান ( $১০^{-১২}$ ছেঃমিঃ ) কিন্তু c ৰ ওচৰা ওচৰি বেগত এই সংকোচন বুজন। একেবাৰে c ত উপনীত হ'ব পাৰিলে বস্তুৰ দীঘ হৈ পৰিব সম্পূৰ্ণ লুপ্ত। তৃতীয়তে গতিবেগ বাঢ়িলে বস্তুটোত সময় প্ৰসাৰিত হৈ পাৰিব, বিয়লি যাব। সচৰাচৰ বেগত সময়ৰ এই প্ৰসাৰণ নগন্য, কিন্তু c উপনীত হলে এই সময় প্ৰসাৰণ হ'ব অনন্ত অসীম অৰ্থাৎ সময় স্থিৰ হৈ ৰৈ যাব।

মুঠতে c ৰ কাষ চপাৰ লগে লগে কিছুমান আজৱ কাণ্ড কাৰখানা ঘটে, যিবোৰ স্বাভাৱিকতে গাণিতিকভাৱে প্ৰমাণ কৰা টান। এই সকলোবোৰ ঘটনা আহি পৰে আপেক্ষিকতাবাদৰ সুত্ৰৰ পৰা। হয়তো এইটো মংগলৰ কথা যে আমি দৈনন্দিন জীৱনত c ৰ লাখভাগৰ এভাগো গতিবেগলৈ পাব নোৱাৰে, নহলে কি বিশৃংখল কাণ্ডবোৰ হলহেঁতেন যদি ধৰক দোকানৰ পৰা যাঁওতে হাতৰ বস্তুবোৰ কোঁচখাই গলহেঁতেন আৰু সংকুচিত বাহুখনৰ পৰা নামি দেখিলোঁহেতেন অইন মানুহবোৰতকৈ আপোনাৰ হাতৰ ঘড়ীবোৰ পিছুৱাই আছে।

কিন্তু যদি পৃথিৱীৰ বাহিৰলৈ যাব খোঁজো ? তেতিয়া হ'লে অৱশ্যে এই পোহৰ বেগৰ অলঙ্ঘনীয় সীমাই হৈ পৰে, এটা বিৰক্তিকৰ হেঙাৰ পোহৰ বেগেৰে নিকটতম জ্যোতিক জোনলৈ যাবলৈ সময় লাগে চেকেণ্ড, নিকতত তৰা আলফা চেণ্টাউৰী লৈ ৪.৩ বছৰ। গতিকে যেতিয়ালৈকে পোহৰ বেগ অতিক্ৰম কৰিব নোৱাৰে মহাজাগতিক অভিযান এটা অভীপ্সা মাত্ৰ। প্ৰখ্যাত, ধৰ্মতাত্ত্বিক আৰু মহাকাশ কাহিনীৰ লেখক-চি.এছ লিৱিছে কৈছে যে মহাজাগতিক বিশাল দূৰত্ববোৰ ঈশ্বৰৰ নিৰোধন বিধি যাতে আমি মানুহৰ অধৰ্ম আৰু অনৈতিকতা দূৰ-দূৰন্তলৈ কঢ়িয়াই নি বিশ্বব্ৰহ্মাণ্ড

কলুষিত কৰি পেলাব নোৱাৰো। বৈজ্ঞানিক সিদ্ধান্ত এয়ে যে বিশ্বৰ বেগ সীমা হ'ল C।

অৱশ্যে সকলো নহয়। বিজ্ঞানী সকলক এই বিষয়ত মোটামুটি দুই শ্ৰেণীত ভাগ কৰিব পাৰি। এক শ্ৰেণীয়ে মানি লৈছে যে আইনষ্টাইনৰ আপেক্ষিকতাবাদৰ তত্ত্ব চৰম সত্য। আলোকৰ বেগ অপ্ৰাপ্য, আনটো শ্ৰেণী হ'ল সেইসকল, যিসকলে 'অসম্ভৱ' শব্দটো উচ্চাৰণ কৰিলেই মানি নলয়। এতিয়া কথা হ'ল,যদি পোহৰতকৈ বেগী কণিকা আছে বুলি ধৰি লোৱা হয়, তেতিয়া হ'লে কিছুমান অদ্ভূত কাণ্ড ঘটিব, যি কেইটা হ'ল,

১) পোহৰতকৈ বেগী কণিকাৰ স্থিতি-ভৰ এটা কাল্পনিক বস্তু হ'ব অৰ্থাৎ এইটো গ্ৰাম বা সেৰত জুখিব পৰা বাস্তৱ সংখ্যা নহ'ব।

২) সাধাৰণতে বস্তুত শক্তি প্ৰয়োগ কৰিলে তাৰো শক্তি বাঢ়ে, বেগ বাঢ়ে, শক্তি উলিয়াই নিলে তাৰ বেগ টুটে। কিন্তু পোহৰতকৈ বেগী বস্তুত শক্তি প্ৰয়োগ কৰিলে তাৰ বেগ কমি যাব ,শক্তি উলিয়াই নিলে তাৰ বেগ বাঢ়ি যাব।

৩) পোহৰতকৈ বেগী বস্তু চালিত হ'ব সময়ৰ ওলোটা দিশে, অৰ্থাৎ অতীতৰ পিনে।

প্ৰথম দৃষ্টিত ধাৰণা হ'ব এইটো কি ধৰণৰ কিম্ভূত কিমাকাৰ বস্তু, যাৰ ওজন কাল্পনিক, যাক শক্তি যোগালে বেগাই নগৈ লেহেম হৈ পৰে, ২৪ তাৰিখে চলাই দিলে ২৫ তাৰিখলৈ নগৈ উপস্থিত হয়গৈ ২৩ তাৰিখত।

কিন্তু এই আপাত-আজগুৱী গুনবোৰ দেখি পদাৰ্থবিজ্ঞানীসকল ক্ষান্ত হৈ নপৰে। কাৰণ মূল কথা হ'ল, বস্তুটোৰ শক্তি বাস্তৱ হয় নে নহয় আৰু ই আপেক্ষিকতাবাদৰ নিয়মবোৰ সন্তুষ্ট কৰে নে নকৰে। যদি শক্তি বাস্তৱ বা সঁচা হয়, জুখিব পৰা হয় আৰু যদি তাৰ গতিয়ে আপেক্ষিকতাবাদৰ লগত সংঘৰ্ষ নকৰে, তেনেহ'লে বস্তুটো গ্ৰহণীয়, তাৰ অস্তিত্ব সম্ভৱ। এই ভাৱনাবোৰ গাণিতিক ভাৱে বিশ্লেষণ কৰি চাইছে তিনিজন পদাৰ্থবিজ্ঞানীয়ে, তেওঁলোক হ'ল সুদৰ্শন, বিলানিয়ুক, আৰু দেশপাণ্ডে আৰু তাৰ পাছত ফাইনবাৰ্গ নামৰ এজনে এনেকুৱা কনিকাৰ গুনাগুণ বিশদভাৱে আলোচনা কৰিছে। তেওঁলোকে গাণিতিক ভাৱে দেখুৱাইছে যে আলোকোত্তৰ বেগৰ কণিকাৰ-

১) শক্তি বাস্তৱ আৰু ২) গতিয়ে আপেক্ষিকতাবাদৰ নিয়ম মানি চলে। ফাইনবাৰ্গে আলোকোত্তৰ এই কণিকাৰ নাম দিছে 'টেকিঅন' (গ্ৰীক টাকিচ -বেগী)। আমাৰ দৈনন্দিন জীৱনৰ বস্তুবোৰ যাৰ বেগ পোহৰতকৈ কম হ'ল 'টাৰ্ডিঅন' (লেটিন টাৰ্ডুচ -লেহেম)। এই দুই জগতৰ মাজৰ সীমাৰেখাত আছে 'লুক্সন' (লেটিন লুক্স - পোহৰ)। যদি কোনোবা উপায়েৰে টাৰ্ডিঅন বিশ্বৰ পৰা দ্ৰুত টেকিঅন বিশ্বত সোমাব পাৰি, তেন্তে মহাকাশ যাত্ৰাত কোনো হেঙাৰ নাথাকিব।

কিন্তু এতিয়া প্ৰশ্ন হ'ল টেকিয়ন বিচাৰি পোৱা যাবক'ত? এইলৈ বহুধৰণৰ জল্পনা কল্পনা চলি আছে। ইয়াৰ এটা সম্ভৱ হ'ল - যেনেকৈ দুটা আলোকতকৈ কমবেগী কণিকাৰ সংঘৰ্ষ ঘটালে দুটা অন্তৰ্হিত হৈ তাৰ ঠাইত গামা ৰশ্মিৰ সৃষ্টি হয়। যাৰ বেগ আলোক বেগৰ সমসাময়িক তেনেকৈ দুটা টাৰ্ডিঅন বা লুক্সন কণিকাও টাৰ্ডিঅন কণিকালৈ ৰূপান্তৰিত কৰিব পাৰি নে? ৰুচ ন'বেল-বিজ্ঞানী চেৰেঙ্কভে আৱিস্কাৰ কৰা চেৰেঙ্কভ-বিকিৰণ প্ৰক্ৰিয়াত এনেদৰে টেকিঅনৰ উমান ধৰা সম্ভাৱনা বিবেচনা কৰা হৈছে। তাৰ অৰ্থ অৱশ্যে এইটো কেতিয়াও নহয় যে এনেকুৱা পৰীক্ষা কোনোদিনেই কৰিব পৰা নহ'ব। সংক্ষেপে, তেনেহলে বৰ্তমান পৰিস্থিতি এনেকুৱা ঃ

১) আমি টাৰ্ডিঅন বিশ্বত বাস কৰো, য'ত বস্তুৰ ভৰ সসীম, জুখিব পৰা শক্তি বাস্তৱ। ২) আমাৰ বাহিৰত আছে লুক্সান-বিশ্ব,যত বস্তুবোৰৰ বেগ আলোকৰ বেগৰ সমান C।
৩) টেকিঅন বিশ্ব ঃ কল্পিত আৰু অদৃশ্য। ইয়াত বস্তুৰ বেগ পোহৰতকৈ বেছি হ'ব পাৰে। বেগৰ নিম্নসীমা C।

গতিকে আজিৰ যুগত যদি যমে সুধে 'বায়ুতকৈ বেগী কি ? তেনেহলে যুধিষ্ঠিৰে হয়তো প্ৰশ্নটোৰ তাৎপৰ্য্য বুজিয়েই নাপাব। কিয়নো বায়ুতকৈ বেগী পোহৰ কিন্তু পোহৰতকৈ বেগী 'টেকিঅন'। কিন্তু 'টেকিঅন' এতিয়ালৈকে মনৰেই এটা প্ৰকল্প মাত্ৰ, গতিকে সেইপিনৰ পৰা যুধিষ্ঠিৰৰ উত্তৰ-মন, হয়তো সম্পূৰ্ণ সত্য। গতিকে বৰ্তমান বেগৰ সীমা, পোহৰ বেগেই হৈ থাকেনে আৰু নতুন কিবা নাম শুনিবলৈ পাওঁ, সেয়ে আমাৰ ভৱিশ্যতৰ আশা।

OOO

Referance book - 'মহাকাশত প্ৰাণৰ সন্ধান'
সুৰেন্দ্ৰনাথ মেধি।

# স্বামী বিবেকানন্দৰ চিন্তাধাৰা - এক আলোকপাত

ড° ভাৰতী দত্ত।

ভাৰতবৰ্ষৰ ইতিহাসত সোণালী আখৰেৰে জিলিকি থকা এটি নাম স্বামী বিবেকানন্দ। মহান আধ্যাত্মিক গুৰু ৰামকৃষ্ণ পৰমহংসৰ সুযোগ্য শিষ্য বিবেকানন্দ আছিল এজন প্ৰকৃত দেশপ্ৰেমিক, চিন্তানায়ক, তথা কৰ্মযোগী। তেখেতৰ উচ্চচিন্তাধাৰা, আদৰ্শৱলী সৰ্বকালৰ বাবে সমাদৃত হৈ ৰ'ব, সাম্প্ৰতিক সমাজত বিৰাজ কৰা অস্থিৰ অৱস্থা আত্মকেন্দ্ৰীক ও বস্তুবাদী মানসিকতা, মানৱীয় প্ৰমূল্যবোধৰ চুড়ান্ত অৱক্ষয় আদিৰ পৰিপেক্ষিতত স্বামী বিবেকানন্দৰ চিন্তাধাৰা কাৰ্যত ৰূপায়িত কৰাৰ অৰ্থে চেষ্টা কৰাটো প্ৰয়োজন । এই মহান পুৰুষজনৰ উপদেশাৱলী অনুসৰণ কৰিব পাৰিলে ব্যক্তি তথা সমাজ জীৱনত শান্তি ঘূৰি অহাৰ পথ প্ৰশস্ত হ'ব।

বৰ্তমান বিজ্ঞান তথা আধুনিক প্ৰযুক্তিৰ অগ্ৰগতিৰ লগে-লগে সমস্ত সমাজখন যন্ত্ৰব্য যেন হৈ পৰিছে। সমাজৰ পৰা মানৱীয় প্ৰমূল্যবোধ অন্তৰ্হিত হোৱাৰ অৱস্থা এটা সৃষ্টি হৈছে। ত্যাগৰ বিপৰীতে ভোগৰ বাবে লালায়িত বস্তুবাদী মানসিকতাৰ আত্মকেন্দ্ৰিক মানুহে সম্পত্তিৰ বাবে আপোনাক বিনাদ্বিধাই হত্যা কৰিবলৈকো কুণ্ঠাবোধ নকৰা হৈছে, বেছি দূৰলৈ যাবই নালাগে। আমাৰ ৰাজ্যখনতে নিতৌ এনে ধৰণৰ ঘটনা সংঘটিত হ'ব ধৰিছে। স্বামী বিবেকানন্দই কৈছিল ভোগসৰ্বস্বতাক ভেঁটি কৰি গঢ়ি উঠা সভ্যতাই স্বাৰ্থপৰতাৰহে জন্ম দিয়ে। নিঃস্বাৰ্থপৰতাই আধ্যাত্মিকতা বুলি মহান পুৰুষ জনাই দৃঢ়তাৰে কৈছিল। সমগ্ৰ মানৱজাতিৰ কল্যাণৰ অৰ্থে আধ্যাত্মিকতাক আমাৰ সভ্যতাৰ ভেটি কৰাৰ ওপৰত তেখেতে গুৰুত্ব আৰোপ কৰিছিল। আধ্যাত্মিকতা ভিত্তিক সভ্যতাৰ সংজ্ঞা তেওঁ এনেদৰে দিছিল। 'মানুহে যাতে ক্ৰমাৎ নিঃ স্বাৰ্থপৰ হ'ব পাৰে, একাগ্ৰতাৰ সাধনা কৰি এই আধ্যাত্মিক আনন্দৰ সোৱাদ যাতে সমাজৰ সকলোৱেই অলপ নহয় অলপ পাব পাৰে, সেইফালে দৃষ্টি ৰাখি গঠন কৰা সভ্যতাৰ নামেই আধ্যাত্মিক ভিত্তিক সভ্যতা' (স্বামী বিবেকানন্দ স্বামী বিশ্বশ্ৰয়ানন্দ, পৃঃ ৬৩)

স্বাৰ্থপৰতাক স্বামীজীয়ে পাপ বুলি গণ্য কৰিছিল। সকলোকে নিঃস্বাৰ্থ ভাৱে কৰ্ম কৰিবলৈ তেওঁ উপদেশ দিছিল। তেখেতৰ মতে ব্যক্তিৰ দ্বাৰা সাধিত কৰ্ম উত্তম যেতিয়া তেওঁ নিজৰ বিষয়ে চিন্তা কৰাটো পৰিহাৰ কৰে 'মই' এই ভাবেই মানুহক অজ্ঞান অন্ধকাৰলৈ পৰ্যবাসিত কৰে, এই ভাবক পৈশাৰিক ভাব বুলি তেওঁ গণ্য কৰিছিল। সমাজত আত্মকেন্দ্ৰিক লোকৰ প্ৰাদুভাৰ প্ৰত্যক্ষ কৰি স্বামীজী ব্যথিত হৈছিল। 'মানৱ সেৱাই মাধৱ সেৱা' বুলি মনে প্ৰাণে বিশ্বাস কৰা বিবেকানন্দই অন্নদান, বিদ্যাদান আৰু জ্ঞানদানৰ জৰিয়তে মানৱ সেৱাত আত্মনিয়োগ কৰিবলৈ মানৱ জাতিৰ প্ৰতি আহবান জনাইছিল। শান্ত প্ৰেমত ডুব গৈ থকা তত্বাৰ্শী, আদৰ্শ পুৰুষজনাই ক্ষুদ্ৰ স্বাৰ্থ বিসৰ্জন দি আজীৱন মানৱ সেৱাত নিয়ন্ত্ৰিত থকাৰ সোনোৱালী আদৰ্শ দেখুৱাই থৈ গৈছে মানুহৰ প্ৰাথমিক আৱশ্যকতা অৰ্থাৎ অন্ন, বস্ত্ৰ আৰু বাসস্থানৰ অভাৱ পূৰণ কৰাৰ চেষ্টা কৰাৰ লগতে শিক্ষাদানৰ জৰিয়তে অশিক্ষিতক শিক্ষিত কৰি আত্মনিৰ্ভৰশীল হ'বলৈ সহায় কৰা উচিত, বিদ্যা-বুদ্ধি বিকাশ হোৱাৰ পাচত তৃতীয় স্তৰত আধ্যাত্মিক বিদ্যা প্ৰদানৰ দ্বাৰা অৱহেলিত, অশিক্ষিত দৰিদ্ৰ শ্ৰেণীটোৰ প্ৰতি সেৱা আগবঢ়াবলৈ স্বামীজীয়ে পৰামৰ্শ দিছিল।

যুবকসকলক পৰৰ দুখৰ সমভাগী হৈ নিস্কলুস অন্তৰেৰে সেৱাব্ৰত হোৱাটো স্বামী বিবেকানন্দই কামনা কৰিছিল, সমাজত সেৱা আগবঢ়াবলৈ স্বয়ংসম্পূৰ্ণ,তেজস্বী পবিত্ৰ হৃদয়ৰ, নিষ্ঠসান যুৱকৰ প্ৰয়োজনীয়তা তেওঁ উপলব্ধি কৰিছিল । নাম, যশৰ প্ৰতি লালায়িত নহৈ নিঃস্বাৰ্থ সেৱকৰূপে কৰ্মক্ষেত্ৰত যুৱকসকল জপিয়াই পৰাটো তেওঁ বিচাৰিছিল । সাম্প্ৰতিক সমাজত বিৰাজ কৰা অস্থিৰ অৱস্থাৰ অন্যতম কাৰক হ'ল যুব উচ্ছৃংখলতা আৰু মানৱীয় প্ৰমূল্যবোধৰ দ্ৰুত অবক্ষয় যুব উচ্ছৃংখলতাৰ অন্যতম প্ৰধান কাৰণ বুলি ক'ব পাৰি। গতিকে এনে এক পৰিস্থিতিত যুগ পুৰুষ জনাৰ শিক্ষাৰ প্ৰাসঙ্গিগতা নিশ্চয় আছে। যুৱশক্তিৰ অফুৰন্ত কাৰ্যক্ষমতাক মানৱৰ কল্যাণৰ হকে খটুৱাব পাৰিলে যুৱ উচ্ছৃংখলতা আপোনা-আপুনি ৰোধ হ'ব। স্বামীজীয়ে দেখুৱাই যোৱা আধ্যাত্মিক শিক্ষা প্ৰদানৰ দ্বাৰা তেওঁলোকৰ মানসিকতা পৰিৱৰ্ত্তন কৰিব পাৰিলে অনেক সমস্যাৰ সমাধান হ'ব বুলি আশা কৰিব পাৰি।

পাশ্চাত্য সংস্কৃতি প্ৰীতিয়ে সাম্প্ৰতিক আমাৰ নিজৰ সংস্কৃতিৰ অস্তিত্ব ৰক্ষাৰ প্ৰতিয়ে ভাবুকিৰ সৃষ্টি কৰিছে। বিশেষকৈ আমাৰ যুৱসমাজ পাশ্চাত্য সংস্কৃতিৰ প্ৰতি অধিক আকৰ্ষিত হৈছে। পশ্চিমীয়া সমাজৰ অন্ধানুকৰণ যে অতিমাত্ৰা বিপদজনক সেই কথাটো তেওঁ মনে-প্ৰাণে বিশ্বাস কৰিছিল। অৱশ্যে পশ্চিমৰ সমাজৰ কৰ্মনৈপুণ্যতা, কৰ্মানুৰক্ততা আদি গুণবোৰ অনুকৰণীয় বুলি স্বামীজীয়ে একমুখে স্বীকাৰ কৰিছিল। শাৰীৰিক সুষ্ঠতা তথা শক্তিমন্ত্ৰতাৰ ওপৰত গুৰুত্ব আৰোপ কৰা মহান পুৰুষজনাই যুৱসমাজক শাৰীৰিক ভাৱে বল্‌বান হ'বলৈ উপদেশ দিছিল। সুস্থসবল দেহ এটিৰ গৰাকী এজনেহে আধ্যাত্মিক পথত আগবাঢ়ি যোৱাৰ সুবিধা পায়। যুৱকসকল নিৰ্ভীক আৰু আত্মবিশ্বাসী

হোৱাটো তেওঁ কামনা কৰিছিল।

নাৰীসমাজৰ উত্থানৰ কথাষাৰ গুৰুত্ব সহকাৰে উপলব্ধি কৰা স্বামী বিবেকানন্দই নাৰীসকল কুসংস্কাৰ মুক্ত হৈ উন্নতিৰ পথত আগবাঢ়ি যাব পাৰিলেহে সমগ্ৰ দেশৰ উন্নতি আশা কৰিব পাৰি বুলি মত পোষণ কৰিছিল। স্বামীজীয়ে শিক্ষিত লোকসকলক এইবুলি প্ৰশ্ন কৰিছিল যে লেখা পঢ়া শিকি তেওঁলোক নিজে 'মানুহ' হৈছে অথচ তেওঁলোকৰ সুখ-দুখৰ সমভাগী, অহৰহ তেওঁলোকৰ সেৱাৰতা নাৰীসকলৰ শিক্ষা-দীক্ষাৰ অৰ্থে তেওঁলোকে কি প্ৰচেষ্টা হাতত লৈছে? শিক্ষা, নৈতিকতা, নাৰীত্ব তথা মাতৃত্বৰ মহিমাৰে নাৰীসকল মহিমান্বিত হোৱাটো কামনা কৰা চিন্তানায়কজনাই নাৰীৰ আৰ্থিক স্বাতন্ত্ৰ্যৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল । তেওঁলোকে নিজৰ সমস্যা সমূহৰ সমাধান সূত্ৰ যাতে নিজেই বিচাৰি উলিয়াব পাৰে তেনেদৰে তেওঁলোকক যোগ্য কৰি তোলাটো স্বামী বিবেকানন্দই কামনা কৰিছিল। স্বামীজীৰ দৃষ্টিত প্ৰকৃত শিক্ষা হ'ল সেই শিক্ষা যাৰ দ্বাৰা মানবৰ মানসিক শক্তিৰ সাধন হয় । ই ব্যক্তিৰ মানসিক শক্তিৰ বিকাশ এনেদৰে কৰে যাৰ দ্বাৰা তেওঁ কাৰো সহায় নোপোৱাকৈ যিকোনো সিদ্ধান্ত নিৰ্ভূলভাৱে ল'ব পাৰে। স্বামী বিবেকানন্দই কামনা কৰিছিল যে ভাৰতীয় নাৰীক এনে শিক্ষা দিয়া উচিত যাৰ দ্বাৰা তেওঁলোকে নিৰ্ভয়মনে নিজৰ দেশমাতৃৰ প্ৰতি থকা তেওঁলোকৰ কৰ্তব্য পালন কৰিব পাৰে আৰু সহল্যা বাঈ, মীৰা বাঈ, সংঘমিত্ৰা আদিৰ দৰে মহীয়সী নাৰী সকলে দেখুৱাই যোৱা পৰম্পৰা অক্ষুন্ন ৰাখিব পাৰে। মাতৃশক্তিৰ প্ৰতি সন্মানীয় মনোভাৱ পোষন কৰাটো প্ৰত্যেক ৰাষ্ট্ৰৰে প্ৰধান কৰ্তব্য তেওঁ বিবেচনা কৰিছিল।

মানৱে নিজৰ অন্তৰ্নিহিত দেৱত্বৰ উপলব্ধি কৰাটো তেওঁ মনে প্ৰাণে কামনা কৰিছিল, তেওঁ কামনা কৰিছিল ত্যাগ আৰু সেৱা মানৱ জীৱনৰ চৰম লক্ষ্য হওক । পৰোপকাৰেই ধৰ্ম আৰু পৰক উৎপীড়ন কৰা পাপ বুলি ধৰ্ম আৰু পাপৰ সংজ্ঞা নিৰুপন কৰা যুগ পুৰুষজনাই ধৰ্ম আৰু পাপৰ আনধৰণেও ব্যাখ্যা দাঙি ধৰিছিল। শক্তি আৰু সাহসিকতাক তেওঁ ধৰ্ম আখ্যা দিছিল, আনহাতে দুৰ্বলতা আৰু কাপুৰুষতাক পাপ বুলি কৈছিল। স্বামী বিবেকানন্দই এনে ধৰ্মৰ সন্ধান কৰিছিল, যি মানুহক 'প্ৰকৃত মানুহ' কৰি গঢ়ি তুলিব পাৰে। প্ৰকৃত মানুহ সৃষ্টিৰ বাবে সৰ্বাঙ্গ সম্পূৰ্ণ শিক্ষাৰ প্ৰয়োজনীয়তাৰ কথাটো তেওঁ উপলব্ধি কৰিছিল। মানুহৰ আধ্যাত্মিক জাগৰণৰ প্ৰতি জোৰ দিয়া স্বামীজীয়ে বিশ্বাস কৰিছিল যে আধ্যাত্মিক আদৰ্শক ভেটিৰূপে গ্ৰহণ নকৰিলে আধুনিক সমাজতন্ত্ৰবাদ আৰু সাম্যবাদে লক্ষ্যত উপনীত হোৱাও সফলতা লাভ কৰিব নোৱাৰে। বৈদান্তিক শিক্ষাক প্ৰাধান্য দিয়া স্বামী বিবেকানন্দই বৈদান্তিক শিক্ষাৰ লগে লগে আধুনিক জাগতিক শিক্ষাৰ সন্মিলিত প্ৰসাৰেই সকলো ধৰণৰ সামাজিক ব্যাধিৰ মহৌষধ বুলি কৈছিল।

জনতাৰ সন্মুখত দেশসেৱাৰ অঙ্গীকাৰবদ্ধ হৈ গাদী দখল কৰাৰ পাচত পূৰ্বৰ সকলো প্ৰতিশ্ৰুতি জলাঞ্জলি দি ব্যক্তিগত মুনাফাত লিপ্ত হোৱা ৰাইজৰ প্ৰতিনিধিৰ কাৰ্যকলাপ আমি আটায়ে প্ৰত্যক্ষ কৰিছো। ক্ষমতাৰ খোৱা কামোৱাত ব্যস্ত থকা এচাম নেতাৰ দেশ সেৱাৰ নমুনাও লক্ষ্য নকৰাকৈ কোনে থকা নাই। জনতাৰ দুখ, বেদনা, অভাৱ অভিযোগৰ প্ৰতি মনোযোগ দিবলৈ তেওঁলোকৰ অৱকাশ ক'ত? প্ৰকৃত দেশসেৱক হ'বলৈ হ'লে দেশবাসীক অন্তৰেৰে ভাল পাব লাগিব বুলি কোৱা স্বামী বিবেকানন্দৰ কথাৰ তাৎপৰ্য্য এইসকল নেতাই অনুধাবণ কৰা উচিত। ক্ষমতাপ্ৰিয়তা আৰু ঈৰ্ষা এই দুই বদগুণৰ পৰা আঁতৰত থাকিবলৈ দিয়া মহান পুৰুষজনাৰ উপদেশ শিৰোধাৰ্য কৰা হ'লে হয়তো আজি ৰাজনৈতিক, সামাজিক আদি বিভিন্ন ক্ষেত্ৰত দেখা দিয়া আসুৰা অপ্ৰীতকৰ উপশম হ'লহেঁতেন।

নেতাজী সুভাষ চন্দ্ৰ বসুৱে স্বামী বিবেকানন্দ সম্পৰ্কে কৈছিল 'স্বামীজী আছিল পুৰুষ সম্পন্ন পূৰ্ণাঙ্গ মানুহ । তেওঁ আছিল মনে প্ৰাণে সংগ্ৰামী .......। মই ঘণ্টাৰ পাচত ঘণ্টা কৈ গ'লেও সেই মহান পুৰুষজনাৰ বিষয়ে একোৱে কোৱা নহয়'।

✪✪✪

পুনৰ্মুদ্ৰিত

প্ৰত্যুষৰ পৰা

মানুহৰ জীৱনটো এটা আবেষ্টনীৰ মাজত পৰিপাটিকৈ সুষমা ভৰা পদাৰ্থ নহয় । ই অনিৰ্দিষ্ট, জীৱন্ত, জ্বলন্ত শিখা ।

– বিষ্ণু ৰাভা

# অসমৰ সংস্কৃতিত ভৌগোলিক পৰিবেশ

শ্ৰী ববিতা শৰ্মা
স্নাতক ২য় বৰ্ষ (কলা শাখা)

সংস্কৃতি হ'ল জাতিৰ জাতীয় জীৱনৰ বোৱতী সুঁতি। নৈৰ গতিয়েই সংস্কৃতিৰ গতি। নৈয়ে যেনেকৈ নিৰৱচ্ছিন্ন গতিৰে চলি থাকে। নৈয়ে গৰা খহায়, বলুকা পাতে। সেইদৰে সময়ৰ সোঁতত লাগি সংস্কৃতিৰ সম্পদ এৰা পাব, নতুনৰ যোগ হয়। কেতিয়াবা কিবা কাৰণত নতুন আৰু পুৰণি সংস্কৃতিৰ সংঘাত হয়। তেতিয়া যদি নতুন সোঁত কোবাল হয়, পুৰণি সোঁত তৰাং হ'বলৈ আৰম্ভ কৰে কিন্তু সংস্কৃতিৰ গতি বৈ থাকে -- নিৰৱচ্ছিন্ন ভাৱে।

অসমীয়া ভাষালৈ সংস্কৃতি শব্দটো বঙলা ভাষাৰ দুৱাৰদলি গৰকা হে ন-বোৱাৰী হৈ আহিছে। সংস্কৃতি শব্দই ব্যাপক জনপ্ৰিয়তা অৰ্জন কৰাৰ আগতে কৃষ্টি শব্দৰহে ব্যৱহাৰ আছিল। ধাতুগত ভাৱে কৃষ্টি শব্দ 'কালচাৰ' শব্দৰ সম পৰ্য্যায়ৰ। আধুনিক ভাৰতীয় ভাষাসমূহৰ ভিতৰত বোধকৰো মাৰাঠী ভাষাতহে সংস্কৃতি শব্দটোৰ ব্যৱহাৰ আছিল। মাৰাঠী ভাষাৰ পৰা আহৰণ কৰি ৰবিন্দ্ৰনাথ ঠাকুৰে বঙলা ভাষাত শব্দটো জনপ্ৰিয় কৰি তোলে। তাৰপৰা হিন্দীকে আদি কৰি প্ৰায় আটাইবোৰ ভাৰতীয় ভাষাই সংস্কৃতি শব্দৰ বহুলভাবে কৰিবলৈ ধৰে। ইংৰাজী Culture শব্দ লেটিন কুলতুৰা মূলকৰ পৰা উদ্ভৱ হৈছে। কোল (Cul) ধাতু সংস্কৃত কৃষি ধাতুৰ সমাৰ্থক। কৃষি জীৱি মানুহে উৎপাদিকা শক্তি সম্পন্ন পৃথিৱী কৰ্ষণ কৰি বাবে বৰণীয়া শস্য উৎপাদন কৰে।

এই শস্যই দান কৰে মানুহৰ জীৱনীশক্তি। মানুহ জীয়াই থাকে একোটা সৃষ্টিশীল মন লৈ ; লগে লগে আৰম্ভ হয় মনৰ কৰ্ষণ। সৃষ্টি হয় নতুন নতুন উপাদান। এয়ে সৃষ্টিৰ কঠিয়াতলি। সংস্কৃতি শব্দ নিষ্পন্ন হৈছে সম + কৃতি হৈ। কৃতি, কৰ্ম। যি শিল্প কৰ্মত সম্যক সৃজনশীলতা আছে ; সৌন্দৰ্য্য আছে, মানৱতা আছে, সিয়েই সংস্কৃতি। আজিকালি গাৱে-ভূঁয়ে, নগৰে-চহৰে সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত হয়। এই অনুষ্ঠানত থাকে নৃত্য, দুটা গীত, এখন একাংকিকা নাট, এটা আবৃত্তি ইত্যাদি। ইয়েই সংস্কৃতিৰ স্বৰূপ নহয়। সংগীত সংস্কৃতিৰ এটা উপাদান মাত্ৰ। সংস্কৃতিয়ে যৰ্থামতে এটা জাতিক-সমগ্ৰ সৃষ্টি প্ৰতিভাক প্ৰতিনিধিত্ব কৰে। সংস্কৃতিৰ সংজ্ঞা দিবলৈ গৈ ডঃ সুনীতিকুমাৰ চট্টোপাধ্যায়ে কৈছে "একাধাৰে সভ্যতা -- তৰুৰ পুষ্প আৰু তাৰ আভ্যন্তৰ প্ৰাণ বা মানসিক অনুপ্ৰেৰণা ই হৈছে Culture"।

মানুহৰ মন,প্ৰগতিশীল; সংস্কৃতিও গতিশীল। মানুহ যিমানেই ধাৰ্মিক বা ভগৱৎ ভক্তি পৰায়ণ নহওক, মানুহৰ জৈৱিক বাসনা শূন্য হব নোৱাৰে। মানুহৰ এই জৈৱিক প্ৰয়োজনীয়তায়ো বস্তুগত সৃষ্টিৰ প্ৰেৰণা যোগায়। এইদৰে বস্তুগত, ভাবগত, আধ্যাত্মিক, জাগতিক সকলো সৃষ্টিকে সংস্কৃতিয়ে সামৰি লয়।

এখন দেশৰ সংস্কৃতিৰ গঠন আৰু বিকাশত বহুতো কাৰকে প্ৰভাৱ পেলায়। তাৰে ভিতৰত এটা অন্যতম প্ৰধান কাৰক হ'ল "ভৌগোলিক পৰিবেশ "। এতিয়া আমাৰ আলোচ্য বিষয় হৈছে অসমৰ সংস্কৃতিত ভৌগোলিক পৰিৱেশৰ প্ৰভাৱ। অসমৰ ভৌগোলিক অৱস্থিতি আৰু পৰিবেশে ইয়াৰ সংস্কৃতিকো গঢ় দিয়ে। জাতি, ভাষা আৰু ধৰ্মমূলক বৈষম্য ভৌগোলিক পৰিবেশৰ ওপৰতে নিৰ্ভৰ কৰি গঢ়ি উঠে। এই পাৰ্থক্যৰ ফলস্বৰূপেই বিভিন্ন আঞ্চলিক সংস্কৃতিৰ সৃষ্টি হয়।

দেশৰ অৱস্থান, নদ-নদী, পাহাৰ-পৰ্ব্বত, উদ্ভিদ আৰু প্ৰাণী জগতৰ লগত ভৌগোলিক পৰিবেশৰ ঘাই সম্বন্ধ। এই উপাদান সমূহেই এক অঞ্চলৰ সাংস্কৃতিক অন্য এক সংস্কৃতিৰ পৰা পৃথক কৰিছে। এক স্বতন্ত্ৰ সংস্কৃতি গঠনত ভাৰতবৰ্ষৰ মানচিত্ৰত অসমৰ ভৌগোলিক স্থিতি গুৰুত্ব পূৰ্ণ।

ভূগোলিৰ লগত জলবায়ুৰ সম্বন্ধ আছে। যিকোনো অঞ্চলৰ মানুহৰ চৰিত্ৰ আৰু জীৱন পদ্ধতিৰ গঠনত জলবায়ুৰ প্ৰভাৱ মন কৰিবলগীয়া। অসমৰ জলবায়ু অত্যাধিক শীত তথা গৰমো নহয়। সেই কাৰণে জলবায়ুৰে অসমৰ অধিবাসীক এলেহুৱা আৰু অত্যাধিক পৰিশ্ৰমবিমুখ কৰিছে। অসমৰ প্ৰধান ঋতু দুটা - বৰ্ষা আৰু বসন্ত। কৃষি প্ৰধান অসমৰ বৰ্ষা ঋতু গুৰুত্বপূৰ্ণ, ই সৰু-বৰ নদীসমূহক পানী যোগায়, কোনো কোনো বছৰ বান পানীৰ প্লাৱনত গাঁও-ভূই বিধ্বস্ত কৰে ; লগে লগে পথাৰত পলস পেলাই অধিক শস্য উৎপাদনৰ উপযোগীও কৰি তোলে।

অসমৰ মানুহৰ সামাজিক আৰু সাংস্কৃতিক জীৱনত বসন্তকালে অনুপ্ৰেৰণা যুগায়। বসন্ত, আনন্দ আৰু আমোদ-প্ৰমোদৰ ঋতু। অসমৰ প্ৰকৃতিয়ে এই ঋতুত অভিনৱ ৰূপ গ্ৰহণ কৰি অসমীয়া ডেকা-গাভৰুৰ মনত উদ্দীপনাৰ সৃষ্টি কৰে। অসমৰ প্ৰধান জাতীয় উৎসৱ বহাগ বিহু এই ঋতুতেই অনুষ্ঠিত হয়। অসমীয়া মানুহৰ বিয়া বাৰুও সৰহকৈ এই ঋতুতেই হয়।

অসমৰ সামাজিক জীৱনৰ মূল ভেটি হ'ল গাঁও। এই গাঁৱৰ স্থিতি আৰু গঠনো ভূগোলৰ ওপৰত নিৰ্ভৰশীল। অসমীয়া গাঁও সাধাৰণতে নদীৰ কাষত অথবা উপত্যকা অঞ্চলত পতা হয়।

ধান খেতি কৰিবলৈ আৰু ফলমূলৰ বাৰী পাতিবলৈ এনে ঠাইতে সুচল। পূব-এছিয়াৰ দেশসমূহৰ দৰে অসমৰ সংস্কৃতি ধান খেতিৰ লগত ওতঃপোত ভাৱে সাঙোৰ খাই আছে। অসমীয়া গাঁৱত আজিও ধানৰ ভৰাঁলৰ সংখ্যাৰ ওপৰতে ধনী বিবেচিত হয়। চহকী শব্দৰ অৰ্থত ধান খেতিৰ ওপৰতে গঢ়ি উঠিছে। ধান-চাউল অসমীয়াৰ মানত অতি পবিত্ৰ ; ধান চাউলৰ ওপৰত ভৰিৰ খোজ পৰাতো অপৰাধ। ধান লক্ষ্মী স্বৰূপ, সকলো ধাৰ্মিক সামাজিক অনুষ্ঠানত ধানৰ ব্যৱহাৰ আছে।

অসমীয়া সংস্কৃতিৰ অবিচ্ছেদ্য অংগ অসমৰ মানুহৰ বাস-গৃহ নিৰ্মাণত ভৌগোলিক পৰিবেশৰ প্ৰভাৱ আছে। হাতত পোৱা লাগতিয়াল সামগ্ৰীয়েই মানুহে ঘৰ-দুৱাৰ সাজে -- ই সচাঁ। কিন্তু এই কাৰ্য্যতে মাটি আৰু জলবায়ুৰ প্ৰভাৱ একেবাৰে উলাই কৰিব নোৱাৰি। ঘৰ সজাত শিল, ইটা, কাঠ , বাহঁ খেৰ, বেত , ইকৰা ,আদি সামগ্ৰীৰ প্ৰয়োজনীয়তাক নিৰ্ণয় কৰে জলবায়ুয়ে। এই সজুলিবোৰৰ প্ৰত্যেকৰে দিন টিকিব পৰা আৰু বতাহ, ধুমুহা, বৰষুণ, শীত, গ্ৰীষ্মৰ পৰা ৰক্ষা কৰিব পৰা স্বতন্ত্ৰ গুণ আছে। সহজে আৰু অনায়াসে ব্যৱহাৰত লগাব পৰাত এইবোৰৰ বিশিষ্ট গুণ আছে।

বানপানী আৰু ভূমিকম্প আদি প্ৰাকৃতিক দুৰ্যোগৰ হেতু ঘৰ নিৰ্মাণত অসমীয়া মানুহে এইবোৰ সামগ্ৰী ব্যৱহাৰ কৰে। কেৱল সামগ্ৰীৰ ক্ষেত্ৰতেই নহয়, অসমৰ ঘৰৰ চানেকী আৰু ঘৰ সজাৰ কৌশলো অন্য প্ৰদেশৰ লগত নিমিলে। অসমীয়া সংস্কৃতিৰ ইয়ো এটা বৈশিষ্ট্য।

পৰিবেশৰ লগত মানুহৰ নিবিড় যোগাযোগ স্থাপনৰ অন্যান্য উপায় সমূহৰ ভিতৰত প্ৰধান হ'ল খাদ্য সংগ্ৰহ ব্যৱস্থা। পৰিবহন আৰু বেহা বেপাৰৰ হেতু সাজ পাৰৰ পৰিবৰ্তন যিমান শীঘ্ৰে আৰু ব্যাপক ভাৱে হয়, খাদ্যৰ ক্ষেত্ৰত তেনে নহয়। আহাৰ সম্বন্ধে মানুহে অতিমাত্ৰাই সংৰক্ষণশীল। এক অঞ্চলৰ খাদ্যৰ লগত ভিন্ন অঞ্চলৰ খাদ্যৰ ভালেখিনি অমিল। এখন সমাজক আন এখন সমাজৰ পৰা যি সমূহ কাৰণৰ দ্বাৰা পৃথক কৰিব পাৰি তাৰ ভিতৰত খাদ্যই প্ৰধান। এইদৰে আহাৰৰ ক্ষেত্ৰতো দেশৰ ভূগোল আৰু জলবায়ুৰ প্ৰভাৱ পৰিছে।

ভৌগোলিক প্ৰভাৱত অসমীয়া মানুহৰ খাদ্য-তালিকা আৰু ৰন্ধন প্ৰকৰণ সুকীয়া হৈছে। যথেষ্ট বৰষুণৰ হেতু অসমত ধান খেতি প্ৰধান, ইয়েই অসমীয়াৰ প্ৰধান খাদ্য। ধানখেতি অসমীয়াৰ জীৱন-ধাৰণাৰ কেৱল অৱলম্বনেই নহয় এই ধান খেতিৰ ওপৰতেই অসমীয়া মানুহৰ পাৰিবাৰিক আৰু সামাজিক জীৱনৰ ভেটি স্থাপন হৈছে।

ধানখেতি বছৰৰ কেইমাহ মানহে ব্যস্ত থাকিব লাগে। আজৰিৰ সময়খিনিয়ে খেতিয়কৰ মাজত সমূহীয়া জীৱন গঢ়ি তোলাত সহায় কৰে সুকুমাৰ কলাৰ চৰ্চা কৰিবলৈ বাইজক সুবিধা দিয়ে।

অন্যান্য ফলমূল অথবা শাক-পাচলিৰ দৰে ধান দুদিনতে গেলি পচি যোৱা বস্তু নহয়। ইয়াক ভৱিষ্যতৰ কাৰণে সঞ্চয় কৰিবও লাগে। এই সঞ্চয়ৰ কাৰণে প্ৰথমতে প্ৰয়োজন ভৰাঁল ঘৰ। অসমীয়াৰ অন্যান্য ঘৰৰ নিৰ্মাণৰ লগত ভৰাল ঘৰৰ আৰ্হি নিমিলে। দ্বিতীয়তে, ধান জাবিব-চালিবলৈ আৰু থৰলৈ ডলা, কুলা, চালনি, ডুলি, পাচি, খৰাহিৰ প্ৰয়োজন। অসমৰ প্ৰকৃতিয়ে যোগোৱা বাঁহ-বেতৰ সহায়েৰেই এই সা-সজুলিবোৰ সজা হয়। অসমৰ হস্তশিল্প আৰু লোক-কলাৰ বিচিত্ৰ আৰু মনোৰম চানেকি ধানৰ লগত জড়িত এই সঁজুলিবোৰত প্ৰকাশ পাইছে।

অসমীয়াৰ ভোজন বিলাসৰ ক্ষেত্ৰত ধান-চাউলৰ দান নগণ্য নহয়। অন্ন, পায়স বোকাচাউল, চিৰা, আখৈ, মুড়ি, পিঠাগুৰি, সান্দহৰ বাহিৰেও তৃপ্তিকৰ নানাবিধ পিঠাপনা চাউলৰ পৰাই কৰা হয়।

জলবায়ুৰ সুচল হেতু অসমত নানাধৰণৰ গছ-গছনি, শাক-পাচলি হয়। ইয়াৰ ভালেখিনি অসমীয়া খাদ্য তালিকাৰ আদৰৰ সামগ্ৰী। খাৰ-টেঙাৰ প্ৰধান্যই অসমীয়া খাদ্যক অন্য অঞ্চলৰ খাদ্যৰ পৰা পৃথক কৰিছে। এই দুই প্ৰীতিৰ গুৰিতেই পৰিবেশিক প্ৰভাৱ।

দেশৰ জলবায়ুৰ লগত সাজপাৰৰ ঘনিষ্ঠ সম্বন্ধ। অসমীয়া পুৰুষ-মহিলাই অতীজৰে পৰা কপাহী আৰু পাট উভয় কাপোৰকে ব্যৱহাৰ কৰি আহিছে। অসমৰ ভৌগোলিক পৰিবেশ আৰু জলবায়ে পলু পোহাত সুযোগ দিছে। অসমত পাট শিল্পৰ প্ৰসিদ্ধি ৰামায়ণ, মহাভাৰতৰ যুগৰ পৰা চলি আহিছে।

এইখিনিতে আৰু এটা কথা মনকৰিবলগীয়া অসমৰ ভৌগোলিক অৱস্থিতি ব্ৰহ্ম, তিব্বত, চীন দেশৰ ওচৰত হোৱাত এই দেশসমূহৰ সংস্কৃতিক জীৱন আৰু চিন্তাধাৰাই অসমৰ লোকৰ ওপৰত যুগে-যুগে ধৰি প্ৰভাৱ বিস্তাৰ কৰি আহিছে।

দেশৰ ধৰ্মৰ কিম্বদন্তী, পৌৰানিক কাহিনী, কলা আৰু সভ্যতাৰ অন্যান্য বিষয়ত ভৌগোলিক পৰিবেশৰ প্ৰভাৱ পৰিলক্ষিত হয়। "out line of Premitive Biliefs" নামৰ পুথিত কীনিয়ে লিখিছে, "দেশৰ ভৌগোলিক স্থিতি যি প্ৰাকৃতিক দৃশ্যৰ মাজত দেশ বাসীয়ে জীৱন কটাইছে সেই দৃশ্য সমূহ আৰু যি প্ৰাকৃতিক ঘটনা পুঞ্জৰ মাজত তেওঁলোক ডাঙৰ দীঘল হৈছে সেই সকলোৰে ওপৰত নিৰ্ভৰ কৰি জনসাধাৰণৰ ধৰ্মমত গঢ়ি উঠে।

অসমীয়া মানুহৰ পূজা-পাতল, আদি বহু বস্তু ভৌগোলিক পৰিৱেশতে জন্ম। শিল পৰ্ব্বত, গছ-গছনি, জীৱ-জন্তুৰ পুজা অসমত আজিও ব্যাপক ভাৱে প্ৰচলিত। ব্ৰহ্মপুত্ৰ, দিখৌ, দৈয়াং, সোৱনশিৰি আদি নদীক অসমীয়া আৰু জনজাতিৰ লোকে পবিত্ৰ জ্ঞান কৰি আজিও বিচিত্ৰ অনুষ্ঠানেৰে পূজা কৰে। ৰূপহী ছোৱালী উৰ্চগা কৰি

নদী পূজা কৰাৰ প্ৰাচীন প্ৰথাৰ ইংগিত 'কমলা কুৱৰী' গীতত আছে। সম্ভৱত ঃ চীনদেশৰ পৰাই অসমলৈ এই প্ৰথাৰ প্ৰৱৰ্তন হৈছিল। "Chinese civilazation" ত আছে।-

Every year a beautiful girl was choses, Fed and adorned like bride; she was laid on a bridal bed. This was lunched on the water and borne to a whirlpool where it sank. Thus the chosen went to be married to the count of the river.

ধৰ্মই সুকুমাৰ কলাবো জন্ম দিছে। অতীত কালৰ পৰাই চিত্ৰ-ভাস্কৰ্য্য, গীত, উপকথা, নৃত্য-সংগীত ধৰ্মৰ লগত জড়িত। ভৌগোলিক পৰিৱেশে জাতিৰ সুকুমাৰ কলা সৃষ্টিত নানা ভাৱে সমল আৰু প্ৰেৰণা যোগাই আহিছে। পূৰ্বেই উল্লেখ কৰি অহা হৈছে যে অসমীয়া লোক-শিল্পৰ বাহ-বেঁতৰ সা-সজুলি আৰু প্ৰভাৱ তাঁত শিল্পত পৰিস্ফুট। কেৱল শিল্পৰ সামগ্ৰীসমূহতেই যে পৰিবেশৰ প্ৰভাৱ পৰিছে এনে নহয়। চিত্ৰ কলাৰ বিষয় বস্তুৰ ওপৰতো পৰিবেশৰ প্ৰভাৱ অসীম। অসমীয়া খেতিয়কে বেত-বাঁহৰ সঁজুলিত একা-বেকাঁ, চক্ৰ-চতুস্কোণ আদি যিবোৰ জ্যামিৰ্তিক চিত্ৰ তোলে, সেইবোৰ নদ-নদীৰ ভঙ্গী, চন্দ্ৰ-সূৰ্য্যৰ বিভিন্ন ৰূপহে মাথোন। অসমীয়া তিৰোতাই কাপোৰত বছা ছবিৰ চানেকীত প্ৰকৃতিৰ গছ-লতা, ফুলৰ কলি, চৰাই, পখিলাৰ পৰা আহৰণ কৰে। বিহা গামোছাৰ শেলৰ ৰঙা ৰঙ সূৰ্য্যক সেউজীয়া বৰণ প্ৰকৃতিৰ আৰু কলা সন্ধিয়াৰ অন্তকাৰত।

অসমীয়া নাৰীৰ অলংকাৰৰ প্ৰিয়তা ঘাইকৈ সোণৰ অলংকাৰ উল্লেখযোগ্য। অসমৰ নৈৰ বালিত সোণৰ বালিকা প্ৰচুৰ পৰিমাণে পোৱা গৈছিল। সেয়েহে অসমীয়া নাৰীয়ে হাতে-কাণে, ডিঙিয়ে-কঁকালে অনেক অলংকাৰ পিন্ধিছিল। পাটকাই সিপাৰৰ পৰা তিব্বত, ভূটানৰপৰা বাৰেবৰণীয়া বাখৰ আৰু জাংফাই আহিছিল। বাখৰখটোৱা আ-অলংকাৰ অসমীয়া সোণাৰিৰ পাকৈত হাতৰ চানেকী। সোণ, ৰূপ, তাম, পিতল অসমত সহজতে পোৱা গৈছিল। তাৰেই আ-অলংকাৰ কাঁহী-বাটি আৰু অন্যান্য সা-সজুলি তৈয়াৰ কৰি লৈছিল।

কৃষিমূখী অসমত আজি উদ্যোগমুখিতাই দেখা দিয়ে। ঔদ্যোগিক পৰিবেশে সংস্কৃতিলৈ পৰিবৰ্তন আনিছে। ডিগবৈ, তিনিচুকীয়া, দুলিয়াজান, বঙাইগাওঁ, নামৰূপ আদিত যি উদ্যোগ চক্ৰ গঢ় লৈ উঠিছে, ই ভৌগোলিক অৱদান মাত্ৰ।

অসমৰ স্থাপত্য-ভাস্কৰ্য্য-চিত্ৰকলা আদিতো ভৌগোলিক প্ৰভাৱ সুস্পষ্ট। প্ৰকৃততে ভৌগোলিক প্ৰভাৱতে এইদেশৰ অৰ্থনীতি - কৃষি নিৰ্ভৰশীল হৈ পৰিছে। আধুনিক যুগত সংস্কৃতিৰ ওপৰত অৰ্থনীতিৰ প্ৰভাৱ অন- স্বীকাৰ্য্য।

এনেদৰেই অসমৰ সংস্কৃতি এক স্বতন্ত্ৰ বৈশিষ্ট ফুটাই তোলাত ভৌগোলিক পৰিবেশৰ প্ৰভাৱ অস্বীকাৰ কৰিব নোৱাৰি। অসমৰ ভূগোল আৰু ভৌগোলিক পৰিবেশৰ লগত পৰিচয় নহলে অসমীয়া সংস্কৃতিৰ সম্পূৰ্ণ সৌন্দৰ্য্য উপলব্ধি নহয়। সেয়েহে ভৌগোলিক পৰিবেশ অসমৰ সংস্কৃতিক এক অবিচ্ছেদ্য অংগ।

ooo

সুনীতি আৰু দুনীতি মানুহৰ কৰ্ম ;সৌভাগ্য আৰু দূৰ্ভাগ্য দৈৱিক কৰ্ম । কাৰণ মানুহৰ কৰ্ম
আৰু দৈৱিক কৰ্মই সংসাৰখন চলাই আছে । নেদেখা শক্তিয়ে যি কাৰ্য্য কৰে সেয়া দৈৱিক
কৰ্ম। সেই ক্ষেত্ৰত ঈপ্সিত ফল লাভ হ'লে সৌভাগ্য হয় আৰু অনীপ্সিত ফল লাভ হ'লে
দূৰ্ভাগ্য হয় । দৃষ্ট কৰ্তাই কৰা কামেই মানুহৰ কৰ্ম । এই ক্ষেত্ৰতে যোগক্ষেম লাভ হ'লে সুনীতি
হয়, তাৰ বিনাস ঘটিলে দুনীতি হয় । মানুহৰ কৰ্ম কৰোঁতে চিন্তা কৰিব পাৰি। দৈৱিক কৰ্ম
অচিন্তনীয় ।

কৌটিল্য অৰ্থশাস্ত্ৰ

# "একেখন আকাশৰ তলত দুজন কবিৰ গান।"

--বিনোদ বড়া
প্ৰবক্তা ৰাজনীতিবিজ্ঞান বিভাগ
কানৈ কলেজ

সুকুমাৰ জগতৰ নিৰ্জান পৰিবেশত গান আৰু কবিতাৰ সহ-অৱস্থান সম্ভৱ হ'লেও সৰ্ব-সাধাৰণৰ গ্ৰহণযোগ্যতাত এই দুই কলাই সুকীয়া সুকীয়াকৈ আত্মপ্ৰকাশ কৰে। সেয়ে চন্দ্ৰকুমাৰৰ পৰা ৱৰ্ডচৱৰ্থলৈকে, দেৱকান্তৰ পৰা টেনিচনলৈকে, সনন্তৰ পৰা পাবলো নেৰুদা অথবা ৰাম গগৈৰ পৰা মাও-জে-ডঙলৈকে কবিতাৰ যিডাল অদৃশ্য সাঁকো আমাৰ চকুত দৃশ্যমান;একেদৰেই পল ৰবৰ্চনৰ পৰা প্ৰতিমা পাণ্ডেলৈকে মাৰ্টিন লুথাৰ, পিট চিগাৰৰ পৰা ভুপেন হাজৰিকালৈকে অনুভৱ কৰিব পাৰো একেখন আকাশৰ একে মহানুভৱৰ তৰা। কিন্তু এজনৰ কবিতা আৰু আনজনৰ গানে যদি কাৰোবাৰ একেডাল হৃদয়তন্ত্ৰীকে জোকাৰি দিয়ে,তেন্তে এই ব্যৱধানৰ অস্তিত্ব থাকিবনে ?

নিৰলস সাধনা আৰু নিৰ্মোহ জীৱনমুখিতাৰে সমৃদ্ধ কলিকতাৰ সমন চট্টোপাধ্যায় স্বভাৱতঃ এজন কণ্ঠশিল্পী। তেওঁ গোৰা গানবোৰ তেঁৱেই লিখে। যান্ত্ৰিক জীৱনৰ দৈনন্দিন হাঁহাকাৰ, মধ্যবিত্তৰ নিৰন্তৰ কোলাহল, সৰ্বতোপৰি কোনো অদৃশ্য শক্তিৰ নিৰ্দেশত আমিবোৰ পুতলা নাচৰ খেলা সুমনৰ গানৰ সম্ভাৰ। যি সময়ত সমগ্ৰ কলাই ফুল-তৰা-গানৰ পৰা ভোক-ৰুটি কাপোৰলৈ পৰ্য্যবসিত হৈছে। ভাৰতৰ আগশাৰীৰ সংবাদ পত্ৰ, সমালোচকে এই গানবোৰক কৈছে - 'অনেকদিন পরে এক ঝলক তাজা বাতাস' অথবা 'সুনম আগামীকালের ঝান আজই শোনাতে শুরু করেছেন। আনহাতে কবি ভূপেন চক্ৰৱৰ্ত্তী প্ৰধানতঃ এগৰাকী আবৃত্তিকাৰ, "বাকশিল্পৰ ওপৰত নিৰন্তৰ গৱেষণাৰে কবিতাক এক সুকীয়া শিল্পৰূপে প্ৰতিষ্ঠা কৰাৰ লগতে নিজস্ব দৰ্শনক আঁৰ বেৰ নোহোৱাকৈ ঘোষণা কৰা কবিগৰাকীৰ বাবে কবিতা কেৱল অনুভৱৰ স্বতঃস্ফূৰ্তঃ আত্মপ্ৰকাশ নহয়; বৰঞ্চ ই জীৱনৰ ৰূঢ়তম দলিল। সেয়ে গায়ক,কবি দুগৰাকীৰ চকুত ৰাজপথৰ ভিক্ষাৰী, মধ্যবিত্তৰ দৌৰা-দৌৰি, ফুটপাথৰ পাগল অথবা উকখাঘৰৰ সপোনবোৰ ইমানেই সুস্পষ্ট যে ইয়াত পাতনিতে উল্লেখ কৰা গান আৰু কবিতাৰ নূন্যতম পাৰ্থক্যখিনিও অদৃশ্যপ্ৰায়।

ভূপেন চক্ৰৱৰ্ত্তী আৰু সুমন চট্টোপাধ্যায়ৰ জীৱন দৰ্শন আৰু বিষয়বস্তুৰ বৈচিত্ৰ, যিমান আশ্বৰ্য্যজনক সমানেই বিস্ময়কৰ মানুহৰ চিৰন্তন সুখ-দুখানুভূতিত অৱগাহণ কৰা শিল্পী গৰাকীৰ অক্লান্ত অন্বেষণৰস্বাক্ষৰবোৰ।কলিকতাৰ ধুলিবেষ্টিত জনঅৰণ্যত মধ্যবিত্তৰ দৌৰা-দৌৰিৰে সময় তমোময়। সুমনৰ কন্ঠত-

বাজারের দরাদরি / রুটি ভাত তরকারী / সা রে গা মা পা ধা নি সা/ মাদার টেরেসা,

টিকেট কাটতে গিয়ে খুচরো পইসা নেই / পুলিশের ঘিট-মিট / অথবা লেডিস সিট; সব আমারদের জন্যে ।
সেইদৰে চক্ৰৱৰ্ত্তীৰ ভাষাত

কতজনের ঘর ফুটপাথে/কতজনেই ভোর বেলায় সেই কোমল বিচনা সেরে যায়/কতজনেই টাকার ওপরে শোৱে/ কতজনেই মৃত্যুকে সঙ্গে নিয়ে শোৱে/কতজনেই কবি হৈয়েই দেশদ্ৰোহীর চরণ ধোৱে/কতজনেই লেখক হৈয়ে টাকর লুভ সারেনা/

কতজনে সৰ্বোৎকৃষ্ট ৰচনা নিষিদ্ধ হয়/কতজনে হতাশাত ঘৰ এৰে /নিজৰ কবিতা নৱগ্ৰহত থৈ আহে/কেপাচিটি লাখপতি/ গণপত্তিৰ জেপকাটি/কোটিপতি আজিকালি থলুৱা মাজুপিতি/ কোনেও নেজানে বাবে কি গতি মতি/কি হব জাতিৰ গতি/ চাৰিওফালে ন' এণ্ট্ৰি/ফেণ্টাচটিক চিটি এই গুৱাহাটী..

উৎকুট গৰমত ৰিক্সা টনা চৈধ্যবছৰীয়া কিশোৰটিৰ হুমুনিয়াহ আৰু ক্ৰোধখিনি সুমনৰ গীতৰ যিদৰে বিষয়বস্তু-

"সত্তযাব বাবুটি ভাবে দেরি হয়ে যাচ্ছে/রিক্সা ছোঁড়াটা বড় আস্তে চালাছে/ওই ছোঁড়া, আরে এই ওই ছোঁড়া/.../সত্তযাব বাবুটি দেন রেগে যেগে হুমকি/বাবুর খেকানি শুনে সম্বিত ফিরে পায়/ছেলেটায়ে কোৰে রিক্সা চলিয়ে যায়/দেখ শ্যার পারে নাকি এই বোঝা টানতে/ এই বাবু কোনদিন পারবে নেকি জানতে/ ...."

একেই বক্ৰোক্তি চক্ৰৱৰ্ত্তীদেৰৰ কবিতাতো

"ৰাজধানীৰ লাইটৰ চমক/দেখি জ্বলে মগজ ভমক/ৰেচন কাৰ্ডত চাউল নাই/ভনীজনীৰ কাপোৰ নাই/চাপ্লাই নামৰ ডিপাৰ্টমেণ্টত পোলাও ৰান্ধি খায়হে।"

মানুহৰ ওপৰত অগাধ বিশ্বাস, অকৃটিম স্নেহ, দুয়োজনা শিল্পীৰ শিল্প চৰ্চাৰ অন্যতম খনিজ।

"প্রথমতঃ আমি তোমাকে চাই
দ্বিতীয়তেঃ /তৃতীয়তঃ
শেষ পৰ্য্যন্ত তোমাকেই চাই
ভীষণ অন্ধকারে তোমাকে চাই

রাতভোর হলে আমি তোমাকে চাই
সকালের কৈশোরে/সন্ধ্যার অবকাশে
বৈশাখে সড়ে আমি/আষাড়ের মেঘে
শ্রাৱণে শ্রাৱণে/অকালে বৌধনে
আমি তোমাকে চাই"

ঃ সুমন ঃ

সেইদৰে ---

"মোৰ সহোদৰ কোকৰাঝাৰত আছে
মাজবাটত আছে
ওডালগুৰিত আছে
তেওঁলোকে স্বাধীনতা বিচাৰিছে হেপাঁহেৰে
মোৰ ভাই-ভনী লহপহীয়া চাহ বাগিছাত থাকে
ডুমডুমাত থাকে; সোৱণশিৰীৰ পাৰত থাকে,
দিচাংমুখত থাকে"

ঃ চক্ৰৱৰ্ত্তী ঃ

মধ্যবিত্তৰ স্বাৰ্থপৰতা আৰু ভণ্ডামিয়ে তেওঁলোকক কৰলৈ বাধ্য কৰায়--

"নেওগৰ চাকৰি ভাল/দিনে ৰাতি ট্ৰাক ধৰে/পইচা খায়
চৰ্বি বাঢ়ি যায়/ভ্ৰুক্ষেপ নাই
গোস্বামী সচিব, পইচা খায় ঘৈণীয়েকৰ হুমকিক।
কৰে ভৰি চেলেকা ৰাজনীতি, সদায় লৰে পৰকিতি
পি. চি.ভূঞা, টেক্সৰ বহী পেচ মাৰি ধৰি উলিয়াই পইচা
তেওঁৰ অক্ষয় কীৰ্ত্তি।"

ঃ চক্ৰৱৰ্ত্তী ঃ

সুমনৰ ভাষাত---

"টাকাতেই চলছে সবাইর পাকস্থলী
কিনা এবং বিক্রী নিয়ে গৃহস্থালী
--- রবীন্দ্রনাথের টেরে কেটে
বাজারের খাৱা হয়ে ঢুকছে পেটে-----
সে তুমি শ্রমিক কিম্বা তা ধিন ধিন না
পেটে চায় খাৱা নাহ'লে দিন চলেনা
যদি ভাব ঠকছ' আমায় ভুল ভেবেছ"।

নিৰ্দিষ্ট বিষয়বস্তুৰ নিৰ্ধাৰিত পৰিসীমাত আবদ্ধ নহয় এজনো শিল্পী। দিল্লীৰ অসুখৰ পৰা নান্‌কা ভয়ৰাব লঘোণীয়া পেটলৈকে, সত্যজিৎ ৰায়ৰ পৰা তেতেলীৰসত বুৰোৱা ফুচকালৈকে, বিচিত্ৰ দৈনন্দিনখিনিত বিচৰণ কৰা শিল্পী দুগৰাকীৰ উপস্থাপন শৈলীও বিচিত্ৰ। মুনিচুনি বেলিৰ ৰং, বুঢ়ী আইৰ সাধুৰ সফুঁৰা চুৰ কৰি নিয়া ধাতৰ নিপীড়নত শিশুৰে চিৎকাৰ কৰে "-পঢ়াৰ বোজা ল'ব নোৱাৰো মা/সাধুকথা কোনে কব কোৱা------------ (চক্ৰৱৰ্ত্তী)। সুমিনে গায় --"স্কুলের বেগটা অত ভারী/আমার কি এইটা বাইতে পরি/এওকি একটা শান্তি নয়/কষ্ট হয়।"সেই দৰে কবিয়ে শিশুৰ সতে ধেমালি কৰে - "গুৱাহাটীত নাই হাতী/আছে মাথো হাতী কাকতি,"গায়ক জনেও গায়-- "টুনটুনিদের তিনিটি লাফে/সকলে নিজর ছন্দ মাফে/কিসির মিসির শালিকটাকে/সকলে শুধু খেলতে ডাকে।"

পিছে বিষয়বস্তুৰ বৈচিত্ৰ্যই ধূসৰ কৰি তোলা নাই শিল্পী দুজনাৰ জীৱন দৰ্শন। খাটি খোৱা মানুহৰ তেজত সৃষ্ট এই গান কবিতাবোৰে স্ফটিকাছন্ন কৰি দিব পাৰে যিকোনো পাঠক-শ্ৰোতাৰ মন। তেওঁলোকৰ বাবে শিল্প কেৱল নন্দন কুঠৰীৰ আচবাব নহয় সময়ৰ নিৰ্মোহ দিনলিপি। গান মানে সুৰ-তাল-ছন্দৰ সমলয় নহয়; এক পুলক ঝংকাৰ অথবা শিহৰণ। সেইদৰে কবিতাও কেৱল বৈয়াকৰণিক সূত্ৰৰে বন্ধা মুদ্ৰিত লিপি নহয়। কবিতা এক নিৰ্ভেজাল ধ্বনি আৰু তাৰপৰা সৃষ্ট বহু প্ৰতিধ্বনি। অক্ষৰী অনাখৰী সকলোৰে বাবে ই হব পাৰে চিৰ প্ৰেৰণাময়ী আত্মজীৱনী। সেয়ে সুমন অথবা চক্ৰৱৰ্ত্তী দুয়োজনেই বিশ্বাস কৰে কন্ঠত, কন্ঠই নিগৰা শব্দত। শব্দৰ মাধ্যম গানেই হঁওক বা কবিতাই হঁওক পাৰ্থক্যনো কি ?

উৎস ঃ-(ক) সুমন চট্টোপাধ্যায়ৰ বাণীবদ্ধ গীতৰ কেছেট

১) নমুনের গান
২) ছোট বড় মিলে
৩) সুমন নচিবোতা

(খ) ভূপেন চক্ৰৱৰ্ত্তীৰ কাব্য সংকলন -

১) আবোল তাবোল আৰু এটি হাৰিকেন
২) অন্যান্য অপ্ৰকাশিত কবিতা

ভাই ! এই সংসাৰৰ মাঝত তুমি কিমান ক্ষুদ্ৰ , কিমান সামান্য ! তোমাক মৰুভূমিৰ মাঝৰ এটা বালি কণা বা অনন্ত সাগৰৰ জলবিন্দুৰ নিচিনাকৈ গন্য কৰিব পৰা যায় । কিন্তু ভাই, তোমাক এটা কথা সোধো । তুমি কি কেতিয়াবা তোমাৰেই এই ক্ষুদ্ৰত্বৰ অনুভৱ কৰিব পাৰিছানে ? কেতিয়াবা তুমি মনত ভাৰিছানে তুমি যে ক্ষুদ্ৰ, তুমি সামান্য , তুমি গণনাৰ মাঝত নোহোৱা । কেতিয়াবা তুমি মনত ভাৰিছানে এই সংসাৰৰ টৌৰ মাঝত তুমি এডাল ক্ষুদ্ৰ তৃণ । যিপিনে টৌৱে নি'চে তুমি সেইপিনেই গৈছা । তোমাৰ নিজৰ এটা ফুটাকড়িৰ সমানও ক্ষমতা নাই , শক্তি নাই , তুমি ক্ষুদ্ৰতকৈ ক্ষুদ্ৰ ।

- আসাম বন্ধু ( প্ৰথম খণ্ড /পুহ /শক ১৮০৭ /দ্বাদশ সংখ্যা )

# গল্প সংকলন

গল্প সংকলন
গল্প সংকলন

## ঃ এপিয়ালা বিধবস্ত যৌৱন ঃ



শ্ৰী কিশোৰ কুমাৰ গগৈ।
স্নাতক ২য় বৰ্ষ

১) এজাক ৰঙীন সপোন

আগষ্ট মাহ।

কাঁনৈ কলেজৰ দেবদাৰু আৰু পাইন কেইজোপা নঁকৈ জিপাল হৈ উঠাৰ সময়। দুচকুত এজাক ৰঙীন সপোনৰ আবেশ সানি অন্য এজাক তৰুণ কলেজত আৰ্বিভাব হোৱাৰ সময়। মনত দুক দুক ভাৱ চকুত ভয়াৰ্ত্ত হৰিণৰ চাৱনিৰে সিহঁত উপস্থিত হয়গৈ কাঁনৈ কলেজৰ বাট চ'বাত। লগে লগে পুৰণি চামৰ তৎপৰতা বাঢ়ি যায়। প্ৰায়বোৰ ব্যস্ত হৈ পৰে 'নতুন চিকাৰ' ধৰাত। প্ৰশ্নৰ বাণেৰে থকা সৰকা হয় নতুন চামৰ মগজুবোৰ। প্ৰশ্ন বাঢ়ি যায়।

ঃ জাঁকৈ প্লাচ খালৈ হ'ল স্কোৰাৰ, ইজুকেল....?

মই প্ৰায় অপ্ৰস্তুত হৈ পৰিছিলোঁ। কাৰণ এনেধৰণৰ প্ৰশ্নৰ উত্তৰ মোৰ ওচৰত নাছিল।

ঃ নকল মাৰি পাছ কৰিলি ? মোক কথা কোৱাৰ কোনো সুযোগ নিদি চশমা পিন্ধা ল'ৰাটোৱে ক'লে।

আকৌ প্ৰশ্ন আহিল -

ঃ জীৱনৰ লক্ষ্য ?

ঃ এতিয়ালৈকে স্থিৰ কৰা নাই.....।

জনী লিভাৰৰ অভিনয় চাই থকাৰে দৰেই ল'ৰাজাকে হঠাতে হাঁহি দিছিল। সেই মূহুৰ্ত্তত নিজকে চিৰঞ্জীৱৰ কাৰ্টুন যেন অনুভৱ হৈছিল। অগ্ৰজ সকলে হঁহা দেখি আচৰিত হৈছিলোঁ। যি খন দেশত টকা দিলেহে সকলো হয়, য'ত টকাৰ দ্বাৰা ৰেডিমেড ভৱিষ্যৎ একোটা পোৱা যায়। সেইখন দেশত জীৱনৰ লক্ষ্য উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষতে স্থিৰ কৰাৰ কোনো কাৰণ মই দেখা নাছিলোঁ।

ঃ জীৱনৰ কোনো লক্ষ্য নাই ! অই, তই মানুহ নে গৰু অ' ?

সোঁগালত মাহ থকা ছোৱালীজনীৰ প্ৰশ্নত আকৌ এবাৰ মোৰ স্থিতি অনুভৱ কৰিলোঁ। 'গৰু' শব্দটোৱে ইতিমধ্যে ধৈৰ্য্যৰ শেষ সীমা অতিক্ৰম কৰিছিল। মই প্ৰায় চিঞৰি উঠিছিলোঁ। ''জীৱনৰ লক্ষ্য নাই বুলি ক'লেই যদি কোনোবা গৰু হয় তেনেহ'লে এই খন দেশত আৰু বেছি গৰুৰ আৱশ্যক''।

হঠাৎ যেন কৰ'বাত বজ্ৰপাত পৰিল। ঠাঁচ্ কৈ মোৰ গালত এটা চৰ পৰিল। অগ্ৰজ সকলৰ আগত উচ্চস্বৰত কথা কোৱাৰ বাবে। সমৰ কলাৰ কোনো জ্ঞান নথকাৰ বাবে তেওঁলোকৰ আগত নিজকে 'পুৰুষ' ৰূপে পৰিচয় দিব নোৱাৰিলো।

ঃইয়ালৈ আহিছ যেতিয়া ইয়াৰ সংবিধান মানি চলিবি বুজিছ। ন'হলে...‹.... অধ্যক্ষ মহোদয়ৰ হঠাৎ আগমনত ল'ৰাজাক মোৰ কাষৰ পৰা সেইদিনা আঁতৰি গৈছিল! কিন্তু তেওঁলোকে দি থৈ যোৱা চৰটোৰ স্বাদ এতিয়ালৈকে মোৰ কাষৰ পৰা আঁতৰি যোৱা নাই।

০০০০০০০০০০০

২) মৃত হৰিণৰ বেঁকা শিং যেন

'মালেশ্বৰ দাইৰ হোটেল'। নামটো অৱশ্যে আমি নিজে দি লোৱা বুজৰ বৰুৱা বাইদেউৰ ক্লাছৰ পৰা ওলাই আমাৰ লক্ষ্য আছিল এই হোটেল খন।

কলেজৰ প্ৰায় ভাগ ল'ৰা-ছোৱালীয়ে পেটৰ ভোকৰ বাবেই হওক দীঘলীয়া ক্লাছৰ বিৰক্তি দূৰ কৰাৰ বাবেই হওক নতুন নতুন বন্ধু বা হৃদয়ে বিচৰা জনৰ লগত 'মৰীচিকা' নতুবা 'লিটল কেফি'ত ভুমুকি মাৰিছিলগৈ। গৰম গৰম চাওমিন বা ফেনিল কফিৰ সোৱাদেৰে সিহঁতবোৰে বজাই ৰাখিব খুজিছিল কৃত্ৰিম ধন্যধাৰণা নতুবা কলেজীয়া ষ্টেণ্ডাৰ্ড।

আৰু আমি- মই, মিণ্টু আৰু কৰিম। 'মালেশ্বৰ দাইৰ হোটেল'ৰ আগদিনাই বনাই থোৱা গজা, লং আৰু একাপ বিবৰ্ণ ফিকা চাহৰ ধোঁৱাৰ মাজত বিচাৰি ফুৰোঁ জীৱন-যৌৱনৰ মাদকতা।

আমাৰ আলোচনা আগবাঢ়ি যায় - শচীন, ৰাহুলৰ বেটিং ষ্টাইল, ঐশ্বৰ্য্য ৰায় আৰু কাজলৰ অভিনয়ৰ পৰা গৈ আমাৰ আলোচনাই লালু প্ৰসাদ যাদৱৰ কেলেংকাৰী পায়গৈ।

ঃ যি খন দেখত এল. পি. স্কুল পাছ কৰিব নোৱাৰা মানুহো মন্ত্ৰী, এম. এল. এ. হ'ব পাৰে সেইখন দেশত এনেধৰণৰ কেলেংকাৰী হোৱাটো কোনো কথা নহয়। মিণ্টুৱে তীব্ৰ ব্যঙ্গতাৰে ক'লে।

কিছুপৰ ৰৈ সি পুনৰ মোলায়েম সুৰত ক'লে মোৰকেতিয়াবা ভাৱ হয় জান, আম্বেদকাৰৰ প্ৰকৃত সংবিধানখন বলবৎ হোৱাহেঁতেন আমাৰ এই সামাজিক মূল্যবোধৰ অবক্ষয় হোৱা অৱস্থা এটা সৃষ্টি নহ'লহেঁতেন। জন্ম হৈয়ে কোনো ভাৰতবাসীয়ে বৈদেশিক ঋণৰ বোজা কঢ়িয়াব লগা নহ'লহেঁতেন। স্বাধীনতাৰ সোণালী জয়ন্তীৰ পাছতো আমাৰ চাকৰীয়াল সকলে তেওঁলোক প্ৰাপ্য দৰমহাৰ বাবে ধৰ্মঘট কৰিব নালাগিলেহেঁতেন।

ঃ এইবোৰ কাৰ বাবে হ'ল জান....? এচাম ক্ষমতা লোভী লোকৰ হাতত পৰি আমাৰ দেশে স্বাধীনতাৰ দোকমোকালিতে কেলেংকাৰীৰ বোজা বহন কৰিব লগীয়া হ'ল। নিজৰ হাতত দেশ শাসনৰ বাঘজৰীডাল সদায় ৰাখিবৰ বাবে তেওঁলোকে যি চক্ৰান্ত কৰিলে, তাৰ ফল আমি ভোগ কৰিবলগীয়া হৈছে। দেশক প্ৰথমতে সুভাষ বসুৰ দৰে মানুহৰহে প্ৰয়োজন হৈছিল, শত্ৰুৰ হাতত নিজৰ ভাই-ককা এৰি দি সহানুভূতি দেখুৱা লোকৰ নহয়.....। কথাখিনি কৈ কৰিম খঙত ফোঁপাবলৈ ধৰিলে।

আলোচনা বৰ গধুৰ হোৱা যেন দেখি মালেশ্বৰ দাইক পইচা দি দুয়োটাকে টানি লৈ আনিছিলোঁ। বৰাছাৰৰ ক্লাছ কৰিবলৈ।

০০০০০০০০০০

৩) মোৰ হৃদয় কাগজ এখিলা.......

নীহাৰিকা !

হয় ! তাই নিশাৰ আকাশৰ নীহাৰিকাই আছিল। মোৰ মনআকাশ ক্ষন্তেকৰ বাবে উজ্বলাই কৰ'বাত হেৰাই গৈছিল।

যিকোনো তৰুণৰ হৃদয়ত প্ৰেমৰ মিঠা শিহৰণ জগাব পৰা শৰীৰটোক প্ৰথম আৱিস্কাৰ কৰিছিলো ডিপাৰ্টমেণ্টৰ প্ৰথম বেঞ্চখনতে। প্ৰথম দৃষ্টিতে হৃদয়ে পিছল খালে। 'আৰফিয়া'ৰ জৰিয়তে কথাযাৱ অৱগত কৰোৱা হ'ল। ভাবিবলৈ সময় বিচাৰি কেইদিন মানৰ পাছত নীহাৰিকাৰ ফালৰ পৰা 'সেউজ সংকট' আহিল। লগে লগে আৰম্ভ হ'ল 'ৰংঘৰ, লিটন কেফি'ত বহি 'দিল্লীৰ লাড়ু'ৰ সোৱাদ লোৱাৰ প্ৰৱল প্ৰচেষ্টা। সুন্দৰী গাভৰুৰ মৰমেৰে জীৱন ধন্য কৰাৰ সপোনে প্ৰায় দিঠকৰ ৰূপ লৈছিলহে। হঠাৎ পট পৰিৱৰ্তন হ'ল। চিৰজীৱন সংগী হোৱাৰ প্ৰতিশ্ৰুতি দিয়া মোৰ মানস কন্যা মোৰ পৰা আঁতৰি থাকিবলৈ আৰম্ভ কৰিলে, মই মৰ্মাহত হ'লো।

তাৰ পাছত যি ঘটিছিল সি মোৰ বাবে আছিল সম্পূৰ্ণ অপ্ৰত্যাশিত। নীহা 'ই এদিন ক'লেহি যে তাই নজনাকৈয়ে তাইৰ বাবে মাক-দেউতাকে ল'ৰা চাই থৈছে। সেয়েহে মই তাইক অমান্য কৰিব নোৱাৰে। মোৰ কোনো যুক্তি-তৰ্কই তাইৰ সিদ্ধান্তক লৰচৰ কৰিব নোৱাৰিলে। বাধ্য হৈ মই তাইৰ কাষৰ পৰা আঁতৰি অহাৰ অনুশীলন চলাবলৈ ধৰিলোঁ। তাইৰ প্ৰতাৰণাই মোক কান্দিবলৈও পাহৰাই দিছিল।

তেনেসময়তে আৰ্বিভাৱ হ'ল পল্লৱৰ, সমগ্ৰ পৰিস্থিতিটোৰ বুজিলৈ সি কৈছিল - "আচলতে কি জান 'কৌশিক' প্ৰতিজনী ছোৱালীয়ে এটা নিৰাপদ জীৱন বিচাৰে। নিজৰ'মানুহজন' ধনী, উচ্চ পদবী বা উচ্চ বংশৰ হোৱাটো বিচাৰে। নীহাৰিকায়ো হয়তো তেনে এটা জীৱনৰে সন্ধান পাইছে যিটো তোৰ এই ছাত্ৰ জীৱনতকৈ অধিক নিৰাপদ। - আৰু কি জান ! আজিৰ এই যান্ত্ৰিক যুগত মানুহৰ হৃদয়ৰ অনুভূতিবোৰো ক্ৰমশঃ যান্ত্ৰিক হৈ পৰিছে। এটা গধূৰ মণিবেগ আৰু এখন বেগী বাইকৰ অবিহনে আজিৰ যুগত প্ৰেম জোঙা বস্তুৰ খোঁচ খাই ফুটি যোৱা বেলুনৰ দৰেই।" পল্লৱৰ কথাত মই সেইদিনা নিৰুত্তৰ হৈ ৰৈছিলো। কাৰণ নীহা'ৰ সিদ্ধান্তৰ আঁৰত এইবোৰ কাৰণেই আছিল নে আন কিবা মই জনা নাছলোঁ।

০০০০০০০০০০০০

৪) এটা অভিশপ্ত দিনৰ কথা

ঃ তই ড্ৰিঙ্কচ কৰিবলৈ লৈছ ? বিজয়ৰ একান্ত ব্যক্তিগত গোপনীয়তা ধৰা পেলাই সুধিছিলোঁ।

ঃ আৰে ভাই পৃথিৱীত জন্ম লৈছ যেতিয়া চব বস্তুৰে সোৱাদ ল'ব লাগে বুজিছ। এই ছপা আখৰ বোৰৰ লগতেনো কিমান লাগি থাকিব। ইট জাষ্ট ফ'ৰ এনজয়মেণ্ট ! নাথিং এল্‌ছ্।

একো নোকোৱাকৈ সেইদিনা বিজয়ৰ ওচৰৰ পৰা আঁতৰি আহিছিলো। কাৰণ জীৱনটোক উপভোগ কৰাৰ হাবিয়াস মোৰ আছিল কিন্তু সৰুৰে পৰা মোৰ ওপৰত থকা ভাল ল'ৰাৰ ট্ৰেড মাৰ্কটো আৰু ড্ৰিঙ্কচৰ বাবে তিল তিলকৈ ধ্বংস হোৱা দেউতাৰ জীৱনটো দেখি এই ৰঙীণ পানীয়বিধৰ প্ৰতি মোৰ একপ্ৰকাৰ বিতৃষ্ণাই জন্মিছিল।

ইতিমধ্যে মোৰ জীৱনৰ আটাইতকৈ অবিস্মৰণীয় ঘটনাটো ঘটিছিল।

বিজয়ে এদিন ক'লেহি সি ইতিমধ্যে সম্পূৰ্ণকৈ মদ এৰি দিছে। কোনোবা 'কৰবী' নামৰ ছোৱালী এজনীৰ পৰা সি জীৱনটোক ভাল পাবলৈ শিকিছে হেনো।

তাৰ কেইদিন মানৰ পাছতে 'পাৰ্ট' ওৱানটোৰ ফলাফল ঘোষিত হৈছিল। আৰু সেইদিনা জীৱনটোক নতুনকৈ ভাল পাবলৈ শিকা বিজয়ক আৱিস্কাৰ কৰিছিলো তেজৰ শীৰ কাটি নিজকে হত্যা কৰাৰ এক অভিনৱ প্ৰচেষ্টা। সৌৰভ আৰু মোৰ তৎপৰতাৰ বাবে বিজয় সেইদিনা যমৰ দুৱাৰ মুখৰ পৰা ঘূৰি আহিছিল। সেইদিনা ৰাতি সি জীৱনটোক আকৌ উপভোগ কৰিছিল 'এইট পি এম' আৰু চিগাৰেটৰ ধোঁৱাৰ মাজত।

০০০০০০০০০০০

৫) সময় হ'লে সপোনতে......

নিশিগন্ধা পাল।

'মেজৰ মেৰ্টচ' আছিল। সুন্দৰ কবিতা লিখে। কিছু আত্মিক

দিন মিল স্বকীয় আদর্শৰ বাবে পৰৱৰ্ত্তী দিনবোৰত তাই মোৰ জীৱনৰ অন্যতম বন্ধু হৈ পৰিছিল। বিজ্ঞানৰ চৰম উন্নতিৰ দিনতো মানুহে ধৰ্মৰ গোড়ামীৰ বশৱৰ্তী হৈ ৰক্তপাত কৰা ঘটনাই তাইৰ হৃদয়ত ধুমুহাৰ সৃষ্টি কৰিছিল। সেয়েহে মানুহৰ পৃথিৱী এৰি কোনোবা এদিন অৰণ্যবাসী হোৱাৰ কথা কৈছিল।

লাহে লাহে লক্ষ্য কৰিছিলো মোৰ ভাল লগা বেয়া লগা বোৰক 'নিশি'য়ে বেছি গুৰুত্ব দিবলৈ লৈছে। ইয়াৰ ৰহস্য ভাঙি এদিন পল্লৱে কৈছিল - "য়াৰ পাৰ্টি এটা দে। 'নিশি'য়ে তোক ভাল পাই পেলাইছে।"

যিজনী নিশিগন্ধাৰ বাবে কলেজৰ কেইবাটাও ল'ৰা পাগল প্ৰায় আছিল। সেইজনী নিশিগন্ধাৰ প্ৰস্তাৱত মই প্ৰায় আচৰিত হৈছিলো। 'প্লেটোনিক' প্ৰেমত বিশ্বাসী 'নিশি'য়ে মোৰ মাজত বিচাৰি পাইছিল হেনো তাইৰ আত্মাৰ চাহিদা পূৰণ কৰিব পৰা ক্ষমতা। কিন্তু কেনেকৈ ? হয়তো কোনো স্পৰ্শকতাৰ মুহূৰ্ত্তত মই তাইৰ ওচৰত দুৰ্বল হৈ পৰিছিলোঁ।

নীহাৰীকাৰ পৰা পোৱা অভিজ্ঞাই মোক প্ৰেমৰ প্ৰতি নিৰুত্তাপ কৰি পেলাইছিল। সেয়ে 'নিশি'ৰ দৰে গাভৰুৰ ভালপোৱাই মোৰ মন বননিত কঁহুৱা ফুলব পৰা নাছিল।

এদিন 'মৰিচীকা'ত ফেনিল কফিৰ কাপত চুমুকদি নিশিক হৃদয়ৰ সমস্ত কথা কৈ দিছিলোঁ। স্পষ্টকৈ জনাই দিছিলো তাইৰ প্ৰস্তাৱ গ্ৰহণ কৰিব নোৱাৰোঁ বুলি। নীলা নীলা দুচকুত চকুলোৰ আবেশ সানি সেইদিনা নিশিয়ে কৈছিল - জীৱনত কেতিয়াও হাৰ নামানো 'কৌশিক'। এই জীৱন আৰু যৌৱন তোমাৰ নামত উছৰ্গা কৰি দিলোঁ। সময় হ'লে কেতিয়াবা আহি যাবা...... তোমাৰ বাবে মোৰ হৃদয়ৰ দুৱাৰ সদাই খোলা হৈ ৰ'ব।

oooooooooooo

৬) দলঙৰ সিটো পাৰ নাই

ক্লাছৰ পৰা ওলায়ে মালেশ্বৰদাইৰ হোটেল পালোঁগৈ। লগত মিণ্টু আৰু কৰিম।

ঃ দাই তিনিটা চাহ।

চাহৰ কাপত চুমুক দি কৰিমে কৈছিল - মই সংগঠনত যোগ দিম।

ঃ কিয় ? মিণ্টুৱে তাৰফালে নোচোৱাকৈ সুধিছিল।

ঃ যি খন দেশত নাবালিকাৰ পৰা ষাঠী বছৰীয়া বৃদ্ধাৰো নাৰীত্বৰ নিশ্চয়তা নাই, বিশ্ববিদ্যালয়ৰ বৰ বৰ উপাধিও যি খন দেশৰ বন্দুক তুলি লোৱাৰ বাহিৰে অন্য কোনো পন্থা কাৰ্যকৰী হ'ব নোৱাৰে।

ঃ বন্দুকৰ জৰিয়তে অহা শান্তি কচুপাতৰ পানীৰ দৰেই খন্তেকীয়া। আবেগৰ বশৱৰ্তী হৈ যি কোনো সিদ্ধান্ত নলবি। তোৰ দৰে মেধাবী ছাত্ৰবোৰে যদি বন্দুকৰ নলীৰে শান্তিৰ নৈ বোৱাব বিচাৰ সেই নদীত শান্তিৰ অমৃত ধাৰাৰ পৰিৱৰ্তে তেজৰ ধাৰাহে বৈ যাব।

মিণ্টুৰ কথাত অলপ সময় নীৰব হৈ আকৌ কৈছিল - "তই কিয় পাহৰি গৈছ, জেওৱা এখন দিবলৈ যাওঁতে তোক দুই-এঠাইত কাটিবই। দেশৰ স্বাৰ্থত দুই-এজনৰ প্ৰাণ যোৱাটো কোনো ডাঙৰ কথা নহয়।" কৰিম তাৰ নিজৰ সিদ্ধান্তত অটল ৰ'ল।

অযথা পৰিৱেশ উত্তাল হোৱাৰ আগতে দুয়োটাকে টানি কলেজলৈ লৈ গৈছিলোঁ।

ooooooooooo

৭) নীড় হাৰা পখীৰ ক্ৰন্দন...

সুদীৰ্ঘ দহটা বছৰৰ পাছত আজি আকৌ কানৈ কলেজলৈ আহিছোঁ। বিশেষ পৰিৱৰ্তন হোৱা নাই। দেবদাৰু আৰু পাইন কেইজোপা প্ৰায় একেই আছে। মালেশ্বৰ দাইৰ হোটেলখনৰহে যথেষ্ট পৰিৱৰ্তন হ'ল। কেচা ঘৰৰ ঠাইত পকীঘৰ হ'ল। নামফলক এখনো ওলমি আছে 'মহামায়া'।

এই দহটা বছৰত মই বৰ নিঠৰুৱা হৈ গ'লো। কলেজত প্ৰথম দিনাই পোৱা 'গৰু' উপাধিটো সঁচাত পৰিণত হ'ল চাকৰিৰ নামত এচাম নিৰ্বাচক মণ্ডলীৰ হাতত 'ৰেগিং' খাই থাকোঁতেই দিনবোৰ পাৰ হৈ গৈছে।

মালেশ্বৰ দাইৰ হোটেলত কৰা অঙ্গীকাৰ ৰক্ষা কৰি কৰিম আজি অৰণ্যবাসী। হাতত উদ্যত বন্দুক লৈ সি বিচাৰি ফুৰিছে মুকুলি আৰু শান্তিৰ সংজ্ঞা। মিণ্টু ব্যস্ত তাৰ চাহ বাগান কেইখনৰ লগত।

আৰু নিশিগন্ধা তাই বৰ্তমান এই কলেজৰে অধ্যাপিকা। মোক দিয়া প্ৰতিশ্ৰুতি অনুসৰিয়ে আজিও অবিবাহিতা। সুদীৰ্ঘ দহটা বছৰৰ পাছত তাইক লগ কৰিবলৈয়ে ইয়ালৈ আহিছোঁ তাইৰ পৰা পোৱা চিঠিৰ বাবে।

ঃ 'এক্স কিউজ মি।' এটি নাৰী কণ্ঠত উচপ খাই উঠিলোঁ।এগৰাকী ভদ্ৰ মহিলা। "মোৰ যদি ভুল হোৱা নাই তুমি কৌশিক নহয় জানো.... ?" ভদ্ৰ মহিলাৰ ওঁঠত ঈষ্য হাঁহি।

ঃ হয় ! ..... আপুনি ? মোৰ প্ৰশ্নভৰা চাৱনি।

ঃ কিয় চিনি পোৱা নাই...... ? মই নিশি..... নিশিগন্ধা।

আকাশত সেই সময়ত ডাৱৰৰ মাজৰ পৰা ওলাই বেলি অধিক পোহৰেৰে উদ্ভাসিত হৈছিল।

ooo

(বি.দ্ৰ. - কাহিনীৰ চৰিত্ৰ সমূহ মোৰ একান্ত সতীৰ্থ হ'লেও উপন্যাসিক খাতিৰতেই কল্পনাৰ ৰহন তাত সম্পূৰ্ণকৈ সনা হ'ল)

(বি.দ্র. - কাহিনীৰ চৰিত্ৰ সমুহ
মোৰ একান্ত সতীৰ্থ হ'লেও উপন্যাসিক
খাতিৰতেই কল্পনাৰ ৰহন তাত
সম্পূৰ্ণকৈ সনা হ'ল)

# ৰোমন্থন (এজাক স্মৃতিৰ বুকুত এক অনুভৱ)

শ্ৰীমতী নিহাৰীকা শইকীয়া
স্নাতক প্ৰথম বাৰ্ষিক (বিজ্ঞান)
উদ্ভিদ বিদ্যা বিভাগ।

কেতিয়াবা এনে লাগে যেন মনৰ মাজত অতি সযতনে সাঁচি ৰখা তাইৰ সুন্দৰ ছবিখন ধুসৰিত হ'ব ধৰিছে। অথচ কলেজৰ বন্ধু-বান্ধৱীবোৰৰ লগত হাঁহি ধেমালি কৰি থকাৰ সময়ত নাইবা দৈনন্দিন জীৱনৰ যিকোনো ব্যস্ততাৰ মাজতো তাইৰ অনুপস্থিতি মোৰ সদায়েই অনুভৱ হয়। তাই আমাৰ মাজৰ পৰা গুচি যোৱাৰ দিন ধৰি আজি এই সুদীৰ্ঘ দুবছৰে মই কেতিয়াবা তাইৰ সান্নিধ্যত কটোৱা Salt Brook Academy ৰ সেই দুৰ্লভ ১/২ টা বছৰৰ কথা মনত পেলাই হয়তো কান্দি উঠিছো অথবা মৃত্যুৰ মাত্ৰ দুসপ্তাহৰ আগতে বন্ধুত্বৰ চিনস্বৰূপে মোক দিয়া তাইৰ ফটোখন আৰু 'অটগ্ৰাফ' বুক'খন চাই মধুৰ অতীতলৈ উভটি গৈছো মই জানো, তাই কেতিয়াও মোৰ ওচৰলৈ আকৌ উভটি নাহে, তথাপি মই আশা কৰো তাইৰ ৰূপলৈ আন কোনোবা আহি যেন মোৰ কাষত ধৰা দিয়ে।

কি যে অভিশপ্ত আছিল সেই দিনটো, যিদিনা মই কলেজলৈ গৈ শুনিছিলোঁ মোৰ অন্তৰঙ্গ বান্ধৱী সঙ্গীতা অগ্নিদগ্ধ হোৱাৰ খবৰটো। নাজানো কিয়, যদিও মই ভগৱানৰ ওচৰত বাৰম্বাৰ তাইৰ কোনো অঘটন নঘটিবলৈ হাতযোৰ কৰি প্ৰাৰ্থনা কৰিছিলো। তথাপি দেখোন মোৰ চকুপানীবোৰে কোনো বাধা নামানি অহৰহ বৈ আহিব ধৰিছিল। চাৰি বজাত কলেজ ছুটী হোৱাৰ লগে লগে কলেজৰ ওচৰৰ V. G. Hospital ৰ গীৰ্জাঘৰটোলৈ গৈ অহৰহ প্ৰাৰ্থণা কৰিছিলোঁ। তাইক সুস্থ অৱস্থাত পুনৰ দেখা পোৱাৰ প্ৰাৰ্থণা কৰিছিলোঁ। তাইক সুস্থ অৱস্থাত পুনৰ দেখা পোৱাৰ মানসেৰে, চকুৰে দেখা প্ৰায় সকলোবোৰ মন্দিৰ, মছজিদ, গীৰ্জাত তাইৰ বাবে প্ৰাৰ্থনা কৰিও মই ভাগৰি পৰা নাছিলো। কলেজত আমাক অসমীয়া পঢ়ুওৱা জুমি বাইদেৱে সান্তনা দিছিল যে সঙ্গীতা অতি সোনকালেই সুস্থ হৈ উঠিব। মইও এই আশা বুকুত বান্ধিয়েই ঘৰৰ ওচৰৰ নামঘৰটোত এগছি চাকি জ্বলাইছিলো । কিন্তু.. ভগৱান বাৰু সচাঁকৈ নাই নেকি ?

সঙ্গীতাৰ দুৰ্ঘটনাটো ঘটাৰ এসপ্তাহ পিছৰ এটা দিন, দিনটো আছিল ১৯৯৮ চনৰ নৱেম্বৰ মাহৰ ১৬ তাৰিখ সোমবাৰ, কেমেষ্ট্ৰি টিউচন কৰিবৰ বাবে সেইদিনা মই যথেষ্ট পলমকৈ অৰ্থাৎ প্ৰায় আঠ মান বজাত মুকুল শৰ্ম্মা ছাৰৰ ঘৰত গৈ উপস্থিত হৈছিলো, মই ছাৰে পঢ়ওৱা কোঠাটোলৈ সোমাই যাওঁতে ছাৰ কোঠাটোত নাছিল যদিও মোক দেখাৰ লগে লগে কোঠাটোলৈ যেন এক অদ্ভুত নিৰ্জনতা নামি আহিছিল। আনদিনা সকলোৱে মোক হাঁহি-মাতি সম্ভাষণ জনোৱাৰ পৰিৱৰ্তে সেইদিনা মোৰ বান্ধৱীবোৰৰ মুখত কিবা এটা শোকৰ ছাঁ পৰি থকাৰ উপৰিও সেই শোকক ঢাকিবলৈ চেষ্টা কৰি মৰা বৃথা হাঁহিহে দেখিবলৈ পাইছিলো আৰু বান্ধবী পলীক সুধিছিলো,- কি হ'লনো পলী ? ইমান ঠাণ্ডা হৈ আছ যে ? তাই লাহেকৈ একো নাই হোৱা বুলি কৈ সেমেকা হাঁহি এটা মাৰিছিল। ঠিক সেই মুহূৰ্ত্ততেই ছাৰ ভিতৰৰ পৰা ওলাই আহি মোৰ ফালে এপলক চাই কৈছিল, অ' তাৰমানে তই খবৰটো নাপাৱ ? এক অজান আশংকাত মোৰ বুকুখন কঁপিব ধৰিছিল, কেনেধৰণৰ খবৰৰ কথা ছাৰে সুধিছে বাৰু ? আৰু ,আৰু ঠিক সেই মুহুৰ্ত্ততেই ছাৰে মৃত্যুদণ্ডৰ আদেশ শুনোৱাৰ দৰে মোৰ আগত সদৰি কৰিছিল। সেই নিষ্ঠুৰ সত্যটি - যোৱাৰাতি হেনো সঙ্গীতা ঢুকাল। নাই, প্ৰথমে মোৰ মগজুত একোকেই সোমোৱা নাছিল। কিন্তু যেতিয়া 'সঙ্গীতা ঢুকাল' শব্দকেইটিয়ে বাৰম্বাৰ মোৰ কৰ্ণ-কুহৰত আঘাত হানিছিল, তেতিয়া মোৰ হাতত থকা কলমটো মাটিত সৰি পৰিছিল আৰু মই ? মই কান্দোনত ভাগি পৰিছিলো। কান্দি কান্দিয়েই মই প্ৰায় উন্মাদৰ দৰে মোৰ বেগত যিকোনো সময়তে কঢ়িয়াই লৈ ফুৰা, মোক লিখিবলৈ দিয়া তাইৰ 'অটগ্ৰাফ' বুক'খনৰ পিছফালে তাই নিজহাতে লিখি থোৱা কথাখিনি সকলোকে পঢ়ি শুনাইছেলো -

*'If your heart burns and your wild eyes search for me and I have gone away far above. You will see the twinkling stars and there I will always be.........'*

ছাৰে কথাখিনি কৈছিল যে এনে লাগে যেন তাইৰ মৃত্যুৰ কথা তাই আগতেই জানিছিল।

কান্দি কান্দি এটা সময়ত মই ভাগৰি পৰিছিলো আৰু অনুভৱ কৰিছিলো দিনে-ৰাতিয়ে তাইৰ চিন্তাতেই নাখায় নবৈ দূৰ্বল হৈ পৰা শৰীৰটোৱে যে আৰু বেছি দুখ-কষ্ট সহ্য কৰিব নোৱাৰে। ক'ব নোৱাৰাকৈয়ে কান্দোনৰ মাজতে মোৰ মুখৰপৰা ওলাই গৈছিল "ছাৰ মোৰ মূৰটো ঘূৰাইছে।" ছাৰে ততাতৈয়াকৈ এগিলাছ পানী আনি দিছিলহি। পানী গিলাছ পলীয়ে মোক খুৱাই দিবলগীয়া হৈছিল। বান্ধৱী শোভাই ছাৰৰ উপদেশমতে বহু কষ্ট কৰি বুজাই-বঢ়াই মোক ঘৰলৈ ওভোতাই আনিছিল। আমি ঘৰৰ পৰা সঙ্গীতাহঁতৰ ঘৰলৈ গৈছিলো যদিও তেতিয়ালৈ বহুত পলম হৈ গৈছিল। আমাৰ লগৰ মহা (মহানন্দ), দেৱজিত, ফিৰোজহঁতে হেনো তাইক বিশাল ব্ৰহ্মপুত্ৰ নদীৰ পাৰত সৎকাৰ কৰিবলৈ লৈ গৈছিল।

সঙ্গীতাহঁতৰ ড্ৰইং ৰুমৰ এখন চকীত মোৰ দুৰ্বল শৰীৰটো এৰি দিছিলো। মাজে মাজে বুকুখনত এক তীব্ৰ বিষ অনুভৱ

কৰিছিলো। আন্টি অথাৎ সঙ্গীতাৰ মাকে তেতিয়াও সংজ্ঞা ঘূৰাই পোৱা নাছিল। মোৰ অৱস্থাটো অলপ বেয়াৰ ফালে ঢাল খোৱাৰ বাবে আন্টিৰ সহকৰ্মী কেইগৰাকীমানৰ পৰামৰ্শ মতে সঙ্গীতাৰ সম্পৰ্কীয় বায়েক এগৰাকীৰ সহায়ত মোৰ ভণ্টী আৰু বান্ধৱী শোভাই মোক ভিতৰৰ বিছনা এখনত শুৱাই দি অলপ গৰম পানী মোৰ মুখত বাকি দিছিল। মোৰ কাষৰ বিছনাখনত শুই থকা সঙ্গীতাৰ ভনীয়েক দুজনীয়ে তাহাঁতৰ 'মামু বা'ক বিচাৰি চিঞৰি চিঞৰি কন্দাৰ হৃদয় বিদাৰক দৃশ্যই মোৰ অৱস্থা আৰু বেছি বেয়া কৰি তুলিছিল। মই অলপ সুস্থ হোৱাৰ পাছত মোৰ অৱস্থাটো উপলব্ধি কৰিব পাৰিয়েই হয়তো সঙ্গীতাৰ জেঠায়েক আৰু আন কেইজনমান মানুহে লগ-লাগি এখন গাড়ীত শোভা আৰু মোৰ ভণ্টীৰ লগত মোক ভালদৰে বুজাই-বঢ়াই ঘৰলৈ পঠাই দিছিল। তাৰপিছত প্ৰায় বিশদিন মই কলেজলৈ যোৱা নাছিলো। আচলতে সঙ্গীতাবিহীন এখন জগতলৈ যাব পৰাৰ মানসিকতা মই গঢ়ি তুলিব পৰা নাছিলো। সেইকেইদিন মই মাত্ৰ এই কথাটোৱেই চিন্তা কৰিছিলো যে ভগৱান বাৰু সচাঁকৈয়েই নাই নেকি ? এসপ্তাহতকৈও অধিক সময় 'সৃষ্টি নাৰ্ছিং হোম' ৰ ১৩ নং কেবিনৰ বিচনাত পৰি মৃত্যুৰ সতে যুঁজি থকা সাহসী সঙ্গীতাজনীক কিয় বাৰু ভগৱানে বচাব নোৱাৰিলে। আমি দিনে-ৰাতিয়ে ভগৱানক কৰা কাতৰ প্ৰাৰ্থনাই ও কিয় বাৰু তাইক জীৱন দান দিব নোৱাৰিলে। আমাৰ মাজৰ মৰম-চেনেহৰ বান্ধোন বাৰু ইমানেই শিথিল আছিল নে যে তাই অনায়াসে সেই বান্ধোন ছিঙি এক অজান দেশলৈ গুছি গ'ল.......

সঙ্গীতাক মই জীৱনত আৰু কোনোদিনেই দেখা নাপাওঁ- এই নিষ্ঠুৰ সত্যটিক মোৰ মনটোৱে দেখোন স্বীকাৰ কৰি ল'ব নোখোজে, সেই বগৰীৰ গছত উঠি বগৰী খোৱা, যেতিয়াই তেতিয়াই অ'ত-ত'ত পৰি দুখ পোৱা সেই মহাদুষ্ট ছোৱালীজনীক যে মই আৰু কাহানিও ওচৰত নাপাম সেই কথা মোৰ কল্পনাৰো অতীত আছিল তাইক কাষত বহুৱাই লৈ মোক "X-Files" ৰ 'Episode' বোৰৰ বৰ্ণনা দিয়া নাইবা 'কেমেষ্ট্ৰি'ৰ 'log' লগ লগা অঙ্কবোৰ "Tiffin Time" কৰিবলৈ দি মোক আমনি কৰি ভালপোৱা মোৰ আটাইতকৈ মৰমৰ বান্ধৱীজনীয়ে মোক এৰি থৈ গুছি যাব পাৰে - এই কথা মই বিশ্বাস কৰিব নোৱাৰো, জীৱনৰ যিকোনো মুহূৰ্ত্তত ইজনীয়ে সিজনীক এৰি নাথাকে বুলি কৰা প্ৰতিজ্ঞা তাই ভঙ্গ কৰিছিল, আনকি মোক মাত এষাৰ নিদিয়াকৈয়েই মহা, দেৱজিতহঁতৰ কান্ধত উঠি এই পৃথিৱীৰ মায়া-মোহ এৰি তাই কৰবালৈ গুছি গৈছিল।

কোনো এজন কবিৰ মতে মৃত্যুও হেনো এক শিল্প, অথচ মৃত্যু নামৰ এই তথাকথিত শিল্পয়েই সঙ্গীতাক আমাৰ ওচৰৰ পৰা আঁতৰাই লৈ গ'ল, তথাপিও কিন্তু পৃথিৱীখনৰ কোনো পৰিৱৰ্তন ন'হল, সঙ্গীতাবিহীন এখন পৃথিৱীত্ কেনেকৈ জীয়াই থাকিম বুলি ভবা মই আজিও আগৰদৰেই দেখোন জীয়াই আছো, হাঁহি-ধেমালি কৰিছো, গান-গাইছো, নাচিছো, মনৰ এক গোপন কোণত তাইৰ ছবিখন সাঁচি ৰখাৰ সলনি মইতো আৰু একো কৰিব পৰা নাই। নিজৰ আটাইতকৈ আপোনজনক হেৰুৱাইও মানুহ জীয়াই থাকিবলগীয়া হয়। অতি স্বাৰ্থপৰৰদৰে সুখ-দুখ, হাঁহি-কান্দোনৰ মাজেৰে, ময়োতো তাৰ ব্যতিক্ৰম নহওঁ। তাৰমানে কি মইও স্বাৰ্থপৰ? হয়তো পৃথিৱীখনেই এনেকুৱা........।

সঙ্গীতাৰ মৃত্যুৰ দৰে নিষ্ঠুৰ সত্যক মানি লৈ আজিও মই মাত্ৰ তাইৰ কথামতেই আকাশৰ চিক্‌মিকাই থকা উজ্বল তৰাবোৰৰ মাজত তাইক বিচাৰিবলৈ অপ্ৰাণ চেষ্টা কৰোঁ। মনত এতিয়াও এটি ক্ষীণ আশা আছে হয়তো মোৰ মৰমী বান্ধৱী সঙ্গীতাৰ স্নিগ্ধ, কোমল, হাঁহিভৰা মুখখনি দেখিবলৈ পাম....।

**(অকালতে আমাৰ পৰা হেৰাই যোৱা মোৰ আটাইতকৈ অন্তৰঙ্গ বান্ধৱী 'সঙ্গীতা'ৰ স্মৃতিত)**



# লহৰ

সুৰোজ সোনোৱাল।
স্নাতক দ্বিতীয় বৰ্ষ
কলা শাখা (ইংৰাজী বিভাগ)



চন্দ্ৰাই লাহেকৈ খিড়িকীখন খুলি দিলে। ৰাতিপুৱাৰ নিৰ্মল বতাহজাক সোমাই আহিল, ফুলৰ সুবাস কিছুমান বুটলি আনি চন্দ্ৰাই নাকৰ ওচৰত মেলি দিলে। তাই দীঘলকৈ এটা উশাহ ল'লে, যেন গোন্ধটো শৰীৰৰ গোটেই সিৰাই উপসিৰাইদি বোৱাই পঠিয়াব। তথাপিও তাই কোনো শিহৰণ অনুভৱ নকৰিলে। এঙামুৰি এটা দি তাই সমুখলৈ চাই পঠিয়ালে, - আগফালৰ চোতালখন নানা ফুলেৰে সুশোভিত হৈ আছে, ইটাৰ বেৰখন সামান্য ধূসৰ হৈ পৰিছে আৰু নানা লতিকাই ইয়াত ছানি ধৰিছে। তাৰ মাজতে এখন নামফলক জিলিকি উঠিছে ঃ ''ROBIN'S HOTEL'' চন্দ্ৰাই মনত পেলালে ৰবিনে ফুল খুব ভাল পাইছিল। এই ফুলি থকা ফুলৰ গছবোৰ অ'ৰ ত'ৰ পৰা আনি সযতনে ৰুইছিল। এতিয়া ৰবিন নহ'লেও ফুলবোৰে যেন বতাহত হালি জালি ৰবিনৰ কথাকেই পাতি আছে।

চন্দ্ৰাই প্ৰত্যেক ৰাতিপুৱাই ফুলবোৰৰ লগত এক আত্মীয়তা বুকুত স্থাপন কৰি লৈহে আন কামলৈ আগবাঢ়ে। আন কাম মানে সাধাৰণতে হোটেলৰ কোঠাবোৰ সৰা-মচা কৰা, বস্তুবোৰ ইফাল সিফাল কৰি দিয়া আৰু আচবাৰ পত্ৰৰ ওপৰত পৰা ধুলিবোৰ কাপোৰেৰে কোবাই দিয়া। সিমানেই তাৰ মাজতে তাই বেৰত আঁৰি থোৱা ৰবিনৰ ফটোখন এপলক চাই লয়। কিন্তু চকুলো ভৰি আহিব খোজা পৰতেই তাৰ পৰা আঁতৰি আহি বেলেগ এটা কামত খপজপকৈ ধৰেহি। ৰবিনৰ ফটোখনে তাইক বাৰে বাৰে অতীতলৈ টানি নিব খোজে ঃ ৰবিন মিলিটাৰী অফিচাৰ আছিল, কামৰ খাতিৰত ভূ -ভাৰতত ঘূৰি ফুৰিবলগীয়া হৈছিল। ৰবিনে চন্দ্ৰাক অকলশৰীয়া অনুভৱ কৰিব বুলি ভাবিয়েই হোটেলখন খুলি দিছিল, যাতে মানুহৰ লগত মনতো ভাল লাগি থাকে।

এদিন খবৰ আহিছিল সীমান্তৰ যুদ্ধত ৰবিনৰ মৃত্যু হৈছে। ৰবিনৰ মৃত্যু পিছত অকলশৰীয়াকৈ বাকীছোৱা জীৱন কটাই দিয়াৰ সিদ্ধান্ত লোৱা চন্দ্ৰাক লাহে লাহে গতানুগতিকতাই গিলি পেলাইছিল। হোটেলখনো চহৰৰ পৰা আঁতৰত হোৱা বাবে মানুহ-দুনুহ নাহিছিল বুলিয়েই ক'ব পাৰি। দিনবোৰ ৰংবিহীন ভাবে পাৰ হৈ গৈছিল।

এদিন মুষলধাৰে দিয়া বৰষুণৰ নিশা তাই বিচনাত অকলশৰে পৰি আছিল। বিচনাত তেনেদৰে বৰষুণৰ শব্দৰ লগত একান্ত হৈ পৰি থাকি একধৰণৰ মাদকতা লাভ কৰিছিল - লগতে কিছু স্মৃতিসুখ, কিছু আমেজ। এনে বতৰতেই যেন দেহ-মনে কিবা দাবী কৰে , দেহত বাজি থকা এক ধৰণৰ ক্ষুধাই চিঞৰি উঠে।

'টক, টক, টক'। দুৱাৰত কাৰোবাৰ আঘাত। তাই হাৰিকেন লেম্পটো বঢ়াই দিলে, কোন হ'ব পাৰে ইমান ৰাতি এই প্ৰচণ্ড বৰষুণত। সচকিত হৈ তাই লেম্পটো ধৰি দুৱাৰৰ ফালে আগবাঢ়ি আহিল। দুৱাৰত থকা ফুটাটোৰেদি তাই জুমি চালে- দুটা প্ৰাণীৰ ক'লা অৱয়ব।

আগন্তুকে কৈ উঠিল ঃ 'দুৱাৰখন খুলি দিয়ক, আমি আপোনাৰ কোনো শত্ৰু নহয় - আশ্ৰয় বিচাৰিহে আহিছোঁ, খুলি দিয়ক'। চন্দ্ৰাই দুৱাৰৰ খিলিটো তল'লৈ টালি দিলে। এজাক চেচাঁ বতাহৰ সৈতে অৱয়ব দুটা সোমাই আহিল। চন্দ্ৰাই সন্মুখলৈ লেম্পটো ধৰি অৱয়ব দুটা চাবলৈ চেষ্টা কৰিলে - এজন পুৰুষ আৰু এগৰাকী নাৰী। নাৰীগৰাকীয়ে এটা ক'লা টুপি পিন্ধি আছিল, হয়তো টুপিটো পুৰুষজনৰ। বৰষুণৰ পানীবোৰ গাৰ পৰা বাগৰি আহি মজিয়াত পৰছিলহি।

চন্দ্ৰাই কিবা কোৱাৰ আগতেই পুৰুষজনে ক'লে 'আমাক কোঠা এটা দেখুৱাই দিয়ক।' তাই দেৰি নকৰি লেম্পটো লৈ আগে আগে গ'ল আৰু তেওঁলোক পিছে পিছে।


গভীৰ ৰাতি। চন্দ্ৰাই দুচকুত টোপনি নাই। ৰবীনৰ ডায়েৰীখন তাই এনেয়ে মেলি আছিল। দুচকুত ভাঁহি উঠিছিল যুগ্ম জীৱনৰ টুকুৰা ছবিবোৰ, যাৰ শিহৰণ আজিও মাৰ যোৱা নাই। তাই হঠাতে এটা অভিনৱ ইচ্ছা জাগিল ঃ অলপ আগতে অহা মানুহ দুটাইনো সিটো কোঠাত কি কৰি আছে ? তাই সৰ্ন্তপনে কোঠাটোৰ পিনে অগ্ৰসৰ হ'ল। দুৱাৰৰ ফুটাটোত চকু এটা স্থাপন কৰিলে।....

ৰাতিপুৱা চন্দ্ৰাই সোনকালে উঠি খিড়িকীখনৰ কাষত আলহীৰ বাবে আটা মঠি আছিল। খিড়িকীখনৰ সিটো পাৰে এটা দীঘলীয়া ৰাস্তা একাবেকাঁকৈ বৈ গৈছে। খিড়িকীখনৰ ভিতৰলৈ কিছু লতাই মূৰ সুমুৱাই যেন প্ৰৱেশ কৰিব বিচাৰিছে। চন্দ্ৰাই ইচ্ছা কৰিয়েই এটা পাতল আৱৰণৰ চোলা পিন্ধি আছিল, অন্তৰ্বাসবোৰ স্বচ্ছ হৈ জিলিকি উঠিছিল। খোপাৰ পৰা টোপ-টোপকৈ পানী গাত পৰিছিল আৰু এক সদ্যস্নাতা গাভৰুৰ গোন্ধত চাৰিওফালে বিয়পি আছিল।

--পিছফালৰ পৰা আগবাঢ়ি অহা খোজৰ শব্দ শুনি চন্দ্ৰাৰ বুকুৰ ঢপঢপনি অজানিতে বাঢ়ি যাব ধৰিলে, সৰু নোমবোৰ থিয় থিয় হৈ গ'ল। পিছফালৰ পৰা হাত এখন আহি তাইৰ কান্ধৰ ওপৰত ৰ'ল। তাই চকু দুটা মুদি দিলে। ফুলনিৰ পৰা মোৰ চয়নিকাৰ বাবে ফুল এপাহ আনিবলৈ গৈছিলোঁ। ভাবিলোঁ, আপোনাকো এপাহ দি যাওঁ। বেয়া হ'ব নেকি ? পুৰুষজনৰ কন্ঠ ভাঁহি উঠিল। চন্দ্ৰাই ঘূৰি চালে, কিন্তু হাতখন আগবঢ়াই দিব নোৱাৰিলে। তাই চলচলীয়া চকুযুৰিয়ে কেৱল চাই ৰ'ল সিযুৰি চকুলৈ। এক আকুল, আদিম আহবান ভাঁহি উঠিল চন্দ্ৰাৰ দুচকুত। এই আহবান যেন যুগ যুগৰ, কলিজা কাটি আনিব খোজা যৌৱনৰ নিৰ্বাক ভাষা আৰু শিহৰণ। খিড়িকীৰ সিটো পাৰে এজাক প্ৰচণ্ড বতাহে ফুলবোৰক হাউলাই লৈ গ'ল, যেন উত্ৰাৱল হৈ ফুলবোৰে আলিঙ্গনত লিপ্ত হৈছে।

বিদায় ক্ষণ আহিল। মানুহহাল হাতত হাত ধৰি একাবেঁকাকৈ বৈ যোৱা ৰাস্তাটোত বিলীন হৈ গ'ল। চন্দ্ৰাই এই সুন্দৰ ৰাতিপুৱাত খিড়িকীখন বন্ধ কৰি দিলে। ০০০

(গল্প)



# হৃদয় বোধক

শ্ৰীমতী জুনমণি হাজৰিকা
স্নাতক ২য় বৰ্ষ (অসমীয়া বিভাগ)
২০০০-২০০১

বাছৰপৰা নামি বাওঁহাতৰ ৰাস্তাটোৰেদি অলপ আহিয়েই আকাশে তাৰ গাওঁখনৰ ৰাস্তাটোত ভৰি দিলে। ৰাস্তাটোৰ সোঁকাষে এখন কবৰস্থান। বাওঁফালে শাওনৰ সেউজীয়া শস্যৰে ভৰা এখন পথাৰ। এছাতি পাতল বতাহ পথাৰৰ মাজেদি আহি তাৰ গাৰ ওপৰেদি বৈ গ'ল। সি খোজকেইটা অলপ বেগাই দিলে। পথাৰখন আৰু কবৰস্থানখন পাৰ হৈ কেইটামান ঘৰ পাৰ হৈয়েই সিহঁতৰ চুবুৰীটো। সিহঁতৰ ঘৰৰ আগতও এখন বহল পথাৰ । বৈ থকা বতাহজাকৰ পৰা এটা ফুৰফুৰীয়া গোন্ধ তাৰ নাকত লাগিলহি। সেয়া আকাশৰ বৰমাকহঁতৰ পথাৰৰ পৰা অহা পকা আহু ধানৰ গোন্ধ। সি আহি সিহঁতৰ নঙলাকেইডাল খুলি ভিতৰলৈ সোমাই গ'ল। খুব নিস্তব্ধ হৈ আছে ঘৰখন। সি যে প্ৰায়ে চাৰিমাহৰ মুৰত ঘৰলৈ আহিছে সেইবাবেই হয়তো ঘৰখন বেছি নিজান লাগিল তাৰ। 'মা' বুলি মাতি দুৱাৰখন খুলি সি ভিতৰলৈ সোমাই গ'ল।

ঃ 'অ' দাদা আহিলি, দীপু তাৰ ৰুমৰপৰা দৌৰি ওলাই আহিল।

ঃ মা নাই নেকি ?

ঃ আছে, টিউবেলত নেকি।

ইতিমধ্যে মাক চাদৰৰ আচলেৰে হাত মচি মচি ওলাই আহিছিল

ঃ অক্কু আহিলি। ভাল তোৰ ? মাকৰ মুখখন উজ্বলি উঠিল।

ঃ অ' ভালেই। তোমালোকৰ ? আকাশে মাকলৈ চাই সুধিলে

ঃ ভালেই, যা হাত মুখ ধুই লগৈ।

আকাশে তাৰ ৰুমলৈ সোমাই বেগটো বিচনাৰ ওপৰতে থ'লে। জোতাযোৰ খুলি, কাপোৰকেইটা সলাই সি মুখ হাত ধুবলৈ গ'ল। চেচাঁ পানীখিনিৰ কোমল পৰশে তাৰ মনটো কিছু ফৰকাল কৰিলে। সি আহি মাজৰ ৰুমটোত দীপুৰ ওচৰতে বহিল।

ঃ পঢ়া কেনেকুৱা হৈছে তোৰ ? সি দীপুলৈ চাই সুধিলে।

ঃ ভালেই। দীপুৱে এইবাৰ বি. এ. পাৰ্ট ওৱানৰ পৰীক্ষা দিব। অলপ পাছতে মাকে চাহ বিস্কুট লৈ আকাশৰ ওচৰতে বহিলহি। আকাশক সুধিলে ঃ প্ৰশান্তৰ চিঠি পালি ?

ঃ অ' পালো। যোৱা সপ্তাহতে পালো। চাহকাপ সোহা এটা মাৰি আকাশে ক'লে।

ঃ কিয়, তই অলপ সোনকালে আহিব নোৱাৰিলি ? প্ৰশান্তহঁতে বাৰু তোক কি বুলি ভাবিব ? পৰহিলৈয়ে বিয়া। ৰভাও দি শেষ হ'ল। এই সময়তহে বন্ধুৰ প্ৰয়োজন মানুহক !

ঃ মা, চিঠি পোৱাৰ পাছদিনাই কৰিমগঞ্জলৈ যাব লগা হ'ল। ৰিপৰ্টৰ কামত। তাত যে ট্ৰেইনত বোমা-বিস্ফোৰণ হৈছিল। তাত দুদিন থাকিব লগা হ'ল। তাৰ পৰা আহি চুটি বিচাৰোঁ যদিও নাপালোঁ। আমাৰ দুজন ষ্টাফ ৰিপৰ্টাৰে চুটি লৈ আছে। সম্পাদকক কৈ মেলি মনাই আজি কোনোমতে আহিছোঁ। কথাকেইটা কওঁতে আকাশে অনুভৱ কৰিলে তাৰ মাতটো সামান্য কঁপিছে। মাকক সি এই প্ৰথমবাৰৰ বাবে মিছা মাতিলে। মাককে নহয়, পৰাপক্ষত সি কাকো মিছা নকয়।

ঃ এতিয়া নহ'লে সিহতঁৰ ঘৰৰ পৰাই এপাক আহগৈ। মাকে তালৈ চাই ক'লে।

ঃ একেবাৰে কাইলৈ ৰাতিপুৱাই যাম দিয়া। এতিয়া দেখোন ভাগৰেই লাগিছে। সি অলপ ভাগৰোৱাভাৱে ক'লে কথাকেইটা। মাকে এক মুহূৰ্ত্তত কিবা এটা ভাবিলে, কিন্তু একো নকলে কাপ-প্লেট কেইটা লৈ মাক ভিতৰলৈ সোমাই গ'ল। আকাশো পদুলিলৈ ওলাই আহিল। এন্ধাৰ গাঢ় হৈ আহিছে। সি নঙলা এডালতে বহি ল'লে। পথাৰখনৰ সিমূৰৰ ৰাষ্ট্ৰীয় ঘাই পথটোৰপৰা দুই-এখন ট্ৰাকৰ প্ৰচন্দ ঘৰ্ঘৰ শব্দ তাৰ কাণত পৰিলেহি। ওচৰৰ ৰাজুখুড়াহঁতৰ ঘৰৰ পৰা মৃদু সংগীতৰ সুৰ ভাঁহি আহিছে। আকাশে নিজকে খুব নিসংগ অনুভৱ কৰিলে। চৌপাশে থকা তাৰ আত্মীয় বন্ধু-বান্ধৱ সকলৰ মাজতো সি যেন খুব অকলশৰীয়া। তাৰ অনুভৱ হয় তাৰ অস্তিত্ব যেন অদূৰৰ এক নীলিম দিগন্তত বিলীন হৈ যাব ধৰিছে। মাকে তাক প্ৰশান্তহঁতৰ ঘৰৰ পৰা এপাক আহিবলৈ কৈছিল। সি কিয় নাযাওঁ বুলি ক'লে বাৰু ? অথচ্ আগতেতো সি আহিয়ে চাহ খাই প্ৰশান্তৰ ওচৰলৈ গুছি গৈছিল। প্ৰশান্ত তাৰ বন্ধু। তাৰ সুখ-দুখৰ হাঁহি-কান্দোনৰ লগৰীয়া প্ৰশান্ত দৰা-কইনা খেলাৰপৰা ইউনিভাছিটিত পঢ়ালৈকে সি আৰু প্ৰশান্ত একেলগে খেলিছিল, সাঁতুৰিছিল, গছত উঠিছিল, স্কুললৈ গৈছিল। একেখন কলেজৰ পৰাই বি. এ. পাছ কৰাৰ পাছত

ইউনিভাৰ্ছিটিতো দুয়োটাই একেলগে পঢ়িছিল। মাথো সিহঁতৰ পঢ়াৰ বিষয়কেইটা বেলেগ আছিল। প্ৰশান্তই অৰ্থনীতি বিজ্ঞানত আৰু আকাশে পঢ়িছিল, অসমীয়াত। তাৰ সৰুৰে পৰাই সাহিত্যৰ প্ৰতি ৰাপ আছিল। কবিতা ভাল পাইছিল খুব। হাইস্কুলৰপৰাই সি দুই-এটাকৈ কবিতা লিখিবলৈ আৰম্ভ কৰিছিল । সেইবাবে সি অসমীয়া বিষয়টো বাছি লৈছিল । ইউনিভাৰ্ছিটিত পঢ়িছিল যদিও তাৰ কিন্তু এম. এ পঢ়া সম্পূৰ্ণ হোৱা নাছিল । সেইবাৰ সিহঁত এম. এ. ৰ প্ৰাৰম্ভিক পৰীক্ষা দিছিল। পৰীক্ষাৰ শেষৰ দিনা পৰীক্ষা দি আহি সিহঁতে বিচনাত বাগৰ দিছেই ঠিক তেতিয়াই সিহঁতৰ ভাড়াঘৰৰ মালিকে সিহঁতক খবৰ দিছিল, সিহঁতক ঘৰলৈ মাতিছে, আকাশৰ দেউতাক ৰ চিৰিয়াছ । যেতিয়া সিহঁত ঘৰ পাইছিলহি তেতিয়ালৈকে দেউতাক বৈ থকা নাছিল । আচলতে লগে লগেই নোহোৱা কৰি দিছিল তাৰ দেউতাকৰ হৃদস্পন্দন। দুজনমান যুবকে এজন ব্যৱসায়ীলৈ লক্ষ্য কৰি মৰা গুলি লক্ষ্যভ্ৰষ্ট হৈ এখন দোকানত বাতৰিকাকত চাই থকা অৱস্থাত আকাশৰ দেউতাকৰ গাত লাগিছিল। লগে লগেই মৃত্যু হৈছিল তেওঁৰ। দেউতাকৰ এই আকস্মিক মৃত্যুত আকাশ বলিয়াৰ দৰে হৈ পৰিছিল। কিন্তু কি কৰিব সি। তাৰ ভাৱ হৈছিল সি এটা বন্দুক পোৱাহেতেঁন সি যেন এফালৰ পৰা সেই দুস্কৃতিকাৰী হত্যাকাৰীসকলক ধ্বংস কৰি পেলাব। দেউতাকৰ মৃত্যুৰ পাছত তাৰ ওপৰতে ঘৰখনৰ ভাৰ পৰিল। দেউতাকে বিদ্যুৎ বিভাগত কৰা সৰু চাকৰিটোৰেই সিহঁতৰ ঘৰখন চলি আছিল। আকাশে এটা চাকৰি বিচাৰি ঘূৰি ফুৰিবলৈ ধৰিলে। সিহঁতৰ অঞ্চলৰ স্কুলৰ খালী থকা পদবোৰৰ বাবে দৰ্খাস্ত কৰিলে। কিন্তু সি ক'তো সুবিধা কৰিব পৰা নাছিল। সি দেখিছিল চাকৰিৰ বজাৰত মাথো টকাৰহে বিনিময়, যোগ্যতাৰ নহয়। তাৰ মনটোৱে বিদ্ৰোহ কৰি উঠিছিল, সি এই হত্যা, হিংসা, দুৰ্নীতিৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰিব। কিন্তু হত্যা আৰু হিংসাৰে নহয়, সি জেহাদ ঘোষণা কৰিব কলমেৰে। সি গোস্বামীদালৈ ফোন কৰিছিল। এখন বাতৰি কাকতৰ সহঃসম্পাদক তেওঁ। গোস্বামীদাৰ লগত তাৰ চিঠি আৰু ফোনেৰে চাকৰিটো পাইছিল। ষ্টাফ ৰিপৰ্টাৰ। সি বি. এ. পঢ়ি থাকোতেই ডাকযোগে সংবাদিকতা পাছ কৰি থৈছিল। সি গুৱাহাটীলৈ গুচি গৈছিল। সি কম দিনৰ ভিতৰতে এজন ভাল সাংবাদিক হৈ পৰিছিল। তাক গুৱাহাটীত থবলৈ প্ৰশান্ত গৈছিল। সি দুদিন থাকি গুচি আহিছিল। দুবছৰৰ আগতে এম. এ. পাছ কৰি এখন কলেজত সোমাল। সেই প্ৰশান্তৰ পৰাই সি সেইদিনা এখন চিঠি পাইছিল। গীতাৰ বিয়া। তাক যিমান সোনকালে পাৰে মাতিছে। গীতা প্ৰশান্তৰ ভনীয়েক। এইবাৰ বি. এ. ফাইনেল দিছে। সিতো প্ৰশান্তৰ চিঠি পোৱাৰ দুই-তিনিদিনৰ পাছতেই আহিব পাৰেলেহেতেঁন। কৰিমগঞ্জত ট্ৰেইনত বোমা বিস্ফোৰণ হৈছিল সচাঁ কিন্তু সিতো তালৈ যোৱা নাছিল। প্ৰতিটো বিপদৰ বাবেও সি এখন কামৰ সহায় কৰি দিব নোৱাৰিলেহি কিয় ? একমাত্ৰ ভনীয়েকক উলিয়াই দিবলৈ আয়োজন কৰা এই বেদনাময় সময়খিনিত প্ৰশান্তই চাগে মাথোন তাৰেই উপস্থিতি কামনা কৰিছিল। সি কিজানি প্ৰশান্ত, মাক, দেউতাক, গীতাৰ চকুত খুব স্বাৰ্থপৰ হৈ পৰিল। কিন্তু সি সিহঁতক কিদৰে বুজাব যে সি তাৰ মাক ভায়েকক যিমান ভাল পায় সিহঁতৰ ঘৰখনকো সি সমানেই ভাল পায়।

ঃ দাদা, দাদা দীপুৱে বাৰাণ্ডাৰ পৰা চিঞৰিলে।

সি খৰখোজেৰে ভিতৰলৈ সোমাই গ'ল।

ঃ আৰে ভাই ইমান দেৰি নঙলাডালতে বহি আছিলি। মই আৰু তই ৰাজুখুড়াহতঁৰ ঘৰলৈ গৈছ বুলিহে ভাবিছিলোঁ।

ঃ অক্ষু, ইমানসময় পদূলিত কি কৰি আছিলি ? আহ ভাত দিছোঁ মাকে ভিতৰৰ পৰা ওলাই আহি ক'লেহি। আকাশ, দীপু খাবলৈ বহিল। ঃ মা তুমিও বহা। চকী এখন টানি দি আকাশে মাকক ক'লে। মাক আকাশৰ ওচৰতে বহিল। আকাশৰ ভোক লাগিছিল যদিও খুব কষ্টেৰেহে সি ভাত কেইটা খালে। মাকে কেতিয়া যাবি, খোৱা বোৱাত মন দিয়নে আদিবোৰ সুধি থাকিল। সি যথাসম্ভৱ চুটিকৈ উত্তৰ দি থাকিল, কিন্তু সি ওলোটাই একো নুসুধিলে।

ভাত খায়েই ভাগৰ লাগিছে, শোওঁগৈ বুলি সি মাক আৰু দীপুৰ ওচৰৰ পৰা তাৰ ৰুমলৈ গুচি আহিল। মাকে তাৰ আঠুৱাখন তৰি দিলেহি। সি দুৱাৰখন মাৰি তাৰ বিচনাৰ কাষৰ খিড়িকীখন খুলি আহিল। বাহিৰত অবিৰত জিলি আৰু উইচিৰিগৰ দ্বৈতস্বৰ। সি বিচনাখনত শুই পৰিল।

ৰাতিপুৱা সাৰ পাওঁতে সাত বাজি গ'ল আকাশৰ। মুখ-হাত ধুই চাহ আৰু ৰুটি খায়েই সি প্ৰশান্তহতঁৰ ঘৰলৈ ওলাই আহিল। সিহতঁৰ ঘৰৰ পৰা প্ৰশান্তহতঁৰ ঘৰলৈ দহমিনিটমানৰ বাট। ঘৰটোৰ আগফালে আৰু পিচফালে দুটা ডাঙৰ পেগুেল। সি বহল গেটখন খুলি ভিতৰলৈ সোমাই গ'ল। সি দেখিলে মুনা-লখুভাই কোৰ এখন লৈ পানী যাবলৈ এটা নলা খান্দি আছে। সি তেওঁক মাত লগাই একেকোবেই ভিতৰ পালেগৈ।

ঃ আৰে, তই ভূত নে মানুহ ? পৰম বিস্ময়ৰে প্ৰশান্তই চিঞৰি উঠিল।

সকলোৱে ডাইনিং টেবুলত বহি চাহ খাই আছিল। প্ৰশান্তৰ পেহীয়েক, মাকৰ ছোৱাল দুজনী, এপায়েকৰ ল'ৰাটো আৰু গীতাৰ লগৰ দুজনীমানো আছেহি। সকলোৱে প্ৰশান্তৰ চিঞৰতহে মন কৰিলে আকাশক। তাক বহিবলৈ দি সকলোৱে বিশেষকৈ মাক, দেউতাক আৰু প্ৰশান্তই প্ৰশ্নবাণেৰে থকা সৰকা কৰিলে তাক। সি মাকক কোৱা কথাখিনি পুনৰ দোহাৰিব লগা হ'ল। প্ৰথমতে তাক সকলোৱে অভিমান কৰিছিল যদিও অলপ পাছতেই সিহঁতৰ সেই অভিমান নোহোৱা হৈ গ'ল, তাৰ পাছত বিয়াৰ বিষয়ে কিছু আলোচনা হ'ল । মাকে, কিদৰে গীতাৰ সতে বিয়া ঠিক হ'ল, দৰাই কি দৰে আদিবোৰ জনালে । কি কি বস্তু আনিলে, বিয়াৰ বাজেট আদিৰ বিষয়ে প্ৰশান্ত আৰু দেউতাকে তাক বুজাই দিলে।

ঃ এতিয়াৰ পৰা সকলোবোৰৰে দায়িত্ব তোৰ। দেউতাকে আকাশক ক'লে।

আবেলি কিবা-কিবি দুটামান সৰু-সৰু কাম কৰি উঠাৰ

পাছত আকাশে বাৰাণ্ডাৰ চকী এখনত বহি বাৰাণ্ডাৰ কাষতে থুপা-থুপে ফুলি থকা ৰঙা অশোক জোপালৈ চাই কিবা এটা ভাবি আছিল।

ঃ আকাশদা, চাহ দিছো। গীতাই তাক মাতিলেহি সি ভিতৰলৈ গ'ল, টেবুলত একাপ চাহ আৰু দুটা ফুলৰি। সি ফুলৰি খাই ভাল পাই বুলি জানি সি আহিলে তাই ফুলৰি বনাই খুৱায় তাক।

ঃ প্ৰশান্তৰ চাহ। সি গীতালৈ চাই সুধিলে।

ঃদাদাই গা ধুইছে।

গীতা তাৰ ওচৰতে বহিল। আকাশে কিবা এটা সুধিব লওতেই গীতাই ক'লে, আকাশদা, কিবা ভুল কৰিছিলোঁ যদি ক্ষমা কৰি দিবা। তাইৰ চকুহাল সেমেকি উঠিল।

ঃ আৰে, কি কৈছ তই এইবোৰ। শুন, বিয়াৰ পাছত তই আমাক পাহৰি নাথাকতো। সি অলপ হাঁহিবলৈ চেষ্টা কৰিলে। সি দেখিলে গীতাই কান্দিছে। তাৰ খুব অসহায় লাগিল। চকুলোখিনি মচি তাই ক'লে, "আকাশদা এটা কথা সোধোঁ।

ঃ সোধ।

ঃ তুমি কিয় কবিতা নিলিখা আজিকালি ?

এই প্ৰশ্নটো আগেয়েও তাই কেতিয়াবা কৰে। কিন্তু এই মুহূৰ্তত তাই কিয় কৰিলে তাক এই প্ৰশ্নটো।

ঃ নাই, এনেয়ে মন নাযায় দেখোন।

গীতাই খিড়িকীখনেৰে বাহিৰলৈ চাই আছে। আকাশে ভাৱিলে সচাঁই সি যে কিমান দিন কবিতা লিখা নাই। অথচ তাৰ কাৰণে কবিতাই আছিল জীৱন। সি যেন ভাৰ হৃদয়ত কাৰোবাৰ অস্তিত্বক সংৰক্ষণ কৰিবলৈ গৈ তাৰ অস্তিত্বকে সি হেৰুৱাই পেলাইছে ক্ৰমান্বয়ে।

ঃ আকাশদা, তোমাক এটা অনুৰোধ কৰিম ৰাখিবা ?

ঃ ৰাখিম, কচোন।

ঃ তুমি আকৌ কবিতা লিখিব লাগিব। মোৰ অনুৰোধ, কোৱা লিখিবা।

ঃ আগতে কচোন, মোৰ কবিতাৰ পৰা কাৰ কি লাভ হ'ব।

ঃ আনৰ লাভ হয় নে নহয় নাজানো। কিন্তু মই তোমাৰ কবিতাৰ পৰাই জীয়াই থকাৰ প্ৰেৰণা পাম। খুব লাহে লাহে ক'লে কথাকেইটা তাই।

ঃ আকাশ এইটো ধৰাচোন। বাহিৰৰ পৰা অচ্যুত খুড়াই চিঞৰিলে আকাশ বাহিৰলৈ ওলাই আহিল।

ৰাতি সকলোৱে তাক থাকিবলৈ জোৰ কৰিছিল যদিও সি নাথাকিলে। ভাত খায় সি ৰাতি ন'মান বজাত গুছি আহিল। দীপুৰে তাৰ ৰুমত পড়ি আছে। মাকে তাৰ কাৰণেই ৰৈ আছিল। সি মাকক শুবলৈ কৈ তাৰ ৰুমলৈ সোমাই আহিল। দুৱাৰখন মাৰি সি চকীখনত বহি কোৱা কথাকেইটাৰ উৎস আৰু গীতাই তেনেকৈ ক'লে তাক। তাই তাৰ কবিতাৰ মাজত জীয়াই থকাৰ প্ৰেৰণা পায়। তাই কিয় তাৰ কবিতাৰ মাজত জীয়াই থকাৰ প্ৰেৰণা বিচাৰে ? কি নাই তাইৰ? গীতাইও বাৰু তাৰ হৃদয়খনক জুখি চাইছিল নেকি কেতিয়াবা ? তাইৰ হৃদয়খনেও তাৰ হৃদয়ৰ লগত একাত্মবোধ কৰিছিল নেকি কেতিয়াবা ? এয়া তাৰ বাবে এতিয়া মাথোঁ এডাল দীঘল প্ৰশ্নবোধক। কিন্তু সি দৃঢ় হ'ল, সি এই প্ৰশ্নবোধকডালৰ মাজতেই জীয়াই থাকিব আৰু জীয়াই থকাৰ প্ৰেৰণা দিব। সি টেবুলৰ পৰা এডাল কলম আৰু এখিলা কাগজ লৈ ভাঁজ কৰিলে আৰু ওপৰত কিছু ডাঙৰকৈ লিখিলে, "গীতালৈ বিয়াৰ উপহাৰ"

০০০

*মোৰ দৃঢ় বিশ্বাস যে এই সকলোবিলাক ভয়ঙ্কৰ কুফল আতৰোৱাৰ মাত্ৰ এটাই উপায় আছে; সি হ'ল এক সমাজবাদী অৰ্থব্যৱস্থা প্ৰতিষ্ঠা কৰা আৰু লগতে সামাজিক মঙ্গল বিধানৰ উদ্দেশ্যে চালিত এক নতুন শিক্ষা ব্যৱস্থা প্ৰৱৰ্তন কৰা। এই অৰ্থ ব্যৱস্থাত উৎপাদন সামগ্ৰী সমূহৰ কতৃৰ্ত্ব থাকিব সমাজৰ হাতত আৰু সমাজ সুপৰিকল্পিত ভাৱে কামত খটুৱাব লাগিব। সুপৰিকল্পিত অৰ্থব্যৱস্থাই সমাজৰ প্ৰয়োজনৰ ফালে চকু ৰাখি উৎপাদন-ব্যৱস্থাৰ বিধি বিধান কৰিব লাগিব, প্ৰয়োজনীয় কামবিলাক প্ৰতিজন সক্ষম ব্যক্তিৰ মাজত ভগাই দিব পাৰিব লাগিব আৰু সুনিৰ,তিৰোতা আৰু শিশুক জীৱন- নিৰ্বাহৰ নিশ্চয়তা দিব লাগিব। ব্যক্তিৰ-মানৱৰ শিক্ষাই তেওঁৰ সহজাত দক্ষতাৰ বিকাশ সাধন কৰাৰ উপৰিও বৰ্তমান সমাজত ক্ষমতা আৰু সাফল্যৰ যি গুণানুকীৰ্তন চলি আছে তাৰ পৰিবৰ্তে তেওঁৰ সহযোগী ভাতৃসকলৰ প্ৰতি দায়িত্ববোধ জাগ্ৰত কৰাব পাৰিব লাগিব।*

*এলবাৰ্ট আইনষ্টাইন*

# বাস্তৱৰ আলিংগন



দুৱাৰখন খুলি মনটো ভাল লাগি গ'ল। এটি চিনাকী গোন্ধ নাকেৰে সোমাই আহিল। শৰতৰ সুগন্ধ। সঁচাই প্ৰত্যেক পুৱাৰে যেন এটি নতুন সৌন্দৰ্য আছে। মই সাধাৰণতে ইমান পুৱাই নুঠো। কিন্তু আজিৰ কথা সুকীয়া, আজিয়ে ৰূপম আহিব ; এই চিন্তাতে মোৰ ৰাতি টোপনিয়েই নাহিল। মা আৰু দেউতাৰো সেই একেই অৱস্থা। ৰাতি কাৰো টোপনিয়েই নধৰিল। তাৰ বাছ সাতটাত পাবহি, কেতিয়া সতটা বাজে কেতিয়া সাতটা বাজে লাগিছে। দেউতাই ৰাতি তিনটাতে উঠি ওহলদি ফুৰিছে। আৰসৰ পোৱা মানুহ কোনো খৰধৰ নাই, সদায়েই চুটি, মাৰটো ততেই নাই, ইটো বনাইছে সিটো বনাইছে।

ঃ ৰুমি, সোনকালে ৰূপমৰ ৰুমটো চফা কৰি মোক অলপ লাগিদেহি চোন।

মাৰ মাততহে মোৰ তন্ময়তা ভাগিল। সোনকালে মুখ-হাত ধুই ৰূপমৰ ৰুমটোলৈ গ'লো। সকলো ঠিকেই আছে, মাথো ঝাৰু কৰি মচি দিলো। ৰূপম মোৰ ভাইটি সি মোৰ চকুৰ মণি। মনত পৰে মোৰ, তাৰ যেতিয়া জন্ম হৈছিল মায়ে মোক কৈছিল "এয়া চোৱা তোমাৰ লগত খেলিবলৈ মেডিকেলৰ পৰা মাইনা এটা কিনি আহিছো," মইয়ে কিমান ঘুৰি ঘুৰি চাইছেলো তাক। সি বৰ ধুনীয়া আছিলে সৰুতে। সি এইবাৰ মেডিকেলৰ তৃতীয় বৰ্ষত পঢ়ি আছে, গুৱাহাটীত চালো, ছটা বাজিছে, আলপ দেৰি আছে। পাকঘৰলৈ বুলি খোজ লওতেই ৰূপমে চিঞৰি মাৰিলেই------

ঃ মা অ' মা , তঁহতি উঠাই নাই নেকি ? বাছ আজি সোনকালে পালেহি। দেউতাইও লগে লগে আৰম্ভ কৰিলে-

ঃ বাছত কেইবজাত উঠিলি ? সাত বজাত পাবহি লাগিছিল এঘণ্টা আগ কেনেকৈ হ'ল ? ইত্যাদি এশ একুৰি প্ৰশ্ন।

ঃ ব'বচোন হে, লৰাটো পাইছেহিহে ইমানকৈ কেলেই প্ৰশ্ন কৰি আছে ? চাওঁচোন ৰূপম, তই ইমানকৈ খিনালি কেনেকৈ?

নহয় অ' মা, হোষ্টেলৰ খোৱাবোৱা বৰ বেয়া। এতিয়াহে অলপ শকতহে যাম। পিছে বা, তই কিন্তু বৰ শকত হৈছ দেই।

ঃ হ'ব হ'ব মাইনা তই, সোনকালে মুখ-হাত ধুই লগে যা। কথা পাছত পাতিম।

মই তাক মৰমতে মাইনা বুলি মাতো, সি আহিছে যেতিয়া এইকেইদিন ঘৰ গৰমহৈ থাকিব। মোকতো জোকাই জোকাই থাকিবই, সঁচাই সি আহিলে যেন ঘৰৰ পৰিৱেশটোৰেই সলনি হৈ যায়।

পূজা পালেহিয়েই । বজাৰ সমাৰ সকলো কৰা হৈ গ'ল। অকল মালৈহ এযোৰ মেখেলা চাদৰ কিনিবলে আছে। ৰূপমৰ লগতে এপাক বজাৰলৈ যাব লাগিব। তেনেতে ফোনটো বাজি উঠিল।

ঃ হেল্ল হেল্ল

ঃ ৰুমি নেকি ?

ঃ ও মিতালী , ক।

ঃ আজি ক'ৰবাত যাবিনেকি তই ?

ঃ কেলেই ?

ঃ চিনেমা চাবলৈ যাওঁ বুলি ভাবিছোঁ, বহুত দিন চোৱাও নাই, নতুন চিনেমাও আহিছে।

ঃ মোৰ আকৌ বজাৰলৈ যাব লগা আছিল।

ঃ ঠিক আছে, মেটিনিহে চাম, আহোঁতে সোমাই আহিম।

ঃ ৰ , মাক সুধি লওঁ ।

ঃ আন্টিয়ে দিবই । পিছে ৰূপম আহিছে নহয় ? তাৰ খবৰ কি ?

ঃ তাৰ ভালেই। আজি কালি গোটেইটো ডাঙৰ ল'ৰা একেবাৰে, কথা পাতিবলৈ ভালকে সময়েই পোৱা নাই। ইমান কাম ওলাইছে এই কেইদিন।

হ'ব, হ'ব তোৰ বৰ কাম ডাল - নাজানো নেকি মই তই

টি. ভি. ত কিমান চিনেমা চাই থাক।

ঃ কি কৰিবি আৰু তোৰ যে বেইচ ফ্ৰেণ্ড। চিনেমা নাচায় কি কৰিম, একে পাঁটিহে।

ঃ হ'ব, হ'ব দে, আজি আৰু কাজিয়া নকৰো, সময় নাই। তই কেইটাত আহিবি, ক।

ঃ ও....... তই ১১.৩০ ত ৰৈ থাকিবি হ'ব ?

ঃ অ' কে। থৈছো তেন্তে দেৰি নকৰিবি কিন্তু, বাই।

ঃ অ' কে বাই।

মিতালী মোৰ আটাইতকৈ ভাল বান্ধবী, কলেজ এৰাৰ পাছতো তাইয়ে যেন মোৰ আটাইতকৈ আপোন হৈ আছে। আমাৰ মাজত কোনো কথাই গুপুত হৈ নাথাকে। তাইৰ আগত মোৰ অন্তৰখন এখন খোলা কিতাপ। কলেজত আমাক সবেই কাপ-পেট বুলি কৈছিল। কাৰণ আমি সদায় একেলগে থাকো। ৰূপমৰ ৰুমলৈ সোমাই গ'লো।

ৰূপম

ঃ কি বা ?

ঃ মিতালীয়ে ফোন কৰিছিলে। চিনেমা চাবলৈ লগ ধৰিছে, যাবি নেকি তই ?

ঃ কেলেই, কবাব মে হাৰ্ডি হ'বলৈ ?

ঃ ধেৎ, কেলেই কৈছ এনেকৈ ?

ঃ অ, তো, তই আৰু মিতালীবায়ে কিনো ইমানকৈ কথা পাত, মই আৰু বেলটোৰ দৰে মুখলৈ চাই থাকিব লাগিব।

ঃ হ'ব, বেয়া পাইছো যা তোক, ক'তনো যাবি আমাৰ লগত, ডাক্তৰ মানুহ ভাই।

ঃ অ'ই বা কাট নামাৰিবি কিন্তু, ঠিক আছে যাম বাৰু। মোক কিন্তু হোটেলত খোৱাব লাগিব। পইছা নাই নহয় ইমানকে। টিকটৰ পইছাহে আছে। মাক খোজচোন তোক দিব।

ঃ ঠিক আছে ৰ, আ'মা, মা....... চিঞৰি চিঞৰি ৰূপম মাৰ ওচৰ পালেগৈ।

ঃ মা, পইচা দিয়া না, এশ টকা এটা

ঃ কেলেই ?

ঃ বাৰ লগত চিনেমা চাবলৈ যাম।

ঃ মোকটো তঁহতি সোধা নাই।

ঃ তুমি দিবা বুলি জানো কাৰণে সোধা নাই।

ঃ ঠিক আছে দিম বাৰু যা।

ঃ ই -য়া- হু - হৈ গ'ল বা, মা পটি গ'ল।

চিনেমা চাই ঘূৰি আহোতে ৰাতিয়েই হ'ল, বজাৰৰ পৰা মালে মেখেলা চাদৰ আৰু দেউতালে চাৰ্ট আনিলো। দেউতাৰ চাৰ্টটো খুব পচন্দ হৈছে। কিন্তু মায়েহে মেখেলা চাদৰ যোৰ বৰ পচন্দ কৰা নাই। অৱশ্যে মাৰ এইটো অভ্যাসেই পাছত সেই যোৰকে নেৰাই হ'ব। মুখ-হাত ধুই আহি ডায়েৰিখন উলিয়াই ল'লো। বহুত দিন হ'ল ডায়েৰিখন পঢ়া নাই আৰু একো লিখাও হোৱা নাই। খিড়িকীৰে পৰা জোনৰ পোহৰত বিচনাত বহি মোৰ বৰ ভাল লাগে। তাতে হ'ব লাগে নিৰ্জনতা আৰু এটাস্মৃতিৰ টোপোলা। পৰিবেশটো সচাই বৰ মনোৰম আছিল। কিন্তু ডায়েৰিখন পঢ়াৰ বাবে লাইটটো জ্বলাব লগা হ'ল। ৰূপমে টি.ভি. চাই আছে। দেউতা আৰু মা পাকঘৰত দেউতাই আজিকালি মাক অলপ পাকঘৰত সহায় কৰি দিয়ে। নিজৰো সময় পাৰ হয়। ডায়েৰিখন খুলি ল'লো, কলেজৰ দিনত লিখা বিলাক এটা এটাকৈ পঢ়ি গ'লো। সঁচাই কলেজত থাকোতে মই বৰ ৰোমাণ্টিক আছিলো দেই। কলেজীয়া জীৱনটোৰ কথা ভাৱিলে আচৰিত লাগে। কিমানযে ব্যস্ত আছিলো তেতিয়া। অৱশ্যে ফুৰ্তিও বহুত কৰিলো। পিকনিক, এক্সকাৰ্চন, তাৰ মাজতে কলেজ উইক, সৰস্বতী পূজা একোৱেই যে এৰা নাছিলো, মিতালী, চুমিতা, মৌচুমী, মৃণালে, অনুপ কিমানযে বন্ধু আছিল। তাহাঁতৰ লগত কৰা উৎপাত, কাজিয়াবোৰ মনত পৰিলে হাঁহি উঠে, দুখো লাগে। ক'তযে হেৰাই গ'ল সেই আনন্দৰ দিনবোৰ। কেনটিনত টিফিনলৈ কৰা চিঞৰ বাসৰ, ডিপাৰ্টমেণ্টও মেডামৰ গালি, প্ৰেকটিকেল কৰোতেও মুখৰ পৰা গানৰ কলি নুওচা মৃণাল, অনুপ, ৰোহন সকলো হেৰাই গ'ল সময়ৰ সুতত মাজে মাজে মৌচুমী, মৃনালহঁতে ফোন কৰে। কিন্তু বহুত দিন লগপোৱা নায়। অতীত যে সচাঁকৈয়ে ধুনীয়া। ই আৰু বেছি ধুনিয়া হয় তেতিয়া যেতিয়া স্মৃতিৰ আঁচলতে মুদিত হয়। স্মৃতিৰ আঁচলখন যেতিয়া মেলো, নিজকে হেৰাই যোৱা যেন লাগে। সচাঁই মই তেতিয়া ওলমি থাকো অতীত আৰু বৰ্ত্তমানৰ মাজত।

চাওঁতে চাওঁতে পূজা শেষেই হ'ল। ৰূপমৰো যাবলৈ হ'ল। সি গ'লেযে ঘৰখন একেবাৰে ঠাণ্ডা হৈ য়াব। বৰ বেয়া লাগিব ৰূপমৰ ওচৰলৈ গ'লো। সি টি.ভি. চাই আছে। সি ঘৰলৈ আহিলে খুব চিনেমা চায়। হোষ্টেলত নাপায় যে চাবলৈ।

ঃ মাইনা, তই কাইলৈ যাবি নে ? কাপোৰ চাপোৰ সব ৰেডি আছেনে ?

ঃ সব ঠিকেই আছে খালি তই চাৰ্ট কিটা প্ৰেচ কৰি দিবি হা।

ঃ ঠিক আছে। বাৰু কি চিনেমা দিছে এইখন ? ইংলিছ চিনেমা নাচাও দে, লোকেলত কি দিছে চা'চোন।

ঃ কুছ কুছ হো'তা হে। কেবাৰ নো নিদিয়ে একেখন চিনেমাকে।

ঃ অ'ই দেনা প্লিজ, সেইখন চাঁও।

ঃ নালাগেনা বা, মই এইখন শেষ কৰি লওঁ।

ঃ ঠিক আছে চা বাৰু।

ঃ বা, তই এটা কাম কৰবুজছি তই বিয়া হৈ যা, তোক মই এটা ভি. চি. পি. দিম। তই যিমান চিনেমা চাৰ চাই থাকিবি।

ঃ তই দেখোন বৰকে মোৰ বিয়াৰ কথা ভাবিছ। কি হ'ল তোৰ লাইন ক্লিয়েৰ কৰিব লাগে হ'বলা ?

ঃ ধেৎ, নহয় মানে তই বিয়া পাতিলে ভিনদেউৱে মোক ধেৰ বস্তু দিব নহয়।

ঃ মিছা কথা নকবি, তোক মই এইবাৰ বহুত বেলেগ পাইছো, ক'ৰবাত পিছলিছ যেন পাইছো, হয়নে ?

ঃ হে নহয় বা।

ঃ সঁচা কথা কৈ দে। মই বেয়া নাপাওঁ মইতো তোৰ ফ্ৰেণ্ডৰ নিচিনা।

ঃ ও আছে এজনী ছোৱালী, মোৰ লগতে পঢ়ে।

ঃ কি নাম ?

ঃ নিলাখী !

ঃ বা ঃ বৰ ধুনীয়া নাম। দেখিবলৈ কেনেকুৰা ?

ঃ ভালেই আৰু..........

ঃ কি মোতকৈ ভাল নেকি ? ধেমালী কৰি সুধিলো তাক।

ঃ নহয় তোককৈ বেয়া।

ঃ আই মই দেহি, লৰা ডাঙৰ হ'ল বিয়া পাতিব লাগে।

তাক ঢকা এটা দি মাৰ ওচৰলৈ গ'লো, সি পিছে পিছে চিঞঁৰি চিঞঁৰি আহিল।

ঃ বা, বা, প্লিজ মাক নকবি। মোৰ শপত।

ঃ ঠিক আছে বাবা নকও বাৰু হ'ব ?

ঃ প্ৰমিজ ?

ঃ অ' কে মাইনা, গড প্ৰমিজ।

মোৰ মাইনা ডাঙৰ হ'ল। সি মোৰ বিয়াৰ কথা ভাবিব পৰা হ'ল। নিজেও ছোৱালী ভালপাব পৰা হ'ল। তাৰমানে সি সচাঁকৈয়ে ডাঙৰ হ'ল। তাৰমানে ময়ো বহুত ডাঙৰ হ'লো। সেইকাৰণে আজিকালি অনবৰত মোৰ বিয়াৰ কথা পাতে।খুড়া-খুড়ী আহিলেও মাত্ৰ এটা কথা, ৰুমিলৈ ল'ৰা এটা চাব লাগে। মোৰ এনে বিলাক কথা শুনিলে মনটো বৰ বেয়া লাগে। মোৰটো এতিয়াও বয়স উকলি যোৱা নাই, মা হঁতে ইমান চিন্তা কৰিবলৈ। মোৰ কলেজ এৰা দুবছৰ হৈছেহে। লগৰবোৰে পঢ়িয়েই আছে মইহে আৰু নপঢ়িলো। ইউনিভাৰ্চিটিত, এড্‌মিছন লোৱাৰ কথা ভাবিছিলো, কিন্তু পিছত নহ'লগৈ। সকলোৱে বাৰু মোক কিয় ইমান ডাঙৰ কৰি দিছে ? মোৰ মনটো যে এতিয়াও সৰুৱেই। আচলতে মই এই ঘৰখনৰ পৰা আতৰি যাবলৈ, পুৰণা মৰমবোৰ এৰি এডাল নতুন মৰমৰ এনাজৰী গঢ়িবলৈ মানসিক ভাৱে প্ৰস্তুত নহয়। কিন্তু আজিযেন মই কিবা এটা অনুভৱ কৰিছো। সকলোকে যেন ঘৰখনৰ বাহিৰেও এটা মৰমৰ আশ্ৰয় লাগে। এই আশ্ৰয় বিছাৰি পাইছে। তাক আজি মোৰ সঁচাকৈয়ে সুখী যেন লাগিল। সি যেন জীৱনৰ প্ৰতিটো যোজতে ই সাৰ্থক হয়। সি যেন সকলোতে সুখ বিছাৰিক পায়। মোৰ কিয় জানো আজি অকলশৰীয়া লাগিছে কিয় জানো আজি মই জোনাকত বহিও অতীতত হেৰাই যাব পৰা নায়।

ৰূপম যোৱা এসপ্তাহেই হ'ল। সি যাওঁতে মনটো বৰ বেয়া লাগিছিল। ঘৰখন একেবাৰে ঠাণ্ডা হৈ গ'ল। খুড়া-খুড়ী আহি আছেহি বাবে অলপ ভাল লাগি আছে মনটো। দেউতাও খুড়াৰ লগত কথা পাতি ব্যস্তহৈ থাকিব পাৰিছে। সচাঁই ৰূপমটো নাথাকিলে ময়েই আটাইতকৈ বেছি অকলশৰীয়া হওঁ। কথা পাতিবলৈও যে তেতিয়া লগ এটা নাথাকে। হঠাৎ ফোনটো বাজি উঠিল। দৌৰি গ'লো ৰূপমে কৰিব পাৰে। দেউতাই নুঠুৰা দেখি ময়েই উঠালো।

ঃ হেল্ল'

ঃ ৰুমি বাইদেউ নেকি ? এটি কপা কপা মাত।

ঃ হয়, মই ৰুমিয়ে কৈছো।

ঃ বাইদেউ মই ৰূপমৰ লগৰ অৰুণাবে কৈছো।

ঃ কি হ'ল কোৱা, মই ভিতৰি কপি উঠিছো

ঃ মানে বাইদেউ, ৰূপমৰ এক্সিডেন্ট হ'ল। জি. এম. চি. ত আছে। আপোনালোক - সোনকালে...

কথা কিটা শেষ হ'বলৈ নাপালেই মোৰ ৰিচিভাৰটো পৰি গ'ল "মা""মা" এয়া কি হ'ল ?

মা পাকঘৰৰ পৰা দৌৰি আহিল। মা যেন এতিয়াই পৰি যাব খুড়াই ফোনত কথা পাতিলে।

ঃ কি হ'ল ৰুমি ? ৰূপমৰ কি বা হৈছে ? মোক ক। মা জনী এ্কেবাৰে বাউলি হৈ পৰিছে।

মাইয়ে কান্দিব পৰা নাই। মই ভাগি পৰিলে মা-জেউতাৰ কি হ'ব। মাক লাহেকৈ ক'লো

ঃ নহয় মা, ৰূপমৰ সৰু এক্সিডেন্ট এটা হৈছে আমি এতিয়াই যাব লাগে।

দেউতাই ধৈৰ্য্যৰে সকলো শুনি আছে। তেওঁ সচাঁকৈয়ে বহুত ধৈৰ্য্যশীল।

আমি লগে লগেই খুড়া-খুড়ীৰ লগত গাড়ীলৈ গুৱাহাটীলৈ গ'লো। মাজনীৰ মুখখনসে মই চাব নোৱাৰা হৈছো। ভগৱান তুমি কিয় এনে কৰিছা ? তুমি মোৰ যি কৰা কৰা কিন্তু ৰূপমক ভাল কৰি দিয়া। সি আমাৰ প্ৰাণ, সি আমাৰ চালিকা শক্তি। তাৰ অনিষ্ট নকৰিবা। আমাৰ সকলো চিন্তা, আশা-আকাঙ্খ্যা তাক লৈয়ে আৰম্ভ হয় আৰু তাতেই শেষ হয়। অনুগ্ৰহ কৰি তাক ভাল কৰি দিয়া, মই মাথো ভগৱানক মাতিছো গোটেই বাটটো। কান্দিবলৈয়ে মোৰ শক্তি নাই, মোৰ সাহস নাই। অথচ মোৰ বুকুখন শোকত ফাটি গৈছে। কি হ'ব মোৰ ৰূপমৰ যদি কিবা হয় ? মাৰ মুখলৈ মই কেনেকৈ চাম ? দেউতাক কি বুলি শান্তনা দিম ?

মেডিকেল পাওতে ৰাতি বহুত হ'ল। ৰূপম তেতিয়া অপাৰেচন থিয়েটাৰত। মেডিকেল কলেজৰ গোটেই ল'ৰাবোৰ ৰখি আছেহি।

অৰুণাভে আগবাঢ়ি আহি কলেহি -

ঃ কালি সি হোষ্টেলৰ চিৰিৰ পৰা পৰিলে লগে লগে নক'লে। আজি ৰাতিপুৱা মূৰ ঘুৰাই পৰি যাওতেহে আমি মেডিকেল

লৈ আহিছো।

মাক খুড়ীয়ে ধৰি আছে। দেউতা অসীম ধৈৰ্য্যৰে ৰখি আছে। তেওঁ যেন আগন্তুক সকলো বিপদৰ বাবেই সাজু। তেনেতে ডাক্তৰ ওলাই আহিল। মোৰ বুকুখন কপি উঠিছে।

ঃ ৰূপমৰ ঘৰৰ কোনোবা আহিলনে ?

ঃ হয় ! মোক কওক, মই তাৰ খুড়াক, খুড়া আগবাঢ়ি গ'ল।

দেউতাৰ যেন আজি সাহ নোহোৱা হ'ল। তেওঁযে আজি শক্তিহীন।

ঃ আই এম চ'ৰি মূৰৰ ভিতৰত ব্লিডিং হোৱাৰ বাবে.........

বাকীখিনি কথা মোৰ কাণত নোসোমাল, মাত তিনিটা শব্দত পৃথিৱীখন ভাগি গ'ল সকলো শেষহৈ গ'ল। মাথো তিনিটা শব্দত মাৰ বুকুখন খালি হ'ল। দেউতাৰ আশ্ৰয় নোহোৱা হ'ল, আৰু মোৰ....... ভাগি গ'ল মোৰ আশাৰ বালি ঘৰটো জীৱনটোও যদি ইয়াতে থমকি ৰ'ল হয়।

কালি ৰূপমৰ শ্ৰাদ্ধ হৈ গ'ল। বহুত দিনৰ মূৰত আজি মই নিজৰ সৈতে নিবীৰ হ'ব পাৰিছো। ইমানদিনে মই ক'ত আছিলো। মই হেৰাই গৈছিলো পৃথিৱীৰ পৰা পৰিণত হৈছিলো মাথো এটা মন্ত্ৰলে, যি মাথো কাম কৰি যাব পাৰে, কান্দিব নাজানে, অনুভূতিয়ে যাক খুন্দিয়াব নোৱাৰে। আজিহে মই উপলব্ধি কৰিছো, মইয়ে অন্তৰ খুলি কন্দা নাই। বুকুখনযে বহুত গধূৰ লাগিছে। মই কি শিল হৈ গ'লো ? খিৰিকিখন জোনৰ পোহৰ সোমাই আহিছে। খিৰিকিখন বন্ধ কৰি দিলো। জোনাকলে আজিকালি মোৰ ভয় লাগে। জোনাকতযে অতীতে ভূমুকিয়াই মোৰ মনত অতীতক মোৰ আজিকালি ধূনীয়া নালাগে। অতীতেযে সদায় দুখ দিয়ে। আন্ধাৰ আৰু নিৰ্জনতা কিন্তু মই আজিও ভাল পাওঁ।

খুড়ী সোমাই আহিলে ৰুমলৈ লাইটটো জ্বলাই দি ক'লে

ঃ ৰুমি কি কৰিছা আন্ধাৰত বহি ? এয়া লোৱা তোমাৰ চিঠি এখন আহিছে আজি।

চিঠিখন লৈ চালো। নিলাক্ষীয়ে দিছে লাহেকে খুলি ল'লো মৰমৰ ৰুমি বা।

এজনী দুৰ্ভগীয়া ভণ্টীৰ মৰম গ্ৰহণ কৰিব। আপোনাৰ কথা মোক ৰূপমে বহুত কৈছিল। আপুনিয়ে তাৰ বন্ধু, বাইদেউ সকলো সেয়া সি মোক সদায় কৈছিল। সেয়েহে আজি আপোনালৈ লিখিবলৈ সাহ কৰিলো।

বাইদেউ ৰূপম কিয় আমাৰ মাজৰ পৰা এনেদৰে গুছি গ'ল ? মই নাজানো সি মোৰ জীৱনলৈ কেতিয়া আহিছিল।কিন্তু সি যে এনেদৰে গুছি গ'ল, মই বিশ্বাস কৰিব পৰা নাই। বাইদেউ, মোৰ জীৱনৰ লক্ষ্য যে এতিয়া হেৰাই গৈছে। মই কি কৰো ? সময়ৰকালত মৰমবোৰ কিয় এনেদৰে হেৰাই যায়

বাৰু ? মোৰ অনুভূতিবোৰেযে এতিয়া লক্ষ্যহীন ভাৱে মোৰ হৃদয়ত খুন্দিয়াইছে। মই কিয় অকলশৰীয়া হৈ গ'লো বাইদেউ ?

আজি মই ভাগৰি পৰিছো মোৰ লক্ষ্য - লক্ষ্য বিচাৰি। আপুনি মোক সৎ পথ দেখুৱাক। বহুতো মৰম আৰু শ্ৰদ্ধাৰে

আপোনাৰ

নীলাক্ষী"

চিঠিখন থৈ কাগজ কলম ওলিয়াই ল'লো। বহুত দিনৰ মূৰত যে আজি কিবা লিখিম। মই যে ইমানদিনে নিলাক্ষীৰ কথা পাহৰিয়েই আছিলো। স্বাৰ্থপৰৰ দৰে ভাবি আছিলো কেৱল মোৰ মা-দেউতাৰ কথা, মোৰ কথা, আজিযেন মই আপোন এজন পাইছো মোৰ মনৰ কথা লিখিবলৈ।

"মৰমৰ নিলাক্ষী,

মৰমবোৰ ল'বা, তোমাৰ চিঠিখন পাই মনটো বহুত ভাল লাগিছে। বহুতদিনৰ মূৰত যে এটা পথ বিচাৰি পাইছো দুখ পাহৰাৰ, তোমাৰ মাজত যেন মই মোৰ হেৰুৱা সৃষ্টিক বিচাৰি পাইছো। তুমি মোৰ প্ৰেৰণা হ'বানে ?

নিলাক্ষী, তুমি এনেদৰে ভাগৰি নপৰিবা, তোমাৰ লক্ষ্য এতিয়াও হেৰুৱা নাই। তোমাৰ লক্ষ্য উজ্জল হওঁক , আকাশৰ তৰা হৈছে, তুমি মাত্ৰ সৃষ্টিৰ পথ বিচৰা। জীৱন কেৱল সপোনৰ সমাহাৰ নহয়। ই সত্যৰ প্ৰতীক। বাস্তৱৰ আলিংগণত যে সকলো সপোন ভাগি যায়, তথাপি নদী বৈয়ে থাকে, জীৱন থমকি নৰয়। তোমাৰ প্ৰেম কেৱল ইচ্ছা নহয়। ই কৰুণাও নহয় এতিয়া ই এটা সুৰ,এই সুৰ তুমি ৰূপমৰ বিনে অকলশৰে গাব লাগিব। মই আশা কৰো জীৱনৰ প্ৰতিটো খোজতে তুমি সাৰ্থক হ'বা। হেৰাই যোৱা অতীতৰ আঁচলত ধৰি ওলমি নাথাকি তুমি আগুৱাই যাবা। মোৰ শুভেচ্ছা সদায় তোমাৰ লগত থাকিব, কেৱল ৰূপমৰ বায়েক হিচাপে নহয়, তোমাৰো বাইদেউ হিচাপে।

বহুতো মৰমেৰে

ৰুমি বা"

চিঠিখন লিখি মনটো বহুত পাতল লাগিছে। ভৱিষ্যতৰ প্ৰতি যেন এটা আগ্ৰহ জন্মিছে। ঘড়ীটোলৈ চালো ৰাতি দহটা বাজিলে। সোনকালে শোওঁ। ৰাতিপুৱা সোনকালে উঠিব লাগিব। কাইলৈ এক তাৰিখ, মাক ডাক্তৰৰ ওচৰলৈ নিব লাগিব, দেউতাৰ লগতো বেংকলৈ গৈ দিব লাগিব।

শ্ৰীমতী সংগীতা বৰুৱা
স্নাতক দ্বিতীয় বৰ্ষ
বিজ্ঞান শাখা

০০০



# কবিতাৰ শৰাই

# "শান্তিৰ অসম"


শ্ৰী বিশ্বজিৎ বৰুৱা
উদ্ভিদ বিভাগ
স্নাতক দ্বিতীয় বৰ্ষ



তুমি বিচাৰা নেকি শান্তিৰ অসম ?
যদি বিচাৰা তাৰ বিনিময়ত মোক লাগিব অজস্ৰ ৰক্ত
সমগ্ৰ বাট-পথ উপচিব লাগিব তেজৰ কঁকালে।
নলা নৰ্দমাইদি বোৱাব লাগিব তেজৰ দুৰ্বাৰ সোঁত,
অনিৰ্দিষ্ট কাললৈ, অন্তিম জনৰ শোনিতলৈ।।
মোৰ পৰিচয় জানা ?
মোৰ নাম প্ৰতাৰণা ।
ভুৱা আশ্বাসত শান্তি-সমৃদ্ধিৰ ফটা ঢোল কোবাওঁ।
দেশ উন্নতিৰ জয়গান গাওঁ ।
আৰু, ..... আৰু সকলো উত্তৰ বন্দুকৰ গুলীৰে দিওঁ।
গতিকে পাহুৰাল ডেকা ল'ৰা,
তোমাৰ বল, শক্তি, তেজৰ প্ৰমান দিয়া মোক,
বুলেটেৰে মই তোমাৰ দেহত ফুল বাছিম।
আৰু ভৱিষ্যতৰ শান্তিৰ অসমত,
শগুন শিয়ালৰ সংখ্যা বঢ়াম ।।
আৰু কি জানা ?
মই তোমাৰ জননীক কিনি লওঁ,
এতিয়া তাই মোৰ আদেশতে চলে ।
তাইৰ শিৰৰ সেন্দুৰ মচিবলৈ মোক ,
অজস্ৰ ৰক্তৰ প্ৰয়োজন ।
গতিকে পাহুৰাল ডেকা ল'ৰা ,
তুমি যদি বিচাৰা তোমাৰ শান্তিৰ অসম,
মোক ৰক্ত দিয়া ,
মাথো ৰক্ত দিয়া ,
মই তোমাৰ অসমক শ্মশানত পৰিণত কৰিম ।।
..................................................
..................................................
..................................................
মই তোমাৰ অসমক শ্মশানত পৰিণত কৰিম ।।

## স্বাধীনতা ইয়াত এতিয়া

স্বাধীনতা
এটি শ্লোগান !
নহয়
হৃদয়ৰ গভীৰতাৰ এক অবুজ তৃষ্ণা ॥
স্বাধীনতা
এজাক জোনাক !
নহয়
ডাঠ ক'লা ভাৰৰ ফলা ৰ'দ-ৰঙা ৰঙা ॥
স্বাধীনতা
এটা আদিম কবিতা !
নহয়
আগ বৰষাৰ ভঙা-গঢ়া-এজাক ধুমুহা ॥
স্বাধীনতা
মোৰ প্ৰিয়তম শব্দ !
যেন এতিয়া
হৃদয়ৰ মাজৰ এক নিঃ শব্দ যন্ত্ৰণা ॥
স্বাধীনতা
ইয়াত এতিয়া
দপ্‌দপ্‌কৈ চিতাত জ্বলা
নিথৰ নিথৰ যৌৱনৰ-মৃতপ্ৰায় কল্পনা ॥



শ্ৰী নিৰোদ বড়া
স্নাতক মহলাৰ
প্ৰথম বৰ্ষ (কলা শাখা)

# মই অসমীয়াই কৈছো

শ্ৰী মৰমী দত্ত
স্নাতক ২য় বৰ্ষ
ৰসায়ন বিভাগ।

মোক এজাক বতাহ দিয়া,
মোক এজাক সেমেকা বতাহ দিয়া।
শাঁত পেলাওঁ মই
মোৰ উত্তপ্ত দেহা।
দেখিছানে ? মোৰ ৰাঙলী ৰক্ত
আৰু
দেহাৰ কোমল মঙহৰ
কেনে টনা-আঁজোৰা।
মোৰ দেহৰ প্ৰতিটো অংশই
আজি ক্ষত-বিক্ষত ,
আজি মই নগ্ন ,
আজি মই সৰ্বহাৰা ,
এমুঠি আহাৰ আৰু
এখনি বস্ত্ৰৰ বাবে
আজি মই হাহাকাৰ কৰিব লাগিছো।
মোৰ বুকুৰেদি বাগৰি যোৱা
লুইতৰ সেই ইতিহাস
আজি আৰু নাই ;
নাই সেই লাচিতৰ
সাহসী তৰোৱাল।
আবৰ্জনাৰ দ'মেৰে ভৰপূৰ
মোৰ দেহৰ পৰা
অতীতৰ সেই সুগন্ধি আৰু কেতিয়াও
নোলায় ;
জয়াৰ তেজেৰে আজি মোক মহীয়ান নকৰে।
আজি মই লজ্জিত।
মোৰ নিশ্বাসৰ শব্দত
আজি মই নিজেই কম্পিত।
থৰক-বৰক খোজেৰে ,
জৰাজীৰ্ণ শৰীৰেৰে
মই বাৰু আৰু কিমান দিনলৈ থাকিম ?
মৃত্যুৱে মোক মাতিছে
হাত-বাউল দি।
সেয়ে, দিয়া হেৰা মোক
মাথো এজাক সেমেকা বতাহ ;
তাতে মই উৰুৱাই দিও
মোৰ কলীয়া ডাৱৰবোৰ
দূৰলৈ.......বহুদূৰলৈ .......।



## বন্দী নদীৰ নিজীৰ দ্বীপ।।

যজমান সোনোৱাল
স্নাতক ১ম বৰ্ষ

মোৰ বিস্মৃতিৰ ঋতুত
ফুলি জকমক হওক
তোমাৰ স্বপ্নাৰ্ত জীৱনৰ অমল কানন
নিৰ্বিবাদে মোৰ পৰা সোলোকাই দিলো
তোমাৰ সংগোপন অতীত
মোৰ তলাতল দৈনন্দিনতাৰ
তুচ্ছ সমাধিৰ ওপৰেদি তুমি দিঙা
সলনি কৰি পাৰঁহে যাবা
বন্দী নদীৰ নিজীৰ দ্বীপ।
তুমি এতিয়া মোৰ পৰা সহস্ৰ যোজন আঁতৰত
আপাতত এতিয়া
তুমি নিজেই তোমাৰ ভৱিষ্যত
আৰু মই........ এতিয়া মই
বস্তুতঃ নিজেই
মোৰ অতীত।।



## " অস্তিত্ব"



অনুভূতিৰ পথাৰখন এতিয়া বহুজনৰ
অবাধ দপদপনি ....... বলপূৰ্বকভাৱে
হৃদয়ৰ পিৰালিত খোপনি পোতাৰ
বৃথা প্ৰচেষ্টাত।

আহিনৰ পথাৰত ভূঁইৰ মাজৰ
সৰু আলিটো
ভাঙি যায় বাৰে বাৰে .... কাৰোবাৰ তীব্ৰ পদভৰত
অস্থিৰ - অস্তিত্ব
ঠিক জীৱন বোৰৰ দৰে।

হৃদয়ৰ সেউজ বনৰ সেউজী ঘাহঁখিনি।
কাৰোবাৰ অপহৰনত .....
অসাৰুৱা, অনুৰ্ব্বৰ....
মোৰ অনুভূতিৰ জগত খনি।
উপলব্ধি যে অকলশৰে জীপাল হব নোৱাৰে
সেয়ে তাৰো পলায়ন
অস্বাভাৱিক ভাৱে।
কি যে জীৱনৰ সত্যতা !

সাৰংগ শংকৰ কলিতা
স্নাতক ২য় বৰ্ষ (কলা)

# তুমি

শিখাশ্ৰী সোণোৱাল
স্নাতক দ্বিতীয় বৰ্ষ



তুমি যেতিয়া আছিলা
এসোপা মৰম যেতিয়া আছিল,
কল্পনা বিলাক যেতিয়া
কেৱল মৰম আছিল
তেতিয়া -----
দুখ নাছিল ।
এতিয়া মৰম নাই
আছে মাথো মৰমৰ স্মৃতি ।
এতিয়া দুখৰ কল্পনাই মৰম,
এতিয়া দুখে মৰমৰ ঠাই লয়।
আৰু নো আছে কি ?
মৰম এটা সাঁথৰ॥

# ডাষ্টবীন আদি কবিতা ।

ৰাজপথৰ কাষত স্বৰ্দ্ধ তোমাৰ ঠিকনা
মোৰ চিনাকী বহু দিনৰ
কংক্ৰীটৰ সান্নিধ্যত
তুমি সেই ঠাইত লোকেল ।
জিজ্ঞাসুমনে ৰুকি-ৰুকি চাব খোজা
তোমাৰ সোনালী অতীত,
মাজ নিশা
চেৰেলা কেইটাৰ উদ্ধ , খাল্লছ'ত
সাৰ পায় উঠি,
খিড়িকিৰে কুজঝটিকা ফালি
জুমি চাব বিচাৰো,
নৃত্যৰত হৃদয়ৰ জিউবোৰ ।
ভেনা মাখিয়ে তোমাৰ প্ৰাণত
প্ৰতিনিয়ত আঁকি দিয়ে
শাশ্বত প্ৰেম।
হেলজেনৰ পোহৰতো তুমি যৌৱনৰতী ?
যৌৱন বনত দগ্ধ অচিনা
তুমি নিবিড় সাক্ষী !
এতিয়াও জানিব-বিচাৰো,
কিবা মষ্টালজিয়া ।
আঁতৰেদি,
বৈতৰণি পাৰ হ'ব খোজা
মোৰ প্ৰাণৰ বাবে !



ৰাজীৱ কুমাৰ দাহাটায়া
স্নাতক দ্বিতীয় বৰ্ষ
অৰ্থনীতি বিভাগ

# এখন হৃদয়ৰ অবিহনেই।

জোলোঙাটো মেলি চালো,
দেখিলো, হৃদয়খন একেবাৰে তলত পৰি আছে,
তাৰ ওপৰত দুখ বেদনাবোৰ জাপিথোৱা আছে,
পৰিপাটিকৈ,
হৃদয়খন উলিয়াই আনিলো,
দেখিলো, হৃদয়খন ঘুণে ধৰিছে
বেটুপাতৰ ৰং সলনি হৈছে,
ভাবিলো, মনুষ্যত্বৰ বজাৰলৈকে যাওঁ নেকি ?
এখন নতুন হৃদয় বিচাৰি,
উলালো মনুষ্যত্বৰ বজাৰলৈ
মনুষ্যত্বৰ বজাৰৰ হৃদয়ৰ দোকানত হৃদয় বিছাৰিলো
বোলো হৃদয় এখন দিয়া,
কলে, অলপ ধন দিয়া,
কলো, ধন যে মোৰ নাই,
অলপ মৰমকে লোৱা ।




কলে, মৰমত হৃদয় নোপোৱা
যোৱা, ঘৰলৈ উভতি যোৱা ।
ঘৰলৈ উভতি আহিলো
নোপোৱাৰ বেদনা লৈ ।
এতিয়া ঘৰতে বহি আছো।
পুৰণা হৃদয়খন সাৰটি লৈ ।
কেতিয়াবা মন গলেই লুটিয়াওঁ
হৃদয়ৰ পাত ।
কঠিন শব্দবোৰে আমনি কৰিলে
অনুভৱৰ অভিধান মেলি,
অৰ্থ বিছাৰো তাত ।
এনেকৈয়ে জীয়াই আছো ,
এখনি হৃদয়ৰ অবিহনেই।

শ্ৰী ধৰ্মজ্যোতি বৰগোঁহাই
স্নাতক তৃতীয় বৰ্ষ
ৰাজনীতি বিভাগ ।

# জীৱনৰ ৰং

শ্ৰী ঋতিজ গগৈ।
উঃ মাঃ দ্বিতীয় বৰ্ষ

তাহানি পিতায়ে আনি দিয়া
ইউনিফৰ্মৰ শুকুলা ৰঙৰ কটন চোলাটোৰ দৰে
উৰি যায় জীৱনৰ সমষ্ট ৰং লাহে লাহে,
সপোনবিলাক অপমৃত্যুত,
কলিজাত বিষাদৰ ছাঁ ,
ক্ৰমশঃ যেন বাঢ়ি আহে
চাৰমিনাৰ খাই ভাল হোৱা
পিতাৰ ডিঙিৰ ৰোগটোৰ দৰে
শোকৰ বেদনা গধুৰ আন্ধাৰ এটি ছাঁয়াই
আৱৰি ৰাখে প্ৰতিটো পল-অনুপল
প্ৰতিটো অনুপলত বিচাৰি পাওঁ
ন-বোৱাৰীৰ সেন্দুৰ মচা দুখ
মা-জান জীৱনৰ এই করুণ দিনত তোৰ স্মৃতি
দীনকাইৰ হোটেলৰ পাৰ্টিচনৰ আঁৰত
বুকুভঙা এক মাতাল গধূলি
গাঁৱৰ খেলপথাৰত এৰি অহা মোৰ দুৰন্ত কৈশোৰ
অথবা ধূলি-বালি লোৱা মোৰ সোনালী ল'ৰালি
এতিয়া দিগন্তত লীন হোৱা বেলি
মোৰ যৌৱন এতিয়া পৰুৱাই পোৱা পথিক
ধীৰে ধীৰে ধূসৰ হৈ আহে জীৱনৰ সমষ্ট ৰং
পিতায়ে তাহানি অনা কটন চোলাটোৰ দৰে



# আশাৰ সেউজীয়া জোনাক

মিণ্টু কোঁচ
স্নাতক ৩য়বৰ্ষ (কলা)



মৌনতাৰ বুকুত হৃদয়ৰ অবুজ ভাষা
হয়তো .......
তোমাৰ শব্দত নীলা হোৱা আকাশ
দুচকুত ছাঁয়া হৈ ৰয় সেউজীয়া সপোন
অণুৰাগবোৰ অভিমান হয়
চৰাই হৈ খুটি খায় - নীলা শব্দবোৰ ।
বুকুত ৰাতিটো বান্ধি থওঁ
কিজানি হেঁপাহৰ সপোন ঘূৰি আহে
স্মৃতি হ'ব খোজা চকুপানী
কবিতাৰ শব্দবোৰৰ সৈতে উভতি যাওঁ
অতীতৰ গৰ্ভত আন্ধাৰে খেলা সাতৰঙী সপোন
তুমি মোক লৈ যাব পৰা
বা ঠেলি দিব পৰা - শূণ্যতা গভীৰতালৈ
কিন্তু, মই উভটি আহিব বিচাৰো ৰদৰ দেশলৈ
এমুঠি সেউজীয়া আশাত
তোমাৰ দুহাতে সাৱটি লোৱাচোন
মোৰ এই বিধবস্ত নিঃসংগতাক

## “মোৰ খিড়ীকী কাষৰ ৰাতি”

তুমি যোৱাৰ পিছতে এনে হয়
শব্দবোৰ বিলীন হৈ পৰে এন্ধাৰত
মই জানো ; অথচ মোক জনায় যায়
সেই তৰাবোৰে মিচিকিয়াই
তুমিয়ে এতিয়া বহুদূৰৈত....।
কালি ৰাতি মেঘে গাজিছিল,
দূৰৈৰ আকাশত দুটি তৰাও সৰিছিলেহেনো
মই তেতিয়া শোৱা নাছিলো
দুচকুত স্বপ্নই লুকাভাকু খেলিছিল
(টোপনি অহাৰ সাধ্যইবা ক’ত তেতিয়া ?)
গভীৰ নিশা বলীয়া বতাহ এজাকে
মোক কোবাই গৈছিল অকস্মাতে
তেতিয়াহে শুনিছিলো
এন্ধাৰত ঝিলীৰ কান তাল মাৰি যোৱা চিএঁৰ
আন একো নাই ......
নিৰ্জন নিস্তব্ধ মোৰ খিড়ীকী কাষৰ ৰাতি
আৰু মই অকলে আছিলো.....।
(তুমি যোৱাৰ পিছতে এনে হয়....।)

শ্ৰী পঙ্কজ ডেকা
স্নাতক ৩য় বৰ্ষ (কলা শাখা)
অসমীয়া বিভাগ।



## “প্ৰেম”

বিপুল দত্ত
কানৈ মহাবিদ্যালয়
স্নাতক দ্বিতীয় বৰ্ষ

এবাৰ যদিহে যাচিছা হৃদয়
সত্যক সাৰথি কৰি ॥
জীৱন জগত হওক একাকাৰ
নেৰিবা প্ৰেম সখী ॥
বাহিৰৰ ৰূপ অতি ক্ষন্তেকীয়া
কিম্বা জাত কুল মান ॥
প্ৰিয়তমক এৰি নাযাবা দুনাই
কৰি মিছা অভিমান ॥
এখনি হৃদয় ভাঙি চিঙি মই
সিখন জগত লভি ॥
শেষৰ দিনত নোপোৱা নোপোৱা
প্ৰকৃত সুখৰ থলী ॥
হৃদয়ে হৃদয় বিচাৰে সদায়
নাই তাত সুখ দুখ ॥
প্ৰিয় পৰমৰ সুখ দুখ য’ত
সেয়ে হব স্বৰ্গ সুখ ॥
সমাজ জীৱন কঠোৰ বন্ধন
নেথাকে প্ৰেমৰ বানী ॥
কঠোৰ যন্ত্ৰনা ভুগিও লভিবা
প্ৰকৃত শান্তিৰ খনি ॥
সুদাম কৃষ্ণৰ অমৰ কাহিনী
যদিহে বুজিব পাৰা ॥
উচ্চ নীচ নাই সকলোতে পাই
প্ৰকৃত প্ৰেমৰ ধাৰা ॥
শত জনমৰ পূণ্যৰ বলত
মানৱ জনম লভি,
পাহৰি নাযাবা মানবী ধৰম
প্ৰেমেই পৰম গতি ॥

# অতীত, বন্ধু, প্ৰেম ইত্যাদি..

শ্ৰীযোগেশ বৰগোঁহাঞি
স্নাতক তৃতীয় বৰ্ষ (বিজ্ঞান)

(১)

'অতীত'

অতীত মোৰ আলসুৰা।
আইৰ সৈতে আগচোতালত বহি সাধুকোৱা ....
কাঁইটৰ আচোঁৰেৰে বিদীৰ্ণ কৰা.....
সুমেৰুৰ পৰা কুমেৰুলৈ....
প্ৰশান্তৰ পৰা হিমালয়লৈ...
তড়িৎ হোৱা ॥
ৰামধেনুৰ সাতো ৰং
আকাশত চটীয়াই খোৱা ॥

(২)

'বন্ধু'

বন্ধু মোৰ একেনলীৰে পানী খোৱা।
হিয়াৰ পৰা শিৰালৈ.....
চিনেমাৰ পৰা ৰাজনীতিলৈ...
ধৰ্মৰ পৰা অধৰ্মলৈ....
স্বৰ্গৰ পৰা নৰকলৈ.....
আমেৰিকাৰ পৰা জকাইচুকলৈ..
সকলোতে ভ্ৰমি ফুৰা.....
একেলগে হয়তো খোৱা পঢ়া
লগপাই পাহৰিব নোৱাৰা
সুখত হাঁহি, দুখত চকুলো.....

(৩)

'প্ৰেম'

প্ৰেমমোৰ অমানিশা
ডাৱৰৰ মাজেৰে সাগৰ আৰু জোনৰ দেশ ॥
বহু কথাই কবৰ মন যায় ....
কিন্তু, ডাৱৰ যে আতৰি নাযায়।
প্ৰজ্ঞা, জ্যোতিকা, মৰিচীকা আৰু অনামিকা..
সিহঁতৰ খবৰ এতিয়া পোৱানে নোপোৱা ?



## ''চিয়াঙ 'ব্রিজ্জত' এটি সন্ধিয়া (কবিতা)''

অবিশ্ৰান্ত...........

বৰ্ষা ক্লান্ত, শৰতৰ 'চিয়াঙ'

মাথো বৈ যায়.......

চৌদিশ এতিয়া নিস্পন্দ নিজম

অ'ত ত'ত এটি দুটি জোনাকী পৰুৱা

আৰু ৰিবৰিব মতলীয়া বা.......

পৰ্বতৰ চুড়া জোনাক তলবল মুখ

আৰু পাহাৰতলিত ৰহস্য

ৰহস্য ৰহস্য কেৱল ৰহস্য

ৰূপোৱালী ৰহস্য, ছায়াঘন ৰহস্য

প্ৰকৃতিৰ ৰহস্য, পৃথিৱীৰ ৰহস্য

জীৱনৰ ৰহস্য.......

মনৰ নিৰ্জন প্ৰান্তত

ব্যৰ্থ চিত্ৰকৰৰ আঁকবাঁক.....

অদূৰত, ৰিণি ৰিণি একুৰা জুই

হয়তো এখন 'আদী' গাওঁ

হঠাৎ চাঁৎ কৰি উজ্বলিল এটা পোহৰ

হয়তো কোনোবা কেঁকুৰীত এখন গাড়ী

আৰু মই আঁউজি আছো' চিয়াঙ ব্ৰিজ্জৰ ৰেলিঙত

অকলশৰে............

অচিনাকি অৰ্কিডৰ সুগন্ধৰে সুভাসিত

শৰতৰ এই সেমেকা সন্ধিয়াটোৰ

কিজানি দোঘোৰ প্ৰেমত পৰিছো।

কিন্তু এইয়ে মতগৰ্ব্বী পাহাৰ কেইটাই

প্ৰেমত পৰিব নিদিয়ে আকাশখনৰ,

সেয়েহে নাজানো-

এই সন্ধিয়াৰে হৃদয় কিমান বহল ;

তথাপিও আঁউজি আছো চিয়াঙ ব্ৰিজৰ ৰেলিঙত

লগত আঁউজি আছে অলপ ৰহস্য, অলপ প্ৰশ্ন

নিশব্দে....

আৰু কিছুসময়........

গাড়ীখনে হয়তো লৈ যাব-

সকলো ৰহস্য সকলো প্ৰশ্ন

তথাপি 'চিয়াঙ ব্ৰিজৰ' ৰেলিঙত

আঁউজি ৰ'ব এটা প্ৰশ্ন।

মোৰ হৃদয়খন বাৰু কিমান বহল !

অবিশ্ৰান্ত......... মাথো বৈ যায়.... চিয়াঙ.......

আৰু চৌদিশ নিস্পন্দ নিজম..........॥



# তামসী-অনল

ঐকৈশ শতিকাৰ আজিৰ এই
অশ্ৰুভৰা দেশ,
কোনেনো ভাবিব -
ইয়াৰ দুৰৱস্থা ,
দুৰ্দশাৰ পৰশে
দুনয়ন ফালি বোৱাই আনে
অশ্ৰুৰ নিজৰা
সমস্যাৰ জৰ্জৰিত বাক্কোনে
আঘাত প্ৰাপ্ত হৃদয়ত
জ্বলাই তুলিছে
বিচাৰৰ প্ৰচণ্ড দাবানল ।
স্বাধীনতা, সমতাৰ অভাৱে
অন্তহীন হুমুনিয়া সৃষ্টি কৰি
বাকৰুদ্ধ কৰি তুলিছে ।
শাৰীৰিক তথা মানসিক নিৰ্যাতনৰ
দুধৰ্ষ পৰিস্থিতিয়ে অন্তৰত
বিক্ষুব্ধ বহ্নিৰ সৃষ্টি কৰি
জনগণৰ কাঢ়ি নিছে -
বাস্তৱৰ আকাংক্ষিত সপোন ।
চাৰিওদিশে বিচ্ছুৰিত কেৱল
জুইৰ নগ্ন শিখা ।
অনল-শিখাৰ নগ্ন আশ্বাসে
সাম্প্ৰতিকতাৰ পৰিচয় দি
প্লাৱিত কৰি তুলিছে
ৰক্তৰ ঢল !
বিদ্ৰুপৰ কুঠাৰাঘাতে কাঢ়ি নিছে
দেশৰ -
সুস্থিৰাৱস্থা, মমতাৰ কাঠি।
লৌহ আবেষ্টনীৰ মাজত আৱদ্ধ
হিংসাৰ জুই,
সভ্যতাৰ সাঁচত আচোঁৰ বহুৱাই
আজি তীৱমান গতিত,
ধাৱমান হৈ পৰিছে
সৰ্পিল পথৰ নিৰ্জনতাত।

শ্ৰী বিজয় কুমাৰ ছেত্ৰী
স্নাতক ১ ম বৰ্ষ (কলা)



# English Section

*A SHORT STORY*

# THE BROKEN BRIDG

*Deepankar Gohain*
*B. A. 2nd year*
*Dept. of English.*

"A seagull reced through the window Knocking over the lamp in the room, And in the following darkness lost its senses "

-Maruyama Kaoru-

It is - 40°c, 13, 400 ft. high in sando Top in front of Tiger hill. If there is hell then this must be it. The wind cuts the soldier's face, the lungs scream for oxygen, the cold Numbs the Mind. Orange juice has to be boiled, eggs turn to golf balls, the guns jam. What a way to fight a war. On the helmets of soldiers in viethnam, it was often written "War is hell" So it is.

For two months the border was quit. The rangers lolled listless in plastic camps - bringing joy to the rusting guardians of the frontier Supper was over, and there had fallen upon the camp the silence that accompanies the rolling of a pin. Putting off his cramponed boots, Jatin cuddled into a double-padded sleeping bag. His colleague Harbind, the Punjabi Munda, keeps vigilp at a forward bunker. Jatin must attend three by 5 o' clock. He can take rest for three hours. If possible a three hour slumber will be well - sufficient for him to keep awake for five long hours.

I will make my drakness
My sweet bed of roses
And sleep
Rose me when the world changes
I shall than tell you how the world was
In such a way that
You would long to go there

A well known sound-the noisy Ramcharan from Bihar. Jatin listened cautiously. He heard a load voice call out reassuringly. Out from the sleeping bag immediately, Jatin put on his boots, took his loaded gun and rushed out.

'Hi, fellows !' shouted Ramcharan. 'A letter for Jatin.

A letter from the Goanbuda. Jatin must come as soon as possible. Reason not mentioned. Reading the letter Jatin joined the smokers about the fire. Keeping warm is a matter of survival. Even the odd tree is doused is kerosene to generate heat on the heighs. As the sun dips, the flames from another soldiers pyre light up the evening. Everywhere it seems nature is collecting its dues, reminding men this is not a place for war. This is a land of no respite, a terrain that is forever challenging. The wind, the cold, is not sporadic, an irritant, it is unrelenting, a nightmare without end, an unwanted companion that refuses to leave.

Is makon ill, Is Runi alright, has anything gone worng with Lily Nay, how can it be. The letter is from the Gaonbuda, Perhaps some land disputes. Hundreds of questions hovered around Jatins head.

Jatin is simply a loose, lank youth with peach coloured complexion, ivory black hair, his ingenuous face always wore a good-natured smile. He dwells from Kolakhowa, a village 20 to 30 kms from Dibrugarh, Assam. A POSTHUNOUS son of a mother who died few years ago. His mother always hoped for a distinguised career for Jatin. But he wouldn't listen to anything. He resolved his mind to join the Army. As a student he was a dunce and most notorious truant. All the good counsel of his mother came fresh to his mind when he climbed the

dizzy heights of sando.

After a bit scolding, Jatin got an emergency leave for a week. To get a leave in millitary is not an easy task. Hardly Jatin can spent two nights in Dibrugarh. A long journey indeed. It'll swallow all his leave.

...Promises to keep
And miles to go before I sleep
And miles to go before I sleep
-Robert Frost-

Getting off from the train, Jatin hired a taxi. Bus will certainly take time. He purchased a cotton saree in Delhi. For Makon ,his dear wife, a pair of wollen shoes and shocks for Runi, his tiny tot who will be 2 in April. God know whether he can come on her birthday. Last year it was a grand celebration. Bora rice for the youngsters and Rice beer for elders. A Kashmiri shawl was also tucked in his bag for Lily, his sister-in-law who had come to live with Makon, after his departure last summer.

Memories are still fresh in Jatin's mind when he proposed Makon. How sweet was those memories. She was only 18 then. Her hair was coal black that casadesd carelessly over her back, each filament of the neatly gathered mass shining with its own lustre and delicate graduation of colours. Is perfect harmony was her Rosy-red cheeks and her deer-like eyes that looked upon the world with ingenious calmness of a mermaid or the pixy of an undiscovered mountain stream. Her chassis was strong and possessed the grace of absoluteness. Her ingenious complacency, charisma and peacock movement is a perfect work of nature to exist and can be admired equitably with a rare flower that blooms amidst the forest by the side of a cool stream that runs through the deep woods breaking the silence.

Jatin proposed her in the paddies. The perturbration in his soul was increasing and reached the extreme point. The perturbration on the country was a blissful state of his soul, bringing him joy which he had never before know. She was reaping rice when he approached her. The other reapers saw him coming towards her with a dozen bunch of paddy and an ear-to-ear grin kneeking clumsily on the ground, he extended his right hand "Makon" he asked "Will you marry me ?"

Makon couldn't stop giggling in shy " I can't believe this !" she said, The two sat together, talking quiety, and langing, while the nearby reapers craned their necks to see what was going on.

"The car cannot move forward, the bridge has slipped". The Bengali driver said modestly.

Jatin thrusted his head out of the window pane. Indeed the wooden bridge has subsided. It was out of his hard work and endeavour that the bridge was built few years ago. Alas ! the contractors had cheated them. He got off from the car and gave is two hundered rupees to the driver and crossed the bridge. A 4 km way on foot.

Nothing had changed. All around the rice plantation stretched as far as the eye could see, sprikled with the colours of nature. The incomplete irrigation canals stitched the landscape fightly into squares. The wind fell and black clouds merging with powder smoke hung low over the rice fields. Jatin hurried his steps. Perhaps the oncoming night is waiting for a heavy shower. On the far distance of the unsurfaced road a tall lean figure on a bycycle is quite conspicious. Is it Harikai ?

'Harikai' Jatin said in a cheerful mood.

'Jatin' the lean man uttered in a timid voice getting down from the bycycle.

'Are you going for fishing' Jatin still in a merry mood.

'You are too late, Jatin' Harikai said in a choked voice.

I am late, what's the matters. Jatin murmered a bit confused.

I have no works, you have been ruined Jatin. All is over, Harikai almost bursting into tears.

'I am ruined. How........ ? Jatin still confused.

After a brief pause Harikai whispered.

Last saturday an army off soldiers ravaged our village. They got some fake news of insungents entering the village crossing the river. They raped seven women including Makon and Lily. we found your child in the morning. Dead in cold we burried all of them by the river side.

Jatin felt as if the mighty waves of Luit has splashed Jatin off and took its depth. He nodded on the ground both the palms on his brow, as if somebody has hammered his head. He wanted to cry aloud. But tears unwilling where on earth he could cry.

'Investgations are still going on to had the culprits Harikai spoke in a low timed voice'.

Jatin uttered no words. He wanted silence. He stood Motionless. After a long pause he spoke in a soft voice.

'Harikai you can go' I am coming: Harikai not knowing what to do got into his cycle and paddled forward.

Jatin stood up and sat on a tree stump by the road. For a movement he glanced at the ricefields. A welcome breeze was blowing from the north. It was his daily routine to pay a visit here once a day. He stood by the wayside and listened to the softsound of the coolbreeze. His mind stired in a way he didn't understand. The road stretched as far as the eye could see whether the road led know not. Eithers way there seemed to lie a great world full of chance and peril. But the lane of Jatin's life undulating all the way with repeated twists on the right and left seemed as if it had come out. One day looking for something,but whichever way it turned it had reached a dirty dead end. life has all colours. It is a rainbow. But Jatin's life has turned black. From the vast flat expanse of land resounded a sorrowful cry of a little bird swooping law over the rice tips in salute to the oncoming night. Tears now welled down Jatin's cheeks. He stood up and stepped again towards the broken bridge and disappeared in darkness. Darkness that has no morn and the road that stretched as far as the eye could see.

# WOMEN'S DILEMMA

**ASHIM KUMAR HAZARIKA.**

**B. A. 2nd. YEAR**

**GEOGRAPHY (Deptt.)**

"If the civilty, culture and progress of a society are to be marked then women should be given first chance for being educated."

There is no duty we so much underrate as the duty of being happy. To be happy is one of the rights we gain by birth. But for the most part it is perceived that women are universally ignored. In social life, they are found to be dominated. If a servant is suspected, he may leave clame his job. If a son is suspected he may leave his further's house. If a friend is suspected he may give up his firendship. If a wife suspects her husband she will suffer in silence. But if a husband suspects his wife, then she is doomed. Where is she to go ? That is why we should look upon women as a symbol of tolerance.

In isolated small families where there are fathers, mothers and one or two childern only the mother remains at home, and if some guests happen to came, then the lady is in a real dilemma, She is unsure whether to talk with them or prepare to recieve them. Again in middle class soicety it is often viewed that women are often relagated to the background. The males say that their duty is only to earn. The rest of the responsibility is pushed towards the females. In such cases the males act more like a butcher slaughtering the females by all psychological means, infringing on their liberty to be happy.

Then comes the question of some social problems, whose answers are ignored by society. And it results in despair, dijection, desolution and death. "Dowry spells disaster". It is the eccentric custom where a man forcefully sells hemself to a women. Any wife failing to fulfill the amount required to buy a husband has two decissions - either to remain a spinster throughout her life or to end her life. The lowly position occupied by women and the bar in educational fields are some social problems. Hence, we need enlightment on the parth of men to respect the rights of women.

" Home, sweet home, is the ideal place for Indian Women". It seems to imply that despite the scientific and technological developments and the movement for female emancipation,one should still accept that the home is a better place for women. Although women should have the full liberty to shape their destinies, yet we, as men, have also a duty to help them to lead a happy life. If is not wealth, power or status as such, but the happiness which may result ultimately is the real good of one's life. If we take the American society as an example where materialism has the upper hand, family life, home and respect have lost its significance.

So we should achieve a compromise between misogynist and feminist attitudes and help women to solve their dilemma. It is love that makes the world go round. If is not money, rank or power, It is love. Love is the ultimate human answer to the ultimate human question. and women together can create an oasis in the desert of our social life.

# BELIEVE IT OR NOT !

Md.Zahir Shah
B.A. 2nd year.

**The Astonishing New Collection of oddities from Every Corner of the Global**

**Huge Appetite**

Roman emperor Vitellus, the greatest glutton in all history, spent more than $ 3,75,000 a day on food alone ! 1000 oysters a day - and indulged in such dishes as nightingale tongues, peacock brains, livers of parrot, fish and lamprey milk etc.

Yet he - starved his own mother to Death ! To fulfil a prophecy that he would rule long if his mother died first.

**BLACK MILK**

Mollie, a Cow belonging to Rupert Hanshborough, ohio, 1891, gave BLACK MILK'

The ink-like milk was entirely palatable and so was the butter which resembled coaltar.

But - Chemists could detect nothing of account for the sable color.

**IT SOUNDS THAT WHY, BUT DON'T YOU BELIEVE IT !**

Banana oil is not derived from bananas
[It is a chemical distillate of coal]
The funny bone is not a bone
[It is a nerve]
A shooting star is not a star
[It is a meteor burning in the earth's atmostphere]
Pineapple is neither pine nor an apple
[It is a berry]
There is no acid in carbolic acid
[Chemically it is a base and acts like lye]
There is no Butter in Buttermilk
[It is milk from which butter fat has been removed]

ICE WEDDING

The strangest nuptials of all time took place in the Russain capital in January 1740. A Russain named Michael Galitzine had married a foreign women in Italy without first obtaining his Governments permission. The Queen, Anna Ivanova a gross and cruel woman wit a distrote sense of humour,decided.tTo punish him for his insubordination.

At the orders of the Queen a palace of ice was construted on the shore of the river Neva. The sturcture was completely outfitted in gleaming ice, including ice bedding and ice blankets. All the mishapen freaks, dwarfs and monsters that could be found in the Russain empire were bidden to come to the Ice palace as wedding guests. The ugliest woman in all Russia, a kalmuk native, atrociously malformed waschosen by the Queen and Galitzine was ordered to marry her.

The Ice palace was brilliantly illuminated during the ceremony. while the Queen's fuffoons did their best to humiliate the bridegroom. While the temperature outside was 40°C, the bridal couple retired to their ice chamber. The exit was sealed to prevent their escape. The victims survived the ordeal and had healthy twin sons. But unfortunately the curel Queen died at the time of the twine's birth.

SMALL BLACK BUTTERFLY WITH LONGEST NAME

PAPLIOCARTI GENIUS NIGRES CENSAL BALINIAROPEEXTREMITA TI BUSULARUM

Indeed a jaw breaker - Is'nt It ?

**THE MONUMENT TO CINDERELLA**

The orginal cinderella, whose adventures have delighted the hearts of childern for about 4000 years was a young Egyptian woman of great beauty. Her real name was Rhodopis.

One morning while bathing in the Nile, the beautiful Rhodopis saw an eagle snatch up one of her slippers which she had left on the sand. The bird carried the sandal to Memphis, 500 miles away, and there he dropped it into the lap of the Egyptian King Mycerinus as he sat administering royal justice.

The king was "struck" by the beauty and

small size of the sandal which had dropped on him from the skies. His imagination did the rest. Presently the Pharaoh set out to find the fair owner. The shoe would fit none but her own slender foot.

After many difficulties he found her, married her and made her Queen of Egypt. It was in honour of her that he built the third Pyramid of Gizeh, a veritable monument to Cinderella.

The slipper was of fur not glass. When the story was translated from French, into English, the translator mistook the French "Vaire" (fur) for "verre" (glass). since then Cinderella and her "glass" slipper have been inseparable.

## STARTING FROM SCRATCH

Colusa Country, California, was named after an Indian tribe called Colusa. This is a spanish word meaning "Scratcher". The tribe was so named because of a quaint custom which compelled a newly married bride to scratch her husband's face on the morrow of their wedding, as an auspicious way of starting their honeymoon.

## MR. BOOK

The most revered book in the world is theGrant Sahib (Literally "Mr. Book"). It is the holy book of the Sikhs, a religious sect. of India. This book is treated as though it were a living criental king. It has a retinue of servants who fan it all day with golden handled fans of peacock feathers. An orchestra plays sweet music before it to banish boredom. Sweets are offered to it continuously for its sustenance.

The famous Golden Temple of Amritsar, centre of the sikh religious worship, was built for the express purpose of housing this book. The temple is of marble encased in heavily gilt copper and cost $ 40,000,000 to build. It is the cosliest book cover in the world.

## BLACK AND WHITE

The stripes on the zebra are white - not Black. The white stripes are superficial tufts on the Black ground colur. Zebras are descended from solid dark cloured animals.

## A SHIP WEIGHS LESS BY MOONLIGHT

Every ship weighs more in the, daytime than at night, when the moon shines upon it. The gravity pull of the moon upon the ship is greater than the pull it exerts upon the water. As a result the ship displacement is reduced.

## THE DOLBER FORMULA

During a particular period of a day if you substract 40 from the number of cricket (an insect) chirps a minute and divide the result by4 and add 50 to the result - you can tell the temperature at that time without a thermometer

## AN ACCIDENT REPORTED BEFORED IT HAPPEENDED

"Hurry to sans paplo and Mac Donald Avenues," said voice on the telephone at the police station in Richmond, California. "The santa Fe, Streamliner just. hit a truck and a man is hurt pretty badly.

The police dispatched squad car and an ambulance to the scene of the accident. But there was no 'sign of accident'. The train hadn't yet arrived.

The investigators were about to leave in disgust when the train roared in. It collided with a truck driven by Randolph Bruce. The driver suffered a brain injury and a crushed chest.

## FICKLE FEMALE

The most Fickle woman in the world, Adrienne Cuyot, Brugls, Belgium - was engaged 652 times and married 53 times, for 23 years she changed her mind on an average of once every 12 Days !

## LEFT ARM

On July 6, 1930 William Lumsden of Roslyn, Washington, lost his left arm in a tractor accident. Willaim was the fourth generation of his family to lose his left arm in an accident. His great-grandfather, grandfather and father had lost their left arms when they were about Willaim's age.

# PECULIARIES OF THE ENGLISH LANGUAGE

SRI TRIDEB NEOG,
B. A. 2nd YEAR
ENGLISH DEPARTMENT.

Language is the code of speaking. Among all the languages, English is the most widely spoken language in our planet. Greater number of books are written in English and greater number of international calls are made in English. It is the language that links many countries/In English a house can be destroyed by 'burning up' or 'burning down' the house. In English figures can be added by ' adding up' or by 'adding them down'.In the English language a man can father a movement but a woman cannot mother a movement. A king rules a kingdom but a Queen cannot rule a Queendom. There are more interesting facts. In the English language black-boards can be blue or green. Black-berries are black but what are stawberries, gosseberries, raspberries etc. Further there is neither pine nor apple in pineapple. In English a weight-lifter lifts weights but what does a shop-lifter lift ? If a vegetarian eats vegatables, what does a humanitarian eat ?

Now let us move forward for more crazy words and pharases which mean something different from its written form.

a) "A hot cup of tea".
Nobody wants a hot cup but obviously
a cup of hot tea.
b) "Morning walk" and "Evening walk"

People take 'morning walk' and evening walk' in the morning and evening respectively. But people also walk at noon or at night but never say a 'noon walk' or night walk' If we go to the depth of English language we will find more and more such interesting facts.

Similarly, like English all languages are a little peculiar. Since they are invented by people, not discovered by themselves.

ooo

# HOW TO ACQUIRE PERFECT HAPPINESS

SHARNUSTHA DUTTA
T. D. C. 2ND YEAR
SCIENCE (PHYSICS MAJOR)

Happiness is a state of mind we are happy when our childern grow up well & earn name and fame. We are happy when something improves and progresses. We are happy when something good happens. Wel are happy when others are good and friendly. Happiness is therefore the resultant experience of something acting outside our own self.

There are various concepts of happiness. Intellectual happiness comes when we read an exhilarating piece of literature. Soul-stirring stanzas of a poem send waves of happiness as if we are living in the world which the poem has created. Intellecual happiness is also got as we teach young ones who respond to learning. Moral happiness is self-centered. Being good is to be happy. Moral excellence exhilarates us to greater happiness. Virtue itself is happiness such a happiness spreads and widens in its ennobling effect. Truth guarantes happiness. Love sustains happines service lengthens happiness. Prayer purifies happiness. It is difficult to acquire perfect happiness deut easier to describe happiness. It is more or less a personal endeavour. It depends upon the philosophy of life. It is conditioned by our pursuits in life. It is not like an acquisition of property either by sale, lease or gift. It has to be attained by persona endeauour and eelevation. Happiness is never acquired. It is attained.

We can attain happiness. We have to be intellectually sublimited, to have refined concepts of happiness. We have to be morally guarded to breath happiness into our life. We have to be socially serviceable to sustain our happiness.

The service element in the making of one's happiness is perhaps universal in its appeal. Can there be any happiness, if people around us are steeped in misery ? On the one side we see the morble mansion, on the other side we see the muddy hut. On the one side we see poor hungry childern quarrelling to get at the thrown out eatables.

Happiness can never be acquired by running away from the scenses of suffering. We have to work to remove the traces of human tragedy. We a duty to the suffering masses. In the endeauour to ameliorate the sorrowful conditions of the pitiable people lies the real, perfect and lasting happiness. What a joy, what a happiness, if we can wipe out the tears from the weeping woman , if we can teach a playing urchin, if we can create human conditions in their life.

Long after we have done the humanitarian work, after many years have rolled by, one day, at some place, in our loneliness someone rushes to us and recalls the little, small service we had done to him and that he had become big and happy. That is the peak of our happiness. Our happiness consists in making others happy. Our happiness begins with the happiness of our family, our society, our nation our world.

Happiness can be acquired only by making others happy. Happiness can never be real perfect and enduring if we do not dedicate our life to the service of others. Service is happiness - happiness is service.

OOO

# THE MOST USING WORD TODAY
# INTERNET

Nupur Sensua Baruah
Ex-Student
Manipal IT Education
Dibrugarh

The INTERNET is "a network of networks". The global collection of high powered computers that are connected to each other with network cables, 'telephon lines,microwave dishes,satelites etc.

The cable is an alternative medium for delivering the Internet services. In the US,there are already a milion homes with cable modems, enabling the high speed Internet access over cable.In India, it is the initial stages.

Accessing the Internet on the public switched telephone network(PSTN) still has a lot of problems, such as drop outs.It takes a long time to download or up-load large files.One has to pays both for the Inter net conectivity as well as for the telephone uses during that preiod. Since it is technically possible to offer higher bandwidth by cable, home as weell as corporate users may like it. Many people cannot afford to upgrade his PC every year. Cable T.V. based ISPsoltion offer an economic alternative.Futuer residential cable data service are expected to deliver Internet Access, Work at home, aplications, small business access, LAN (local Area Network)-to-LAN Interconnect, and LAN emulation sevices over cable TV (CATV) networks. These applications have been made viable by a range of innovation, improvements, and modifications ever the existing networks and their constituens such as modems, modem termination systems. Services like the fast Internet access, broadband, enhanced cable technologies and coaxial cable modems, etc. are enabling profitability entries. Not only the existing CATV operators, but also the ISPs can enter this new market sector, and benifit from the boom offerd to the IP service provideer network.

APCOM Computer, India, has launched Dax cable modem for surfing the Internet 24 hours a day at a speed which is tyically 25.30 times faster than a telephone line modem, with the help of cable operators,jadoonet has launched a set-top-box (STB) for surfing the word wide web (WWW) using a T.V. and a telephone line. Access to features like e-mail, banking, shopping,ews,etc. ae possible in the comforts of home.

Some Basic teminologies of the "Net" language:

INTERNET :- The International Network.

CYBERSPACE :- The Computer World.

WEB-SITE :- The Electronic sore front.

WEB-BROWSER :-The softwear to glide through the network. Netscape, Internate Explorer etc.

HOME PAGE :- The Introductory screen.

HTML :- Hyper Text Manipulation language.

PROTOCOL :- Set of rules framed for transmission on the net.

HTTP :- Hyper text transfer protocol.

ISP : - Internet service provider.

TCP :- Tranfer Control Protocol.


SEC



# POEM SECTION

## "DAYS OF TEARS"

*CHATRA KUMAR DOLEY*
*H. .S 1st. Yrs. (Science)*

*My days are passing in tears ;*
*Do not know where I have lost all my cheers.*
*An aware, if I go searching for smiles ;*
*Will not find them ever if I travel mile after*
*mile*
*I wonder where the days of happiness are gone,*
*of which I was very fond.*
*Life, for which many are thirsting and crazy*
*Is now, for me a heavy burden very uneasy.*
*'Is this a test sent by God ?'*
*This sometimes comes to mind as a thought.*
*some say ,*
*"If you have good reasons to cry,*
*you can also laugh if you try"*
*Buy even if I try I can't laugh*
*for amidst my tears, I find it taugh.*
*My days are passing in tears*
*They are making me lonely .. very lonely*
*In this life of days four,*
*Will I not find happiness anymore ?*



## "SECRET LOVE"

*DIBYADHAR KHATTIYA DEORI*
*B. A. 2nd. Yr. (Pol. Sc.)*



*The moment really was exciting*
*I was first introduced to her*
*The earth at rest seemed to be,*
*the happenings-just to watch.*

*I stood inscrutably*
*(Could this be love ?)*
*Looking at her deeply*
*Trying to understand the language*
*speaking explicitly by her lovely eyes.*

*Tongues were wagging*
*Talking about me*
*A hovering love*
*A crazy, hunger for love.*

*Days have gone*
*Dreaming only of her*
*sitting beside her*
*far in a land of serenity.*

*Today-after a long gap met*
*with an exquisite feature my beloved.*
*saw me as previously*
*A questionable sight*
*suddenly I turned to the past*
*To think on again*
*like an expert-semanficist*
*To find the hidden answer.*

# UNFAITHFUL LOVE

Ms. Jasmee Chetia
B. Sc. III yrs.

*More than my life*
*I loved you ;*
*Never ever realised*
*it was not 'you'*

*My heart swayed*
*with the promises you made ;*
*All gone, vanished,*
*there lies the grave.*

*You left me all alone*
*to cry, to die*
*to feel the emptiness*
*the loneliness*
*created by, you*

*You cared not to write*
*You cared not to call,*
*Yet I was unable to realise*
*it was a halt*

*My heart cried ;*
*shed many tears ;*
*you never thought of me*
*How can you ?*
*you walked out*
*Out of my way,*
*proved your love,*
*one I failed to know*


*Now that you are gone*
*I am left all alone*
*I wonder over my past*
*But I am alive.*
*I will strive.*



## IS THERE SOMEONE

ANJAN K. NAG.
TDC IIIrd Yrs. (Science)
DEPPT. OF ANTHROPLOGY.

*Why am I always so alone ?*
*I am not really all that bad,*
*why can't people like me ?*
*why I am always so sad ?*
*I try to be bright and smile and laugh,*
*But no one seems to understand,*
*Everyone else has lots of friends,*
*But why am I betrayed.*
*Could it be the way I look ?*
*My skin, the clothes I were*
*I'm looking for a special friend,*
*Someone who will care for me,*
*Someone who will care for my thoughts,*
*who will be right there in need*
*My heart is always empty.*
*Yet I know I have lot to give*
*Won't someone give me just one chance*
*To enjoy this life I live ?*



## ALL MY FAULT



*That was my beautiful garden,*
*where blossomed colourful*
*flowers of many kind*
*whose sweet scent overflowed*
*the surroundings ;*
*which cannot even be found in Eden.*

*And it was here, I played my past.*
*where only peace, joy and love were found.*
*undisturbed by any foreign force*
*that was known*
*for it was fenced with heavy stone.*

*But, alas ! Now it is not so*
*All were eaten upby the caterpillars ;*
*whose mother were the colourful butterflies that I*
*let it in.*
*No flowers bloom, only the twigs remain, foul*
*smell of the dead.*
*Leaves comes.*

*I know it was all my fault.*
*If I were not lazy this would not happen*
*Though there is no time*
*Oh lord, help me to make my Matherland bloom*
*again.*

## LOVE NEVER DIES

BINOD BORGOHAIN
B. Sc IIIrd year

I thought her, mine ,
She didn't make me her own ;
I lost all my dream,
And drown all that was mine ;
Now with her memory
And these pain,
I will go on, I will go on..



Her memory will be breathing ,
So long as I'm living,
To remind my love again and again
As I know my love for her
is evergreen.

Heart will dry,
And the body 'll vanish ;
But in air, water and wind ;
My love would remain.
The waves and leaves,
And the humming of bees,
In their low sweet voice,
will say, Love never dies,
Love never dies.

Day will come,
Day will go,
But forever my love will stay,
All these for me -
In the still story night,
The birdie will say ;
The birdie will say ;

## OLD BUT INFANT

*Though old, I am infant*
*know all but still to know*
*passed miles but many miles to coutinue.*
*Personified many, but more credit remains to it*
*Encountered circumstances, many lay*
*unfaced.*
*crossed situations, many lay unsurfaced.*
*Seen mysterious worlds, many remain*
*undiscovered.*
*Met many damsels, many damsels are*
*Yet unborn*
*Experienced thrills, many more survives*
*Tasted delicious, more regrets remain*
*on that,*
*Experienced wonders, more wonders remain*
*ignored.*
*Watched heavenly things, more heaven*
*do exists Probably.*
*I have quoted many words, many*
*remains beneath my bosom ; just in capable*
*to being accomplished..............*

AKAI MANHAM
B .A . IInd Yrs. (Eng.)



## The Drinker

*Biman Gogoi.*
*H. S. 2nd. Year*



*I am a student of H. S. 2nd. year*
*One day my friend introduced me*
*to a beer*
*Which is known as Maharani Beer*
*From that day I didn't have any fear*
*my face always filled with cheer*
*And my story begins from here*
*I used to take of day after year*
*One day, I dream't a dream dear.*
*I am riding a Royal stag.*
*With a Gold Ribbon on its neck*
*Which went on in top year*
*And stopped at a Old Tavern near*
*I saw lots of bottles there*
*I took Whisky,Ram and Beer*
*And it is almost 8 PM there*
*still drinking without any fear*
*But, suddenly I fell down there*
*And He Man 9000 took me up*
*Morning I found myself in whithall near*
*And Kingfisher is singing to me*
*By saying you are all in all dear.*

## WHAT IS LIFE ?

***Avijit Dutta.***
***B. Sc. II yrs.***
***(Maths Major)***

*A rich man bursts into laughter and says,*
*'life is money"*
*A poor man shivering in the cold says,*
*'life is struggle."*
*A soldier firing at enemy says,*
*"life is a battle field."*
*A sparrow flying in the sky, says,*
*"life is freedom."*
*A helpless bird in the cage says,*
*'life is bondage."*
*A priest praying says,*
*'life is for God."*
*But, I say,*
*"Life is an unsolved mystery."*



# SILENT WHISPERS

**MOUSHMI BARUAH**
**BSC. FINAL YEAR**

*TEARS JELL, CADENCE AS LIGHTER THOUGH*
*SLOWLY DESCENDING THE SILENTT, SPARKLING EYES*
*HUNDREDS STILL LIE, UNSHAKEN BY THE GUST*
*BELOW THE SILVERY ELM, STILL CRIES.*

*BLOW THE WIND, RORE AWAY THE LOFTY ONES*
*IN A COIL, CRYSTALLIZED BY DARKENING VISION,*
*AT THE HOUR, SHOVED THE JADED ONES AMONG*
*THE DROVES OF NAKED UGLY CHILDERN.*

*THEY COUCHED AND DREAMT OF FIREFLIES*
*AT MIDNIGHT WHEN THE PRAVEMENT SHINES,*
*THY FLESH THAT MOCKED AN OUTCASTE BEAUTY*
*STILL BENEATH THE HEAVENLY SHRINE.*

*THE ORPHANS, GULPED TEARS, ACROSS THE ALLEY*
*WHEN FLURRIED THE DARK GALLOWS OF YORE ;*
*THEY HUGGED THE FLOOR, AS STRAY DOGS EVER*
*AND NO LACY PRINCESS OPENED THE DOOR*

*THEIR CHUBBY FACES BEARS NO SMILE*
*NOR SNUG INTO THE REFLECTED SILVER PASSION ;*
*TWO TENDER ARMS, TO HUG THE GROANING HUNGER*
*IN SILENCE, WHISPERS TO RULE THY EMOTION.*

*EVERY BROOKS AND GUTTERS CALMLY WHISPERS*
*THRUSTING THE POISON WITH BALEFUL SMILES*
*OH ! A BEAUTIFUL NIGHT, SANG THE MOON*
*ALONG THE SWARMING CRICKETS, ACROSS THE MILES.*

*AND ONLY A DREAM, TO THIS HELL SO BRIGHT*
*THAT SHOWS THE MIRROR ITS BROKEN SIDE ;*
*AT THE HAZEL NIGHT THEY FLEE FROM TWINKLES*
*IN SEARCH OF WARM SHELTERS TO HIDE.*

# Photo Section